www.epaper.asombarta.in
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
□ PRGI REGD. NO. (Title) : ASSASS01389

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আজিৰ কাকতৰ বিশেষ পৃষ্ঠা
কাব্যগুচ্ছ ৬ পৃষ্ঠাত

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

□ ষষ্ঠ বছৰ □ সংখ্যা - ১২৪ □ শুকুৰবাৰ □ ১৩ জুন, ২০২৫ চন □ ৩০ জেঠ, ১৯৪৭ শক □ VOL - 6 □ NO.- 124 □ Friday □ 13th June, 2025 □ মূল্য ঃ ১০.০০ টকা □ মুঠ পৃষ্ঠা ঃ ৮

■ প্ৰায় তিনি শতাধিকৰ মৃত্যুৰ আশংকা ■ সেনাৰ উদ্ধাৰ অভিযান অব্যাহত

# আহমেদাবাদত অগ্নিপিণ্ডত পৰিণত বিমান

## ২৩২ গৰাকী যাত্ৰী, ২ গৰাকী পাইলট আৰু ১০ গৰাকী কেবিন ক্ৰুৰ সদস্য আছিল বিমানখনত

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ জুন ঃ** গুজৰাটৰ আহমেদাবাদত সংঘটিত হয় এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাৰ ঘটনা। বিমান বন্দৰৰ সমীপৰ মেঘানী নগৰত দুৰ্ঘটনাত পতিত বিমানখন। আহমেদাবাদৰ পৰা লণ্ডন অভিমুখী আছিল বিমানখন। উৰণৰ কিছু সময় পিছতেই এটা অট্টালিকাত খুন্দা মাৰি দুৰ্ঘটনাগ্ৰস্ত হয় বিমানখনে। উল্লেখযোগ্য যে, উদ্ধাৰ কাৰ্যৰ সহায়ক হোৱাকৈ সন্ধিয়া ৫ বজালৈকে বন্ধ কৰি দিয়া হৈছে ■ ৭ পৃষ্ঠাত



## প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, ৰাষ্ট্ৰপতি, ৰাহুল-ছোনীয়াৰ শোকপ্ৰকাশ

**অসম বাৰ্তা, নতুন দিল্লী, ১২ জুন ঃ** দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পিছতে সমগ্ৰ দেশজুৰি শোকৰ ছাঁ পৰিছে। আনহাতে, বিশ্বৰ বিভিন্ন দেশেও এই বিমান দুৰ্ঘটনাত শোক প্ৰকাশ কৰিছে। বিমান দুৰ্ঘটনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰি কয়, ■ ৭ পৃষ্ঠাত



## ভস্মীভূত মেডিকেল কলেজৰ হোষ্টেল; ২০জনৰ মৃত্যুৰ আশংকা

**অনলাইন বাৰ্তা, অসম বাৰ্তা, ১২ জুন ঃ** আহমেদাবাদৰ মেঘানী নগৰ অঞ্চলত BJ মেডিকেল কলেজ হোষ্টেলৰ ওপৰেদি উৰা মাৰি ৫ মিনিটৰ পিছতেই আহমেদাবাদৰ পৰা লণ্ডন অভিমুখী বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়। হোষ্টেলৰ ওপৰত থকা কেণ্টিনত মেডিকেল ছাত্ৰ-ছাত্ৰীসকলে দুপৰীয়াৰ আহাৰ কৰিবলৈ মাজতেই উক্ত দুৰ্ঘটনাটো সংঘটিত হয় য'ত ■ ৭ পৃষ্ঠাত



## গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ থিতাতে মৃত্যু



**নেশ্যনেল ডেস্ক, গুজৰাট, ১২ জুন ঃ** গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু বিজেপি বলিষ্ঠ নেতা বিজয় ৰূপানীৰ শুকুৰবাৰে আহমেদাবাদত সংঘটিত বিমান দুৰ্ঘটনাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৮ বছৰ। ৰূপানী এয়াৰ ইণ্ডিয়াৰ AI-171 ফ্লাইটত আহমেদাবাদৰ পৰা লণ্ডনৰ গেটৱিক এয়াৰপোৰ্টলৈ যাত্ৰা কৰিছিল ৰূপানীয়ে। উৰা মাৰি উঠাৰ ■ ৭ পৃষ্ঠাত

## ■ ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে ■

# "মই হঠাতে চকু মেলি দেখো চাৰিওফালে কেৱল মৃতদেহ"

সুকলমে উদ্ধাৰ হোৱা একমাত্ৰ যাত্ৰী ৰমেশৰ হৃদয়বিদাৰক অভিজ্ঞতা প্ৰকাশ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ জুন ঃ** 'ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে' - বৃহস্পতিবাৰে দিনৰ ভাগত সংঘটিত হয় কাহানিও কল্পনা কৰিব নোৱৰা এক ভয়াৱহ বিমান দুৰ্ঘটনাত আহমেদাবাদৰ এজন ব্যক্তিক সফলতাৰে উদ্ধাৰ কৰিবলৈ সক্ষম হয় সেনা। গুজৰাটৰ আহমেদাবাদত ■ ৭ পৃষ্ঠাত





## বিমান দুৰ্ঘটনাত নিহতৰ পৰিয়াললৈ ১ কোটিকৈ সাহায্য ঘোষণা টাটা গ্ৰোপৰ

**ষ্টাফ ৰিপ'টাৰ, দিল্লী, ১২ জুন ঃ** আহমেদাবাদত সংঘটিত হোৱা ভয়ংকৰ বিমান দুৰ্ঘটনাৰ চাঞ্চল্যই জোকাৰি তুলিছে সমগ্ৰ দেশৰ লগতে সমগ্ৰ বিশ্ব। আহমেদাবাদৰ পৰা লণ্ডন অভিমুখী এয়াৰ ইণ্ডিয়াৰ বিমানখন উৰণৰ ঠিক লগে লগে দুৰ্ঘটনাত পতিত হয় বিমান খন। দুৰ্ঘটনাগ্ৰস্ত বিমানখনত ক্ৰুসহ সৰ্বমুঠ ২৪২ গৰাকী লোক থকা বুলি তথ্য প্ৰকাশ পাইছে। দুৰ্ঘটনাত পতিত হোৱাৰ পিছতে বিমানখন চিকিৎসালয়ৰ এক আৱাসত বাগৰি পৰে। এই ভয়ংকৰ দুৰ্ঘটনাত বিমানত থকা লোকসকলৰ লগতে ■ ৭ পৃষ্ঠাত

TATA

## গণশিল্পী ৰাজীৱ শদিয়াৰ ভূমি ষড়যন্ত্ৰৰে দখল কৰা বনিয়া আনন্দ ৰাছিৱাচিয়াক উত্তৰ প্ৰদেশত গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপ'টাৰ, ডুমডুমা, ১২ জুন ঃ** "ৰসাতলে গ'ল ঐ অসমীয়া......" বুলি ক'বলৈ ৰাজীৱ শদিয়া আৰু আমাৰ মাজত নাই। ভোগালীৰ উৰুকাৰ দিনাই অসমবাসীক কন্দুৱাই অসমৰ সাংস্কৃতিক ক্ষেত্ৰখন ■ ৭ পৃষ্ঠাত

## বিটিচিপ্ৰধান প্ৰমোদ বড়োয়ে বিটিচি চুক্তি উলংঘা কৰিছে

### বিটিচিৰ পৰ্বতঝোৰা-বাঁসবাৰীৰ থলুৱা লোকৰ ভূমি উচ্ছেদৰ সিদ্ধান্তক অসমবিৰোধী আখ্যা

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১২ জুন ঃ** পৰ্বতঝোৰাত তিনি হাজাৰ বিঘা ভূমিত বসবাস কৰি অহা থলুৱা লোকসকলক উচ্ছেদ কৰি পুঁজিপতিক মাটি দিবলৈ ■ ৭ পৃষ্ঠাত

## DNA পৰীক্ষাৰ জৰিয়তে চিনাক্ত কৰা হ'ব বিমান দুৰ্ঘটনাত পতিত লোকৰ পৰিচয়

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ জুন ঃ** গুজৰাটৰ আহমেদাবাদ চহৰত সংঘটিত হোৱা এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিচয় ■ ৭ পৃষ্ঠাত

## ৰাষ্ট্ৰপতি পুটিনে সলনি কৰিলে পৰিকল্পনা

**ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ জুন ঃ** ইউৰোপৰ অৱস্থা ৮৬ বছৰৰ পূৰ্বৰ পৰিস্থিতিলৈ ঘূৰি আহিছে। বিমান ঘাটি ধ্বংস কৰাৰ প্ৰতিশোধ ল'বলৈ আৰম্ভ কৰিছে পুটিনে। কীয়েভৰ পৰা ■ ৭ পৃষ্ঠাত

## ড° সোনাল মানসিংহক শ্ৰীমন্ত শংকৰদেৱ বঁটা ২০২৩ প্ৰদান



**অসম বাৰ্তা, গুৱাহাটী, ১২ জুন ঃ** ৰাজ্য চৰকাৰে শুকুৰবাৰে আন্তৰ্জাতিক খ্যাতিসম্পন্ন ভাৰতনাট্যম আৰু ওডিছি নৃত্যশিল্পী ড° সোনাল মানসিংহক ২০২৩ বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰে। অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ■ ৭ পৃষ্ঠাত

## 'তেজ দিম, জীৱন দিম, কিন্তু আদানীক মাটি নিদিওঁ'

# আদানী গ্ৰুপক ভূমি হস্তান্তৰ; শৰীৰত পেট্ৰল ঢালি পৰ্বতঝোৰাত খিলঞ্জীয়াৰ প্ৰতিবাদ

### আদানী গ্ৰুপক তাপবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বাবে অসম চৰকাৰ- বিটিচি পৰিষদীয় চৰকাৰে প্ৰদান কৰে তিনি হাজাৰ বিঘা ভূমি

**অসম বাৰ্তা, তামাৰহাট/পৰ্বতঝোৰা, ১২ জুন ঃ** তাপবিদ্যুৎ প্ৰকল্পৰ নামত ব্যৱসায়িক প্ৰতিষ্ঠান আদানী গ্ৰুপক মাটি হস্তান্তৰ কৰাক আজি কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অধীনস্থ বাঁশবাৰীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰচণ্ড গৰমক নেওচি পৰ্বতঝোৰাৰ বাঁশবাৰীত অব্যাহত আছেশ শ বড়ো জনগোষ্ঠীৰ পুৰুষ- ■ ৭ পৃষ্ঠাত



■ ৰীগৰ পৰা প্ৰচণ্ড শব্দ আৰু তীব্ৰ গতিৰে নিৰ্গত খাৰুৱা তেল মিশ্ৰিত প্ৰাকৃতিক গেছ
■ আতংকৃত গাঁওবাসী

## শিৱসাগৰৰ ভটীয়াপাৰৰ অ'এন-জিচিৰ ৰীগত ভয়ংকৰ বিস্ফোৰণ



**ষ্টাফ ৰিপ'টাৰ, শিৱসাগৰ, ১২ জুন ঃ** তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডৰ অধীনৰ শিৱসাগৰ জিলাৰ ভটিয়াপাৰস্থিত আৰ.ডি. এচ.- ১৪৭ ৰীগৰ নিয়মীয়া কাৰ্য্যকলাপৰ সময়ত, আজি আজি দুপৰীয়া এক অপ্ৰত্যাশিত ঘটনা সংঘটিত হয় আৰু অনিয়ন্ত্ৰিতভাৱে গেছ নিষ্কাশন হয়। ৰীগৰ পৰা প্ৰচণ্ড শব্দ আৰু তীব্ৰ গতিৰে নিৰ্গত হৈছে খাৰুৱা তেল মিশ্ৰিত প্ৰাকৃতিক গেছ। আতংকৃত গাঁওবাসী নিৰাপদ স্থানলৈ পলায়ন কৰে। ■ ৭ পৃষ্ঠাত

## গুৱাহাটীৰ গান্ধীবস্তিত ভয়ংকৰ অগ্নিকাণ্ড

**ষ্টাফ ৰিপৰ্টাৰ, বেলতলা, ১২ জুন ঃ** গুৱাহাটীৰ গন্ধিবস্তিত এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হৈছে। ঘটনাত প্ৰায় ৩০ টাতকৈ অধিক ঘৰ জ্বলি ছাই হৈ পৰে। আজি পুৱা প্ৰায় ১১ বজাত গন্ধিবস্তিৰ অনু বৰুৱা পথত সংঘটিত হয় এই অগ্নিকাণ্ড। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা অনুসৰি মুন্না নেৱাৰ



নামৰ এগৰাকী ব্যক্তিৰ ভাড়া ঘৰৰ পৰা এই জুইৰ সূত্ৰপাত ঘটে। মুন্না ■ ৭ পৃষ্ঠাত



# প্ৰস্তাৱিত সকলো নদীবান্ধ অসমৰ নদীমাতৃক সভ্যতা-সংস্কৃতি, জৈৱ-বৈচিত্ৰ্য আৰু পৰিৱেশতন্ত্ৰৰ বাবে অত্যধিক ভয়াবহ

## নদীবান্ধ বন্ধৰ দাবীৰে প্ৰধানমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ যুৱ-ছাত্ৰ পৰিষদৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১২ জুন ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ,মাজুলী জিলা সমিতিয়ে গেৰুকামুখৰ নামনি সোৱনশিৰি নদীবান্ধ বন্ধ কৰাৰ দাবীৰে প্ৰধান মন্ত্ৰীলৈ মাজুলী জিলা আয়ুক্তৰ যোগেদি এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে।বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত সংগঠনটোৰ নেতৃত্বই স্পষ্টভাৱে উল্লেখ কৰে যে, নিৰ্মীয়মান নামনি সোৱণশিৰি নদীবান্ধকে ধৰি প্ৰস্তাৱিত সকলো বৃহৎ নদীবান্ধ অসমৰ নদীমাতৃক সভ্যতা-সংস্কৃতি, জৈৱ-বৈচিত্ৰ্য আৰু পৰিৱেশতন্ত্ৰৰ বাবে যে অত্যন্ত ভয়াবহ যিটো বিষয়টো ইতিমধ্যে পৰিবেশ বিজ্ঞানী, নদীবান্ধ বিশেষজ্ঞ সকলৰ গৱেষণাত প্ৰমাণিত হৈছে। সেয়েহে পৰিষদে অসমৰ সভ্যতা-সংস্কৃতি ধ্বংস কৰিব পৰা সকলো ধৰণৰ বৃহৎ নদীবান্ধ নিৰ্মাণৰ বিৰোধীতা কৰি আহিছে।এটা কথা ঠিক যুৱ-ছাত্ৰ পৰিষদে বিদ্যুৎ উৎপাদনৰ জৰিয়তে দেশৰ উদ্যোগিক প্ৰগতিৰ বিৰোধীতা কেতিয়াও নকৰে। কিন্তু বিদ্যুৎ উৎপাদনৰ নামত বৃহৎ নদীবান্ধ নিৰ্মাণ কৰি অসমৰ নদীমাতৃক সভ্যতা- সংস্কৃতি, পৰিৱেশতন্ত্ৰ নিচিহ্ন কৰা, কৃষিভূমি নিঃশেষ কৰা, বৃহৎ নদীবান্ধৰ এৰি দিয়া পানীৰে মানুহ আৰু জীৱকূল হত্যা কৰা কাৰ্য যুৱ-ছাত্ৰ পৰিষদে কেতিয়াও মানি নলয় বুলি সংগঠনটোৱে উল্লেখ কৰে। তাৰ পৰিবৰ্তে বিদ্যুৎ উৎপাদনৰ বাবে অন্য বিকল্প ব্যৱস্থাৰ পোষকতা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে কৰি আহিছে। সংগঠনটোৰ মাজুলী জিলাৰ নেতৃত্বই ইয়াকো উল্লেখ কৰে যে, অতি শেহতীয়াভাৱে মাত্ৰ ৪০৫ মেগাৱাট সম্পন্ন ৰঙানদী নদীবান্ধৰ পানী খুলি দিয়াৰ পিছত যি ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ'ল আৰু যি পৰিমাণৰ ক্ষয় ক্ষতি হল তাৰ বিপৰীতে ৰঙানদী নদীবান্ধতকৈ পাঁচগুণ অধিক ক্ষমতাসম্পন্ন অৰ্থাৎ ২০০০ মেগাৱাটৰ নামনি সোৱণশিৰি নদীবান্ধৰ পানীয়ে কি প্ৰলয়ৰ সৃষ্টি কৰিব পাৰে সেয়া কল্পনাঅতীত। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, অসমৰ বিভিন্ন দল সংগঠনৰ লগতে অসমৰ ৰাইজে নামনি সোৱণশিৰি বৃহৎ নদী বান্ধ বন্ধ কৰাৰ বাবে আৰম্ভণিৰে পৰা দাবী কৰি আহিছে। কেন্দ্ৰত শাসন চলাই থকা বিজেপি দলে পূৰ্বৰ চৰকাৰৰ দিনত অসমৰ জনগণৰ সৈতে অৱস্থান কৰি বৃহৎ নদীবান্ধৰ বিৰোধীতাৰে আন্দোলন কৰিছিল। কিন্তু অতি পৰিহাসৰ বিষয় যে, সেই বিজেপি দলে কেন্দ্ৰত আৰু ৰাজ্যত চৰকাৰ গঠন কৰাৰ পিছত সম্পূৰ্ণ বিপৰীত স্থিতি গ্ৰহণ কৰি বৃহৎ নদীবান্ধ নিৰ্মাণৰ উদ্যোগ লৈছে।আনহাতেদি কেন্দ্ৰীয় চৰকাৰখনে কেৱল নামনি সোৱণশিৰি বৃহৎ নদীবান্ধ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ উদ্যোগ লোৱাত ক্ষান্ত নাথাকি চৰকাৰখনে নামনি অংশত অসমক বিস্তৰভাৱে প্ৰভাৱিত কৰিব পৰা সৰু বৰ বহুকেইটা নদীবান্ধ প্ৰকল্প নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিছে। ইতিমধ্যে দিবাং নদীবান্ধকে ধৰি কেতবোৰ বান্ধ নিৰ্মাণৰ প্ৰাৰম্ভিক কাম কাজ আৰম্ভ কৰিছে। এয়া কেন্দ্ৰীয় চৰকাৰে অসম তথা অসমীয়া ৰাইজৰ প্ৰতি কৰা চৰম অন্যায় বুলি স্পষ্ট ভাষাৰে সংগঠনটোৱে উল্লেখ কৰে।প্ৰেছ বিজ্ঞপ্তিটোত ইয়াকো কোৱা হয় যে, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে আৰম্ভণিৰে পৰাই বৃহৎ নদীবান্ধৰ বিৰোধীতাৰে গণতান্ত্ৰিক আন্দোলন কৰি আহিছে। বিগত সময়ত যুৱ-ছাত্ৰ পৰিষদৰ আন্দোলনৰ ফলশ্ৰুতিত কেন্দ্ৰীয় চৰকাৰ, নদীবান্ধ কৰ্তৃপক্ষৰ সৈতে হোৱা ত্ৰিপাক্ষিক আলোচনাতো অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে নদীবান্ধ বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদনৰ আধাৰত দিয়া পৰামৰ্শ মতে নদীবান্ধৰ বিষয়টোত আগবাঢ়িবলৈ যুৱ-ছাত্ৰ পৰিষদে দাবী জনাইছিল। কিন্তু চৰকাৰে নিজে গঠন কৰি দিয়া বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ নিজেই নস্যাৎ কৰিছে। সম্প্ৰতি নামনি সোৱণশিৰি বৃহৎ নদীবান্ধ নিৰ্মাণ সম্পূৰ্ণ হৈ উৎপাদন আৰম্ভ কৰাৰ বাবে প্ৰায় সাজু হৈছে। এই ক্ষেত্ৰত সংগঠনটোৱে কেন্দ্ৰীয় চৰকাৰক স্পষ্টভাৱে সকিয়াই দিয়ে যে, বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন ৰাজহুৱা কৰি বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ অবিহনে নামনি সোৱণশিৰি বৃহৎ নদীবান্ধৰ উৎপাদনৰ কাম আৰম্ভ কৰিবলৈ দিয়া নহব ।আৰু নামনি সোৱণশিৰি নদীবান্ধ সন্দৰ্ভত চৰকাৰে গঠন কৰি দিয়া বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ নিৰ্মাণ কৰা গেৰুকামুখৰ নামনি সোৱণশিৰি নদীবান্ধ বন্ধ কৰিবলৈ দাবী জনোৱা হয়। ইয়াৰ অন্যথা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে অনাগত সময়ত কঠোৰ গণতান্ত্ৰিক আন্দোলন কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হব সকিয়াই দিয়ে।ইয়াৰ উপৰিও অহা ১৬ জুনত মাজুলী জিলা সমিতিয়ে বৃহৎ নদীবান্ধ বন্ধ কৰা আৰু বান গৰাখহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবীত তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসুচী ৰূপায়ণ কৰি মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিব বুলি জানিবলৈ দি সকলোৰে সহযোগিতা সংগঠনটোৱে কামনা কৰে।আজিৰ প্ৰতিনিধি দলটোক পৰিষদৰ মাজুলী জিলাৰ সভাপতি মুনীন্দ্ৰ ভূঞা,কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক গুণেশ্বৰ গায়ন, উপ-সভাপতি পবিত্ৰ বৰা,সাধাৰন সম্পাদক সীমান্ত বৰা,আমিৰ আলি,গড়মুৰ আঞ্চলিকৰ সাধাৰন সম্পাদক বিতোপন ভূঞাকৰ ধৰি সতীৰ্থসকল উপস্থিত থাকে।



# ডিগবৈত টাই আহোম যুৱ পৰিষদৰ বিশেষ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, ডিগবৈ, ১২ জুন ঃ** টাই আহোম যুৱ পৰিষদৰ ডিগবৈ আঞ্চলিক সমিতিয়ে ডিগবৈ সাহিত্য সেৱা সমিতিৰ প্ৰাঙ্গণত মেধাৱী কৃতী ছাত্ৰ ছাত্ৰী সকলৰ বাবে বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰে। পৰিষদৰ আঞ্চলিক সমিতিৰ কাৰ্যকৰী সভাপতি দীপজ্যোতি গগৈয়ে আঁত ধৰা আৰু বিকাশ গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰাৰ অনুষ্ঠানত সভাপতিত্ব কৰে পৰিষদৰ আঞ্চলিক সমিতিৰ সভাপতি বিতোপন লাহনে। সভাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে মাৰ্ঘেৰিটা ৰাজহ চক্ৰ বিষয়া জ্ঞানজ্যোতি দত্ত, ডিগবৈ সাহিত্য সেৱা সমিতিৰ সভানেত্ৰী নিৰুপমা গোস্বামী, ডিগবৈ পৌৰসভাৰ কাৰ্যবাহী বিষয়া অনিৰুদ্ধ বৰা, ডিগবৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিব্যজ্যোতি দত্ত, বিশিষ্ট ক্ৰীড়াবিদ তথা সমাজকৰ্মী যোগেন পাটোৱাৰী, আছুৰ ডিগবৈ আঞ্চলিক সমিতিৰ উপদেষ্টা নিখিল কোঁচ, টাইপা কেন্দ্ৰীয় সহকাৰী সম্পাদক প্ৰাঞ্জল গগৈ, সাংগঠনিক সম্পাদক প্ৰভাত চাংমাই আদি উপস্থিত থাকে। উপস্থিত অতিথি সকলে ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্যি আগবঢ়োৱা ভাষণ প্ৰসঙ্গত ভৱিষ্যত শিক্ষা জীৱনক প্ৰণালীবদ্ধ ভাৱে অধ্যয়নত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। লগতে টাইপাৰ এনে প্ৰশংসনীয় পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। ডিগবৈ পৰীক্ষা কেন্দ্ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২৬ গৰাকী মেধাৱী ছাত্ৰ ছাত্ৰীক এখনি টাই জনগোষ্ঠীয় গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

### বৰটানী গাঁৱৰ নৱ নিৰ্মিত নামঘৰ মণিকূট উদ্বোধন

# শ্ৰৱণ কীৰ্তন আদি ভক্তিৰ যোগেদিহে চিত্ত শুদ্ধি হয় আৰু বাসনা ক্ষয় প্ৰাপ্ত হয়- সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী

**অসম বাৰ্তা, উজনী মাজুলী, ১২ জুন ঃ** 'নাম, নাদ ব্ৰহ্ম অৰ্থাৎ শব্দ ব্ৰহ্ম। এই শব্দই পৰম জ্যোতি। পৰম জ্যোতিয়েই হৰি। নাম ব্যতিৰেকে জ্ঞানৰ উদয় হ'ব নোৱাৰে,নাম অবিহনে মংগল সুচিত হ'ব নোৱাৰে। গতিকে নাদতত্ত্ব জীৱনৰ পৰম সম্পদ ।নাদ নিগুন ব্ৰহ্ম। আকাৰধাৰী সগুন ব্ৰহ্ম,যাক নাম আৰু নামী বুলি নিৰ্দেশ কৰা হৈছে। গতিকে নাম আৰু নামী অভেদ" শ্ৰৱণ কীৰ্তন আদি ভক্তিৰ যোগেদিহে চিত্ত শুদ্ধি হয় আৰু বাসনা ক্ষয় প্ৰাপ্ত হয় ।অঘটন- ঘটন মায়া শক্তিৰ দ্বাৰা বুদ্ধি ভ্ৰষ্ট হব পাৰে। ভক্তিৰ যোগেদি ভক্তি ভ্ৰষ্টতা দুৰ কৰিব পাৰি ।নামৰ আধাৰ ভক্তি। ভক্তি তত্ত্ব তথা নাম তত্ত্ব উপলব্ধি হয় ভকতৰ সংগত""নামঘৰ কেৱল নাম লোৱা ঘৰেই নহয়। ই আধ্যাত্মিক চিন্তাৰ বাহক, সমাজ জীৱনৰ সকলো শিষ্টাচাৰ, নৈতিকতা , সমন্বয় তথা গণতান্ত্ৰিক প্ৰমূল্যৰ মুৰ্ত প্ৰকাশ। ইয়াত সমবেত ভকত সকলক বৈকুণ্ঠৰ পাৰিষদ ৰূপে গণ্য কৰা হয়। নামঘৰ হৈছে সমাজ জীৱনৰ এক আদালত। য'ত আত্মা শুদ্ধিৰ এক নিদৰ্শন মহাপুৰুষ দুজনাই সমাজৰ সকলো স্তৰৰ লোকৰ বাবে দি গৈছে। নামঘৰ অসমীয়া সমাজৰ শীৰৰ মুকুট", শিক্ষাৰ মাধ্যম, জ্ঞানৰ ভড়াল। এই মন্তব্য কৰিছে মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামীয়ে। আজি মাজুলীৰ কলা সংস্কৃতিৰ সকলো দিশতে আগৰণুৱা বৰটানী গাৱঁৰ নৱ নিৰ্মিত নামঘৰ, মণিকুট উদ্বোধন কৰি দিয়া ভাষণত সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামীয়ে ভকত বৈষ্ণৱ সকলক উদ্দেশ্যি সাৰগৰ্ভ ভাষণ প্ৰদান কৰে। নামঘৰ মণিকুট উদ্বোধন কৰাৰ উপৰিও মৰাণৰ বাণী চুতীয়াই মণিকুটলৈ আগবঢ়োৱা গুৰু আসন প্ৰতিষ্ঠা কৰে। ইয়াৰ পূৰ্বে দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা নামঘৰ মণিকুট উদ্বোধন আৰু বাৰ্ষিক নাম ভাওনাৰ আজি প্ৰথম দিনা পুৱা ৫ বজাত ঊষা কীৰ্তন কৰে দেৱজিৎ ভূঞাই। ৭ বজাত গছ পুলি ৰোপণ কাৰ্যসূচীত গাঁৱৰ জ্যেষ্ঠ ব্যক্তি সৰ্বেশ্বৰ হাজৰিকা,হেমন্ত শৰ্মা,প্ৰভাত শৰ্মা,দুৰ্গা হাজৰিকা, ইন্দ্ৰ শৰ্মা, অতুল শৰ্মা আৰু বাপ বৰাই একোটা কৈ গছ পুলি ৰোপণ কৰে। ১০ বজাত অতিথি আপ্যায়ন।১১ বজাত নামঘৰ মণিকুট উদ্বোধন কৰাৰ লগতে সুৰেন্দ্ৰ হাজৰিকাৰ পৰিচালনাত নাম কীৰ্তন কৰা হয় ।দিনৰ ১২ বজাৰ পৰা গাৱৰ যুৱক সকলৰ দ্বাৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় চুড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অঞ্চলৰ ১৮ গৰাকী কৃতি ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰি গাৱৰ সচেতন ব্যক্তি তথা মাজুলী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰণজিৎ কুমাৰ ভূঞা ই নামঘৰ প্ৰতিষ্ঠা কালৰে পৰা জড়িত ব্যক্তি সকলৰ স্মৰণ কৰাৰ উপৰিও শিক্ষা ,কলা সংস্কৃতি আদিৰ ক্ষেত্ৰত গাওখনে আগবঢ়ায় অহা অৱদানৰ বিষয়ে আলোকপাত কৰে। কালিলৈ বাৰ্ষিক নাম ভাওনাৰ বাবে পুৱা নাম -প্ৰসংগ, দুপৰীয়া সময়োৱা নাম, সত্ৰীয়া কলা সংস্কৃতি প্ৰদৰ্শন আৰু সন্ধিয়া লৈ গাৱৰ যুৱক সকলৰ দ্বাৰা নৃসিংহ অৱতাৰ ভাওনা পৰিবেশিত হ'ব।

# বৰপেটাৰ কান্দাপাৰাত নিশা ভয়ংকৰ অগ্নিকাণ্ড ছিলিণ্ডাৰ বিস্ফোৰণ হৈ প্ৰায় ১৫ গৰাকীকৈ অধিক লোক আহত



**অসম বাৰ্তা, বাঘবৰ, ১২ জুন ঃ** বৰপেটা জিলাৰ পূৰ্বৰ জনীয়া সমষ্টি তথা বৰ্তমানৰ নবগঠিত মন্দিয়া সমষ্টিৰ অন্তৰ্গত কান্দাপাৰাত নিশা এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয় । যোৱা ৰাতি আনুমানিক ৮:১০ মান বজাত কান্দাপাৰা গাঁৱৰ আফজাল হকৰ ঘৰত সংঘটিত হয় এই ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনাটি । দুটাকৈ বাসগৃহসহ পশু ধন ও নিমিষতে জুইত জ্বলি ছাৰখাৰ হয়। বৈদ্যুতিক ছৰ্ট ছাৰ্কিটৰ ফলত এই অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ স্থানীয় লোকৰ । তাৰ পিছতেই ৰান্ধনী ঘৰত থকা ছিলিণ্ডাৰ বিস্ফোৰণ হৈ ছিলিণ্ডাৰ টুকুৰা টুকুৰা হৈ ওচৰ চুবুৰীয়া লগতে পৰিয়ালটোৰ প্ৰায় ১৫ গৰাকীকৈ লোক আহত হয় বুলি জানিব পৰা গৈছে। আহত লোক কেইগৰাকীক বৰপেটা ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়লৈ লৈ যায় ।তাৰে মাজতে কেইবাজনো ব্যক্তি গুৰুতৰভাৱে আহত হৈছে বুলি জানিব পৰা গৈছে ।অগ্নিকাণ্ডৰ ফলত কেইবা লক্ষাধিক টকাৰ সম্পত্তি নিমিষতে জুইত ভস্মীভূত হয় । স্থানীয় লোকে ঘটনা স্থলীত বৰপেটাৰ পৰা অগ্নিনিৰ্বাপক বাহিনী যোগাযোগ কৰে যদিও পলমকৈ অহাৰ অভিযোগ উত্থাপিত হৈছে। পৰবৰ্তী সময়ত ঘটনা স্থলীত বৰপেটাৰ পৰা অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় লোকৰ সহযোগত জুই নোমাবলৈ সক্ষম হয় ।ক্ষতিগ্ৰস্ত দুখীয়া পৰিয়ালটোক চৰকাৰক সাহায্য প্ৰদানৰ দাবী জনাইছে স্থানীয় লোকে ।

# অনিয়মিত বিদ্যুতে জ্বলা-কলা খুৱাইছে চেঙাৰ চৰাঞ্চলৰ ৰাইজক

**অসম বাৰ্তা, শিমলীতোলা, ১২ জুন ঃ** ধূপধাৰা বিদ্যুৎ সংমণ্ডলৰ গাফিলতি বাবে প্ৰায়েই বিদ্যুৎ ব্যাহত হৈ থকাটো নিয়মত পৰিণত হৈছে। এজাক বৰষুণ দিলেই বা বতাহত গছৰ পাত এখিলা সৰিলেই বিদ্যুৎ কৰ্তন হোৱাটো এক সাধাৰণ ঘটনাত পৰিণত হৈছে। অনিয়মীয়া বিদ্যুৎয়ে ইছলাম ধৰ্মালম্বী লোকৰ পৱিত্ৰ উৎসৱ ঈদৰ আনন্দ ম্লান কৰিছে ঈদ দিনাৰ পৰা বাতৰি সংগ্ৰহ কৰালৈ চৰাঞ্চলত বিদ্যুৎ সংযোগ ব্যাহত হৈ থকাত অতিষ্ঠ হৈ পৰে ৰাইজে। এটা ছাইডত দিলে আন এটা ছাইড বন্ধ থাকে, কেতিয়াবা বিদ্যুৎ থাকিলেও হাফ বল্টেজ থাকে যাৰ ফলত ধূপধাৰা সংমণ্ডলৰ আলোপতি ফিডাৰৰ বৰপেটা জিলাৰ চেঙাৰ সমগ্ৰ চৰাঞ্চল অন্ধকাৰ হৈ পৰাৰ উপৰি পাৰ্শ্বৱৰ্তী বহু কেইখন গাঁও অন্ধকাৰত ডুব যায়। ই ফালে, নিয়মিতভাৱে বিদ্যুৎ নথকাৰ ফলত গোৱালপাৰাৰ শিমলীতোকে ধৰি দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠানৰ কাম-কাজ অচল হৈ পৰাৰ ফলত জৰুৰীকালীন সেৱাৰ পৰা বহু গ্ৰাহক বঞ্চিত হয়। উল্লেখযোগ্য যে বহু অনুষ্ঠান প্ৰতিষ্ঠানত জেনেৰেটৰ সহায়ত কাম কাম সম্পন্ন কৰিব লগীয়া হয়। ইফালে, চৌবিশ ঘণ্টাতকৈ তাধিক সময় বিদ্যুৎ নথকাৰ ফলত বি এছ এন এল, এয়াৰটেলকে ধৰি জিঅৰ নেটৱৰ্ক সেৱাও ব্যাহত হৈ পৰে। অত্যাৱশ্যকীয় সেৱা হিচাপে সামান্য ক্ষতিৰ ফলত দীৰ্ঘ সময় বিদ্যুৎ সেৱাৰ পৰা বঞ্চিত বাঘমাৰা চৰ, ভাতনাপাইতি, শুকুৰাৰঝাৰ, আলোপতি মাজৰ চৰ, খোলাবান্ধাৰ গ্ৰাহক সকলে ঠাইয়ে ঠাইয়ে প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে ক্ষোভ প্ৰকাশ কৰে ধূপধাৰা বিদ্যুৎ সংমণ্ডলৰ লাইনমেনৰ লগতে বিষয়া কৰ্মচাৰীৰ ওপৰত। উল্লেখযোগ্য যে ধূপধাৰা বিদ্যুৎ বিতৰণ উপ-সংমণ্ডলৰ অধীনত আছে গোৱালপাৰা জিলাৰ শিমলীতোলাকে ধৰি কেইবাখনো গাওঁৰ লগতে চেঙাৰ খোলাবান্ধ, আলোপোতি মাজৰ চৰ, বাঘমাৰা চৰ, ভাতনাপাইতি, গাওঁকে ধৰি এক বৃহৎ অঞ্চল যদিও এই বৃহৎ পৰিসৰৰ গ্ৰাহকসকলক বিদ্যুৎ নিয়মীয়াকৈ যোগান ধৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে ধূপধাৰা বিদ্যুৎ উপ-সংমণ্ডল। বিদ্যুৎ লৈ ধূপধৰা বিদ্যুৎ উপ-সংমণ্ডলৰ হেতালী খেলা বন্ধ কৰা দাবী জনোৱাৰ লগতে শীঘ্ৰে বৃহৎ অঞ্চলৰ ৰাইজৰ নিয়মীয়াকৈ বিদ্যুৎ যোগান ধৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে ৰাইজে অন্যথা ভয়াবহ গণতান্ত্ৰিক আন্দোলনৰ গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰিছে ভূক্তভোগী প্ৰতিবাদী ৰাইজে।

# বৰমাত প্ৰধান শিক্ষকে দিলে বিদ্যালয় বন্ধৰ জাননী, ১০ বজালৈকে উলমি থাকিল তলা

### বিদ্যালয় পৰিদৰ্শকৰ আগমণৰ আগমুহূৰ্তত পুনৰ খোল খালে বিদ্যালয়ৰ তলা

**অসম বাৰ্তা, বৰমা, ১২ জুন ঃ** বাকসা জিলাৰ বৰমাৰ আগশাৰীৰ শিক্ষানুষ্ঠান বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ হঠকাৰী সিদ্ধান্ত । ১৯৪৪ চনতে বৰমাৰ মাজমজিয়াত প্ৰতিষ্ঠা লাভ কৰা উচ্চিশিক্ষাৰ অনুষ্ঠান বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বুধবাৰে ৰাতিপুৱা বিদ্যালয়লৈ আহি শলঠেকত পৰিল একাংশ শিক্ষক । ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশনা অনুযায়ী বুধবাৰৰ পৰা ৰাজ্যত পুৱা ৭:৩০বজাৰ পৰা আৰম্ভ হৈছে পাঠদান প্ৰক্ৰিয়া , উৎকট গৰমৰ বাবে প্ৰতিখন বিদ্যালয়তেই প্ৰযোজ্য হৈছে এই নিৰ্দেশনা। তাৰ মাজতেই বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান অধ্যক্ষই ৰাভা জনগোষ্ঠীৰ বাইখো উৎসৱৰ বাবে বিদ্যালয় বন্ধ ঘোষণা কৰে, মংগলবাৰে এক জাননীযোগে এই বন্ধ ঘোষণা কৰে অধ্যক্ষই। তাৰ পিছতো বিদ্যালয়লৈ আহি গেটত তলা দেখি বুধবাৰে দীৰ্ঘ সময় ৰৈ থাকিল বাহিৰতেই একাংশ শিক্ষক। বুধবাৰে ৰাভা জনগোষ্ঠীৰ বাইখো উৎসৱক লৈ চৰকাৰীভাৱে সীমিত বন্ধ আছিল যদিও বিদ্যালয়খনৰ অধ্যক্ষই নিজৰ সিদ্ধান্তমতে সম্পূৰ্ণৰূপে বন্ধ ৰাখে বিদ্যালয়, এই বিষয়ে অৱগত নহয় বিদ্যালয় পৰিচালনা সমিতিও। কিন্তু চৰকাৰীভাৱে সম্পূৰ্ণ বন্ধ নথকা দিনত বন্ধৰ জাননী জাৰি কৰাক লৈ সচেতন মহলত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। এই খবৰ লাভ কৰিয়েই ততাতৈয়াকৈ বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হয় বাক্সা জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক মহঃ জেহেৰুল ইছলাম। অৱশ্যে পলমকৈ আৰু কিছু শিক্ষক উপস্থিত হয় বিদ্যালয়খনত। পৰিদৰ্শক মহঃ জেহেৰুল ইছলামে বিদ্যালয়খনত উপস্থিত হৈ বিদ্যালয় পৰিচালনা সমিতিৰ সৈতে মত বিনিময় কৰি সাংবাদিকেৰে হোৱা সাক্ষাৎকাৰত বিভাগীয়ভাৱে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰাৰ কথা ব্যক্ত কৰে।

# নগাঁও জিলাত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ আয়োজন

**অসম বাৰ্তা, বঢ়মপুৰ, ১২ জুন ঃ** সমগ্ৰ বিশ্বজুৰি বছৰৰ ২১ জুন তাৰিখটো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে পালন কৰি অহা হৈছে । এই উপলক্ষে সমগ্ৰ দেশ আৰু ৰাজ্যৰ লগতে নগাঁও জিলাখনটো আগন্তুক ২১ জুন, ২০২৫ তাৰিখৰ দিনটো নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় আয়ুস মিছন, নগাঁওৰ সহযোগত বিস্তৃত কাৰ্যসূচীৰে একাদশ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসটি অনুষ্ঠিত কৰাৰ দিহা কৰা হৈছে । এই যোগ দিৱসৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি অহা ইংৰাজী ১৩ জুন, ২০২৫ তাৰিখ, শুক্ৰ বাৰে নগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত দিনজোৰা কাৰ্যসূচীৰে নগাঁও জিলা ভিত্তিত এখনি যোগাসন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে । এই প্ৰতিযোগিতাখন ৪ টা শাখাত অনুষ্ঠিত কৰা হব । ১ম শাখাত ১০ বছৰ বয়সলৈকে, ২য় শাখাত ১০ বছৰ উৰ্ধৰ পৰা ১৮ বছৰ বয়সলৈকে, ৩য় শাখাত ১৮ বছৰ উৰ্ধৰ পৰা ৩৫ বছৰ বয়সলৈকে আৰু ৪ৰ্থ শাখাত ৩৫ বছৰৰ উৰ্ধৰ প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰিব পাৰিব । উল্লেখযোগ্য যে, প্ৰতিযোগীসকলে তেওঁলোকৰ পঞ্জীয়ন উক্ত দিনা পুৱা ৮-০০ বজাৰ পৰা অনলাইন যোগেদিও কৰিব পাৰিব । যোগ দিৱস উপলক্ষে অনুষ্ঠিত হবলগীয়া সমূহ কাৰ্যসূচীত জিলাবাসী ৰাইজৰ উপস্থিতি আৰু সহযোগিতা জিলা প্ৰশাসন আৰু ৰাষ্ট্ৰীয় আয়ুস মিছন, নগাঁওৱে আন্তৰিকতাৰে কামনা কৰিছে।

# দেৰগাঁও নেঘেৰিটিং বিলতীয়া মেজালী উদ্ধৱ জ্যোতি যুৱ সংঘৰ উদ্যোগত বাৰ্ষিক বৰসবাহ আৰু মহাপুৰুষীয়া আৰ্হিৰে শিশুৰ দ্বাৰা ভাওনা প্ৰদৰ্শন

**অসম বাৰ্তা, দেৰগাঁও, ১২ জুন ঃ** এতিয়া জেঠ মাহ। জেঠ আৰু আহাৰ মাহত নামঘৰে নামঘৰে অনুষ্ঠিত হয় কৃষিভিত্তিক ৰাইজৰ বিশেষ আধ্যাত্মিক উৎসৱ বৰসবাহ। সমান্তৰালভাৱে দেৰগাঁও নেঘেৰিটিং চাহ বাগিচাৰ সমিপৰ বিলতীয়া মেজালী উদ্ধৱ জ্যোতি যুৱ সংঘৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত সোমবাৰে বাৰ্ষিক বৰসবাহ অনুষ্ঠিত হয়। গুৰু দুজনাৰ আদৰ্শেৰে আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰা অনুষ্ঠানটোত বিভিন্ন প্ৰান্তৰ ভক্ত প্ৰাণ ৰাইজৰ সমাগম ঘটে। উল্লেখ্য যে সৃষ্টিৰ পথাৰত কৃষ্টিৰ বীজ সিঁচাৰ মানেসেৰে কণ কণ শিশু সকলক গুৰু সংস্কৃতিৰ জড়িত কৰোৱাৰ প্ৰয়াসেৰে সোমাবাৰে নিশা "দুৰ্য্যোধনৰ উৰুভঙ্গ" নামৰ এখনি মহাপুৰুষীয়া আৰ্হিৰ ভাওনা প্ৰদৰ্শনেৰে সমগ্ৰ অঞ্চলটো আধ্যাত্মিক পৰিৱেশলৈ ৰূপান্তৰিত হয়। ভাওনা খনিত অভিনয় কৰা শিল্পী সকল ক্ৰমে কৃষ্ণ-দেৱাশিষ দাস, বলোভদ্ৰ-উৎপল দাস,ধৃতৰাষ্ট্ৰ:পাৰ্থ দাস, গান্ধাৰী- প্ৰিন্সপ্ৰিয়া দাস,যুধিষ্ঠিৰ-চুচান্ত দাস, অৰ্জুন-বুদ্ব দাস,নকুল-ভাস্কৰ দাস, সহদেৱ-মনোজ দাস,ভীম-অৰ্জুন, অভিমন্যু-ভৈৰৱ দাস,দৰ্যোধন-ভাৰ্গৱ দাস, দু:শাসন-সত্যজিৎ দাস,শকুনি-বিশ্বজিৎ দাস,কৰ্ণ-আকাশ দাস, অশ্বত্থামা-যধু দাস,জয়দ্ৰথ-গুদু, ভীষ্ম-গোপাল,দ্ৰোণাচাৰ্য -অপু দাস, কৃপাচাৰ্য-চুমন দাস, দ্ৰুপদী-পৰিস্মিতা দাস,কুন্তী-পুজা দাসৰ লগতে দোহাৰ পৰিচালনা কৰে প্ৰাঞ্জল বৰা (গগৈ) আৰু তেওঁৰ সংগীবৃন্দই ।শিশু সকলৰ মাজত আধ্যাত্মিকতা আনিবৰ বাবে স্থানীয় যুৱক, গোবিন্দ দাস,যুৱ সংঘৰ সভাপতি অনন্ত দাস, সম্পাদক মনজিৎ দাসৰ লগতে সমূহ ৰাইজে এই পদক্ষেপ গ্ৰহণ কৰে।

# চামগুৰিৰ হাঁহচ'ৰা বৰালীগাঁৱত দিনদুপৰতে চুৰিকাণ্ড

**অসম বাৰ্তা, পুৰণিগুদাম, ১২ জুন ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ সমীপৱৰ্তী হাঁহচ'ৰা বৰালীগাঁৱত আজি দিনদুপৰতে এগৰাকী প্ৰাক্তন আৰক্ষী বিষয়াৰ বাসগৃহত চুৰি কাৰ্য সংঘটিত হোৱা ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, চামগুৰি হাঁহচ'ৰা বৰালীগাঁও নিবাসী তথা প্ৰাক্তন আৰক্ষী বিষয়া (এ পি আৰ অ') হৰিকান্ত ওজাৰ বাসগৃহত আজি দুপৰীয়া প্ৰায় ১২-৩০ বজাত ঘৰত কোনো মানুহ নথকাৰ সুযোগ লৈ চোৰে চলালে চাফাই অভিযান। চাৰিশাখা যুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে থকা হৰিকান্ত ওজাৰ বাসগৃহৰ এখন খিৰিকি ভাঙি চোৰে ভিতৰত প্ৰৱেশ কৰে আৰু দুদিন পূৰ্বে বেঙ্কৰ পৰা আনি থোৱা ১৬ হাজাৰকৈ টকা আৰু অন্যান্য মূল্যবান সামগ্ৰী লৈ উধাও হয় ।কেৱল সেয়াইনহয় চোৰে ভিতৰৰ সকলোবোৰ আচবাব, কাপোৰকানি লণ্ড-ভণ্ড কৰি থৈ যায় ।ইতিমধ্যে চামগুৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ চুৰি কাৰ্য্য সন্দৰ্ভত অনুসন্ধান আৰম্ভ কৰিছে ।আৰক্ষীয়ে স্নিফাৰ ডগ্ ব্যৱহাৰ কৰাত স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰিছে যদিও চামগুৰি আৰক্ষী থানাৰ সমীপৱৰ্তী অঞ্চলতে এনে ধৰণৰ চুৰি কাৰ্য সংঘটিত হোৱাত সাধাৰণ ৰাইজে নিজৰ জীৱন আৰু সম্পত্তি অসুৰক্ষিত অনুভৱ কৰা বুলি অভিযোগ উত্থাপন কৰিছে।

# কচুৱাৰ চিতলমাৰীত আৰক্ষীৰ অভিযান নিচাযুক্ত দ্ৰব্যসহ এজনক আটক

**অসম বাৰ্তা, কচুৱা, ১২ জুন ঃ** নগাঁও জিলাৰ কচুৱা আৰক্ষীয়ে আজি দুপৰীয়া এক অভিযান চিতলমাৰীৰ পৰা ড্ৰাগছ সহ এজন যুৱকক আটক কৰিবলৈ সক্ষম হয় ।আৰক্ষীয়ে আটক কৰা লোকজনৰ নাম ৰুহুল আমিন (৩০) বুলি জনা গৈছে ।জানিব পৰা কচুৱা আৰক্ষীয়ে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল বৰাৰ নেতৃত্বত এক গোপন সূত্ৰৰ পম খেদি অভিযান চলাই চিতলমাৰীৰ পৰা তিনিটা পাষ্টিক কণ্টেনাৰত থকা ব্ৰাউন চুগাৰ খিনি জব্দ কৰে ।তিনিটা কণ্টেনাৰত থকা ব্ৰাউন চুগাৰ খিনিৰ পৰিমান ০.৯৮ গ্ৰাম ।ইতিমধ্যে আৰক্ষীয়ে ৰুহুল আমিনক গ্ৰেপ্তাৰ কৰিছে আৰু অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

# বাকসাৰ খামাৰদৈছাত জালাহ মণ্ডলৰ স্কুল টুৰ্ণামেণ্ট সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, জালাহ, ১২ জুন ঃ** বাকসা জিলাৰ খামাৰদৈছা হাইস্কুল খেলপথাৰত কালিৰে পৰা (১০ জুন) অনুষ্ঠিত জালাহ মণ্ডলৰ স্কুল টুৰ্ণামেণ্টৰ আজি (১১ জুন) সামৰণি পৰে। ১৭ বছৰ অনুৰ্দ্ধৰ ছোৱালীৰ ফুটবল ফাইনেলত আজি (১১ জুন) খামাৰদৈছা হাইস্কুলে চি কে উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ১-০ গলত হৰুৱাই মণ্ডল শ্বেম্পিয়নৰ খিতাপ দখল কৰে। আনহাতে, আজি অনুষ্ঠিত ল'ৰাৰ ১৭ বছৰ অনুৰ্দ্ধৰ ফুটবল ফাইনেলত গোলাগাঁও হিমাচল হাইস্কুলে ককলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ৪-১ গলত পৰাস্ত কৰি মণ্ডল শ্বেম্পিয়ন হয়। ১৫ বছৰ অনুৰ্দ্ধৰ ল'ৰাৰ ফুটবলত চি কে উচ্চতৰ মাধ্যমিক বিদ্যালয়ে এন কে বেতবাৰী হাইস্কুলক ৩-০ গলত পৰাস্ত কৰি শ্বেম্পিয়নৰ খিতাপ দখল কৰে। টুৰ্ণামেণ্টৰ খেলসমূহ পৰিচালনা কৰে খেলপৰিচালক অজিত বসুমতাৰী, জৌংসাৰ বসুমতাৰী, মনটীপ নাৰ্জাৰী আৰু বিৰঞ্জয় নাৰ্জাৰীয়ে। খেলৰ শেষত এক চমু অনুষ্ঠানৰ জৰিয়তে বিজয়ী আৰু বিজিত দলসমূহক ট্ৰফীসমূহ বিতৰণ কৰে খামাৰদৈছা হাইস্কুলৰ প্ৰধান শিক্ষক ভমল বসুমতাৰী, চি কে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নাৰায়ন বসুমতাৰীয়ে।

### বৰপেটাৰোড বিদ্যুৎ বিভাগৰ এখন জাননীক লৈ হতচকিত বৰপেটাৰোডবাসী

# উৎকট গৰমৰ মাজতে ৩০ দিনৰ বাবে নিয়মীয়া বিদ্যুত সেৱা বন্ধ

**অসম বাৰ্তা, বৰপেটাৰোড, ১২ জুন ঃ** উৎকট গৰমৰ মাজতে বিদ্যুৎ বিভাগৰ এখন জাননীয়ে চিন্তিত কৰি তুলিছে বৰপেটাৰোড- হাউলীবাসী ৰাইজক। বৰপেটাৰোড বিদ্যুৎ উপসংমণ্ডলৰ পৰা দিয়া হৈছে এখন বিশেষ জাননী। প্ৰকাশিত জাননী অনুসৰি, ৩০ দিনৰ বাবে বিদ্যুত সেৱা বন্ধ থাকিব বৰপেটাৰোড উপসংমণ্ডল অধীনস্থ অঞ্চলত। এই ৩০ দিনত পুৱা ৪ বজাৰ পৰা পুৱা ৮ বজালৈকে মুঠ ৪ ঘণ্টা ধৰি বন্ধ থাকিব বিদ্যুত সেৱা। জানিব পৰা মতে, বৰপেটা ১ (হাউলী)ত ৩৩ হাজাৰ ফিডাৰ অ'ভাৰ লোডিং হোৱাৰ বাবে নতুন ৩৩ হাজাৰ ভোল্টৰ লাইন বনাই থকা হৈছে। যাৰ বাবে ৩০ দিনৰ বাবে পুৱা ৪ বজাৰ পৰা ৮ বজালৈকে বৃহত্তৰ বৰপেটাৰোড আৰু হাউলী অঞ্চলত বিদ্যুৎ সেৱা বন্ধ থাকিব। জাননীত বিদ্যুৎ উপসংমণ্ডলৰ পৰা সদৰি কৰা অনুসৰি এই গোটেই কাম খিনি সম্পূৰ্ণ হবলৈ সময় লাগিব প্ৰায় ৩০ দিন। এই সময়ছোৱাত বৰপেটাৰোড আৰু হাউলীবাসী ৰাইজৰ সহায় সহযোগিতা বিচাৰিছে বৰপেটাৰোড বিদ্যুত উপসংমণ্ডল বিভাগে।

**AFFIDAVIT**

I Smti Swasti Mech R/O- Kacharigaon Ward no-3 P.O. & P.S -Tezpur Distt-- Sonitpur (assam) daughter of Mr Rubul Mech and Smti Ila Mech. I declare that from today; i.e. 11/06/2025 with consciousness and sound mind without any force or coercion to cease all relation with my father and mother.From today I haven't any connection with my parents anymore in any condition also.I and them has no right with each for entire life.This is true and correct.

ADVT NO.- 2025/AB/251

**LOST**

ADVT NO.- 2025/AB/252

## সম্পাদকীয়

■ ১৩ জুন, ২০২৫, শুকুৰবাৰ ■

# তৃতীয় ব্যক্তি আৰু সম্পৰ্কৰ জটিলতা

সম্পৰ্ক হ'ল দুটি হৃদয়ৰ মাজত বন্ধা এক পৱিত্ৰ বান্ধোন। কিন্তু কেতিয়াবা এই বান্ধোনত তৃতীয় এজন ব্যক্তিৰ উপস্থিতিয়ে জটিলতাৰ সৃষ্টি কৰে। তৃতীয় ব্যক্তিয়ে সম্পৰ্কটোক কিদৰে প্ৰভাৱিত কৰিব পাৰে, ইয়াৰ কাৰণ আৰু পৰিণাম কি হ'ব পাৰে তাৰ উত্তৰ সাম্প্ৰতিক ঘটনাৱলীয়েই। এটা সময় আছিল যে স্বামী-স্ত্ৰীৰ সম্পৰ্ক হৰগৌৰীৰ দৰে অতি পবিত্ৰ আৰু শক্তিশালী বুলি গণ্য কৰা হৈছিল। পত্নীব্ৰত স্বামী আৰু পতিব্ৰতা স্ত্ৰীয়ে তেওঁলোকৰ সম্পৰ্কক পবিত্ৰ আৰু নিৰ্মলভাৱে ৰাখিছিল। কোৱা হয় যে ছোৱালী ডোলাত উঠি মাকৰ ঘৰৰ পৰা আৰু চাঙিত উঠি শাহুঘৰৰ পৰা বিদায় মাগে, কিন্তু বৰ্তমান সময়ত স্বামী-স্ত্ৰীৰ সম্পৰ্ক অতি দুৰ্বল হৈ পৰিছে, কাৰণ স্বামী-স্ত্ৰীৰ মাজত এতিয়া 'তৃতীয়জন'ৰ প্ৰৱেশ হ'বলৈ ধৰিছে আৰু এই প্ৰৱেশ অপৰাধলৈ পৰিগণিত হৈছে। কাৰণ দুজনৰ মাজত তৃতীয়জনে সম্পৰ্ক নষ্ট কৰেই।

মেৰঠৰ সৌৰভ ৰাজপুতৰ ঘটনাটো পৰ্যবেক্ষণ কৰক, য'ত বিবাহিত মুস্কান ৰাস্তোগীয়ে প্ৰেমিক সাহিল শুক্লাৰ বাবে স্বামী সৌৰভ ৰাজপুতক হত্যা কৰিছিল। আকৌ আন এটা ঘটনাত, প্ৰেমিকৰ সৈতে থাকিবলৈ এগৰাকী যুৱতীয়ে ৰাতি শুই থকা স্বামীক হত্যা কৰিছিল। এনে নহয় যে কেৱল পুৰুষহে এনে ঘৃণাৰ বলি হৈছে, বৰং মহিলাসকলো স্বামীৰ দ্বাৰা হত্যাৰ বলি হৈ আহিছে।

স্বামী-স্ত্ৰীৰ মাজত পাৰস্পৰিক সমন্বয় থকাটো অতি প্ৰয়োজন। যি সম্পৰ্কত যেতিয়ালৈকে সমন্বয় আৰু মিল নাথাকে, সেই সম্পৰ্ক আগুৱাবই নোৱাৰে। স্বামী হওক বা স্ত্ৰী দুয়োয়ে এজনে আনজনৰ সৈতে মনৰ কথা ভাগ-বতৰা কৰিব লাগে। এনে ক্ষেত্ৰত যদি কিবা আক্ষেপ থাকে তেন্তে তাক মৰমেৰে শুধৰাব লাগে। নহ'লে কোনো তৃতীয় ব্যক্তিৰ প্ৰৱেশ হোৱাটো নিশ্চিত বুলিয়েই ধৰিব লাগিব।

চ'চিয়েল মিডিয়াৰ ব্যৱহাৰ বৃদ্ধিৰ লগে লগে অপৰাধৰ হাৰো বাঢ়ি হৈছে। প্ৰয়োজন নাই যে প্ৰতিটো সৰু কথাতেই প্ৰতিক্ৰিয়া দেখুৱাব লাগে, কিন্তু আজিকালিৰ প্ৰজন্মই এই কথাটো পলমকৈ অনুধাৱন কৰে। কি খাইছো, কি পিন্ধিছো, ক'ত ফুৰিছো সকলোবোৰ চ'চিয়েল মিডিয়াৰ জৰিয়তে আনক দেখুওৱাটোহে এটা ৰুচি হৈ পৰিছে। এটা সময় আছিল, যেতিয়া স্বামী-স্ত্ৰীৰ মাজৰ কথা চাৰিদেৱালৰ ভিতৰতেই সীমাবদ্ধ আছিল। এতিয়াতো এক মুহূৰ্ততে সম্পৰ্ক কৰ্ট-কাছাৰীলৈ গৈ পায়।

অৱশ্যে এইটোও নহয় যে কেৱল স্ত্ৰীৰেই দায়িত্ব স্বামীৰ ভাৱনা অনুধাৱন কৰা আৰু সন্মান কৰা। স্বামীৰ ক্ষেত্ৰতো এই কথাটো প্ৰযোজ্য যে তেওঁ নিজৰ ধৰ্মপত্নীক সন্মান কৰা। স্বামী-স্ত্ৰীৰ মাজত কোনো তৃতীয় ব্যক্তিৰ হস্তক্ষেপ কৰাটোও তেওঁলোকৰ মাজৰ বিবাদৰ কাৰণ হৈ পৰে। এইটো নহয় তৃতীয়জন পৰকীয়া প্ৰেমিক-প্ৰেমিকাই হ'ব, পিতৃ-মাতৃ, ভাই-ভনী আৰু পৰিয়ালৰ আন সদস্যও তৃতীয়জন হ'ব পাৰে।

সম্পৰ্কত তৃতীয় ব্যক্তিৰ অনুপ্ৰৱেশে দুয়োজন ব্যক্তিকেই কষ্ট দিয়ে। সেয়েহে, ইয়াৰ পৰা সাৱধান হ'বলৈ আৰু সম্পৰ্কটোক সুস্থ ৰাখিবলৈ উভয়েই সচেতন হ'ব লাগে। প্ৰেম, বিশ্বাস আৰু সন্মানৰে এটা সম্পৰ্ক দৃঢ় হ'ব পাৰে, যদি দুয়োটা পক্ষই ইয়াৰ বাবে যত্ন লয়।

# পৰিৱেশ আৰু আমি

এই যে ৫ জুনৰ দিনা মোবাইলটোত ভৰ্তি হৈ যোৱাকৈ সকলোৰে পৰিৱেশক লৈ এদিনীয়া বিশ্ব প্ৰেম জাগি উঠে, অ'ত ত'ত গছপুলি ৰোপণ কৰি শতাধিক ফটো উঠি চচিয়েল মিডিয়াত পোষ্ট কৰি তলত নেছাৰ লাভাৰ বুলি লিখি দিয়ে, পিছৰ বছৰ কেইজনে সেই ৰোপণ কৰা পুলিটোৰ খবৰ ৰাখিছে? বেছি সংখ্যকে নাই ৰখা নহয়নে? এইসকল মানুহৰ মাজত আপুনি, মোৰ দৰে মানুহেই নাই জানো। কথাটো পুলিটোৰ খবৰ নোলোৱা নহয়, কথাটো হ'ল জৈৱ বৈচিত্ৰ্যতাত চলি থকা শৃংখলাটোৰ প্ৰতি আমাৰ ব্যৱহাৰ। আমি প্ৰায়ে পাহৰি যাওঁ পুলিটো ৰোপণ কৰাৰ পিছত বান্ধি অনা পলিথিনটো ডাষ্টবিন বা নিৰ্দিষ্ট পেলনীয়া ঠাইত পেলোৱাটো ও পৰিৱেশ সুৰক্ষাৰে এক প্ৰচেষ্টা। আমি প্ৰায়ে পাহৰি যাওঁ পৰিৱেশ সম্পৰ্কীয় ভাষণৰ অন্তত লঘু আহাৰৰ খাদ্যখিনি অযথা অপচয় কৰি পেলাই দিয়াটো ও পৰিৱেশ সুৰক্ষাৰ হিতে বিপৰীত পঞ্জন্থা। আচলতে এই ধৰাৰ সুৰক্ষাৰ ধাৰণা নিজৰ মনৰ পৰা আহিব লাগিব। পাঁচ হাজাৰ বছৰ আগৰ পৰাই চলি অহা সনাতন ৰীতিত যোগ্য ভোগ্য বসুন্ধৰাৰ পৰা আৰম্ভ কৰি উদ্ভিদৰ গুণৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধৰণৰ ৰোগ নিৰাময়ৰ সূত্ৰ উল্লেখ থকা শাস্ত্ৰ ৰচনা হৈছিল। আনহে নালাগে অমাত জীৱ আৰু উদ্ভিদৰ পূজা-অৰ্চনাৰ মাধ্যমেৰে প্ৰাকৃতিক উৎসৰ খাদ্যঞ্জ শৃংখলাটোৰ ভাৰসাম্য ৰক্ষা কৰাৰ দৰে আধুনিক ভেটিৰ বীজঁ আমাৰ ভাৰতভূমিয়েই সমগ্ৰ পৃথিৱীখনক দৰ্শাইছিল। কিন্তু এতিয়াৰ পৰিৱেশ ধ্বংসযজ্ঞৰ যি প্ৰতিযোগিতা প্ৰায় প্ৰতিখন দেশতে কম বেছি পৰিমাণে হৈ আছে তাৰ ভৱিষ্যত ফলাফলৰ দিশটো ভাবিবলৈ ভয় খাবলগীয়াধৰণৰ হৈ পৰিছে। বিকাশৰ বতাহে চুই থৈ যোৱা আগশাৰীৰ দেশসমূহে ইয়াৰ গুৰুত্ব উপলব্ধি কৰি বহনক্ষম উন্নয়নত মনোনিৱেশ কৰাৰ সলনি একবিংশ শতিকাত উদ্যোগ -প্ৰযুক্তিবিদ্যাৰ নতুন পৰশ পোৱা এচিয়া আৰু আফ্ৰিকামূলীয় দেশসমূহৰ পৰিৱেশ বিনষ্টতাৰ হাৰ ক্ৰমে ঊৰ্দ্ধতালৈ গতি কৰিছে। অৱশ্যে চচিয়েল মিডিয়াৰ প্ৰভাৱতে হওক বা পৰিৱেশ সজাগতাৰ বাবে ব্যক্তি নিৰ্বিশেষে কিতাপ-পত্ৰ, বাতৰি, আলোচনাৰ বাবেই হওক পৰিৱেশ যে আমাৰ জীৱন জীয়াই থকাৰ এক অন্যতম অংগ সেই বিষয়ে জণগণ সজাগ হ'বলৈ আৰম্ভ কৰিছে। আমাৰ পূৰ্বপুৰুষসকলে যি কাৰণতেই কোনো ঠাইলৈ প্ৰব্ৰজিত নহওক কিয় আগন্তুক দিনত, জলবায়ু পৰিবৰ্তন, ৰোগ, ৰাষ্ট্ৰৰ ব্যৰ্থতা, যুদ্ধ আদিৰ ফলশ্ৰুতিত লাখ লাখ, হয়তো কোটি কোটি মানুহ এখন দেশ এৰি বেলেগ দেশত আশ্ৰয় ল'বলৈ বাধ্য হ'ব। এনে অনাকাংক্ষিত পৰিস্থিতিৰ মুখামুখি নহ'বলৈকে বিশেষভাৱে সচেতন হ'ব লাগিব আজিৰ যুৱচাম। এখন সমাজ গঠনত মুখ্য ভূমিকা পালন কৰে সেই সময়ৰ একোটা যুৱ প্ৰজন্মৰ পীড়িয়ে। যুৱ মানসিকতাৰ অন্তৰ্গত চিন্তা চেতনা, বিচাৰ আদৰ্শ, মূল্যবোধ, আৰু আচাৰ-আচৰণৰ সমষ্টিগত ধ্যান ধাৰণাৰ প্ৰক্ৰিয়াত্মক ৰূপ হিচাপে যুৱক যুৱতীক সৃজনশীল প্ৰাণীৰূপে অভিহিত কৰিব পাৰি। যুৱপ্ৰজন্ম হৈছে দেশ এখনৰ বাহক, প্ৰগতিৰ জৰী ধৰা। অসীম শক্তি প্ৰাপ্ত এইটো বয়সতে আৰম্ভ হয় সমাজক ইতিবাচক দিশত পৰিৱৰ্তিত কৰাৰ সদৰ্থক উদ্যমিতা। এইটো বয়সতেই আহে বিৱৰ্তনশীল পৃথিৱীৰ চাৰিওদিশে চলি থকা পৰিকল্পনাক বাস্তৱায়িত কৰা সক্ৰিয় অংশগ্ৰহণৰ চিন্তা। এইসকল সেইসকল নতুন পুৰুষ যাৰ চিন্তাত থাকিব আধুনিকতা আৰু শিপাৰ থাকিব পৌৰাণিকতা। বৰ্তমান চলা এই সমাজৰ পৰা লাভ কৰা বা অৰ্জন কৰা মূল্যবোধ, বিচাৰ চিন্তা চেতনা আদৰ্শ ইত্যাদি যাতে যুৱপ্ৰজন্মলৈ হস্তান্তৰিত হ'ব পাৰে লগতে উঠি অহা কিশোৰ-কিশোৰীসকল নতুন সমাজৰ সমানে যাতে সময়ৰ গতিত খোজ মিলাব পাৰে তাৰ দায়িত্ব আপোনাৰ, মোৰ। শেষত বিশ্ব পৰিৱেশ দিৱসৰ শুভেচ্ছা।

**প্ৰতীক্ষা শৰ্মা**
কটন বিশ্ববিদ্যালয়
ফোন ঃ ৬০০৩৩০১৫৪১

# বিশ্বাসৰ বিকল্প



**ড° আৰ কে বেজবৰুৱা**

Complete trust or confidence in someone or something may be defined as faith. সেয়া বিশ্বাস। আমি নিশ্চিত যে - গছৰ পুলি এটা ৰুলে সি এসময়ত ডাল-পাত বিস্তাৰ কৰি ফুল আৰু ফল ধাৰণ কৰিব, তাত বিভিন্ন চৰাই-চিৰিকতি আহি বহিব। খেতিয়কে আকাশলৈ চায়, বৰষুণ আহিব বুলি। সময়ত মেঘে বৰষুণ দিয়ে। খেতিয়কে পথাৰ চহায়, শস্যৰ বীজ ৰোপণ কৰে। তাৰ পিছত শস্যৰে নদন বদন হৈ পথাৰ ভৰি পৰে।

এই যে গছৰ পুলিটো ৰোৱা হ'ল, তাৰ পৰা সুফল এটা লাভ হ'ব বুলি আমাৰ নিশ্চিত ধাৰণা। খেতিয়কো নিশ্চিত - বৰষুণ আহিব, পথাৰত শস্য সিচিব আৰু নিৰ্দিষ্ট সময়ৰ পিছত শস্য চপাব। এয়াই মানুহৰ চিৰন্তন বিশ্বাস বিশ্বাস - তেনেকুৱাই। কোনোবা নাৰীয়ে চকু বন্ধ কৰি নিজৰ তন, মন, জীৱন বা ভৱিষ্যত বুলি যদি কিবা কথা থাকে, সকলো এজন পুৰুষৰ হাতত এৰি দিয়ে। তেওঁ নিশ্চিত, পুৰুষজনৰ সৈতে তেওঁৰ বিষয়-বাসনা সকলো সংপৃক্ত হৈ এটা 'জীৱন' সম্পূৰ্ণ হ'ব। পুৰুষৰ ক্ষেত্ৰতো একেই কথা তেওঁৰ চিন্তা-ভাৱনা, কাম-কাজ, সুখ-দুখ সকলোৰে সমভাগী হ'ব সেই নাৰী, যাক লৈ তেওঁৰ সমস্ত কাৰ্য্য-কাৰণ আৱৰ্তিত হৈ এখন সংসাৰ ৰচনা হ'ব।

শিশোৱে মাকৰ বুকুত নিশ্চিন্তে তাৰ প্ৰয়োজনীয় খাদ্য পায়, নিশ্চিন্ত হৈ টোপনি যায়। কান্দিলেও তাৰ বিশ্বাস - মাকে তাক নিচুকাব। পিয়াহটো তাৰ মুখত গুজি দিব। মাকৰ আঙুলিত ধৰি পৃথিৱীত খোজ দি এদিন জীৱনক ধন্য কৰিব। এটা সময় পৰ্যন্ত শিশোৱে মাক-দেউতাকৰ কোলাত নিশ্চিত হয় যে - তাৰ কোনো বিপদ নহয়। নাইবা, হাজাৰ বিপদ-বিঘিনি আহিলেও তাৰ মাক-দেউতাক আছে, সকলো চম্ভালিবলৈ।

দেউতাকে নিজৰ ছোৱালীজনী অচিনাকি ল'ৰা এজনৰ হাতত তুলি দিয়ে এই বিশ্বাস লৈ যে, তাইৰ সমস্ত দায়িত্ব সেই অচিনাকি ল'ৰাজনে মুৰ পাতি ল'ব, তাইক প্ৰয়োজনীয় নিৰাপত্তা দিব। সেইদৰে ল'ৰা এজনৰ মাকেও শৰীৰত ধাৰণ কৰি তিলে তিলে ডাঙৰ-দীঘল কৰা তেওঁৰ পুত্ৰক বোৱাৰীয়েকৰ হাতত এৰি দিয়ে এই ভাবি যে তেওঁ যিদৰে ল'ৰাজনৰ সুখ-দুখৰ প্ৰতি মনোযোগ দিছিল সেই দৰেই বোৱাৰীয়েকেও মনোযোগ দিব আৰু দুয়ো একেলগে তেওঁৰ সংসাৰখন আগুৱাই লৈ গৈ থাকিব।

আমাৰ ভাই-ককাই আছে, বিপদৰ সন্মুখীন হ'লেই সন্মুখত আহি থিয় দিব। ওচৰ-চুবুৰীয়া আছে, ৰাতি- বিয়লি বিপদ আহিলে, নিশ্চয় সহায়ৰ হাত আগবঢ়াই দিব। বিশ্বাস - এনেকুৱাই। Complete trust or confidence in someone or something may be defined as faith.

চাবলৈ গ'লে বিশ্বাসৰ হয়তো নিৰ্দিষ্ট কোনো পৰিভাষা নাই। কিন্তু, পৃথিৱীৰ আটাইতকৈ শ্ৰেষ্ঠ সম্পদ হৈছে বিশ্বাস। বিশ্বাসেই পৃথিৱী বিশ্বাসৰ প্ৰৰোচনাতে আমি শিলত ভগৱানৰ অন্বেষণ কৰোঁ। নদীক মাতৃ জ্ঞান কৰোঁ। সেন্দূৰত পতিৰ আয়ুস কামনা কৰোঁ। মন্দিৰত বন্তি জ্বলাওঁ। মুৰৰ চুলি ছিঙি আশীৰ্বাদ দিওঁ। আমাৰ প্ৰতিটো কাম বিশ্বাসৰ এখন দুৰ্ভেদ্য বৰ্মেৰে পৰিবৃত্ত হৈ আহিছে, অনন্ত কাল জুৰি।

কোনো এজনী মহিলাই বিপদত পৰি ৰাজপথত চিঞৰ মাৰে, কোনোবা আগবাঢ়ি আহিব আৰু তেওঁৰ আটাইতকৈ মূল্যবান বস্তুটো ৰক্ষা কৰিব। আমি ডাক্তৰৰ ওচৰলৈ লৈ গৈ সকলো গোপনীয় কথা ব্যক্ত কৰোঁ। আমাৰ বিশ্বাস - তেওঁ আমাৰ সকলো বেদনাৰ উপশম কৰিব। আমাৰ সন্তানক স্কুললৈ পঠিয়াওঁ। আমাৰ বিশ্বাস স্কুলত আমাৰ সন্তানে নিজৰ ভৱিষ্যত গঢ়িব আৰু শিক্ষকে তাৰ মাৰ্গ দৰ্শন কৰাব।

প্ৰতিটো নিৰ্বাচনত আমি ভোট দিওঁ এই ভাবি যে আমি ভোট দিয়া নেতাজনে নিৰ্বাচিত হৈ আমাৰ দহৰ কাৰণে ভাল কামবোৰ নিস্বাৰ্থ ভাৱেৰে সম্পন্ন কৰিব। বিশ্বাস - হয়তো তাৰেই নামান্তৰ এইবোৰ কথা চিৰন্তন সত্য বুলিও ক'ব নোৱাৰি। তাৰ বিপৰীত ঘটনাও আমি প্ৰত্যক্ষ কৰোঁ। আমি প্ৰায়েই বিশ্বাসক হত্যা কৰি বিশ্বাসযোগ্যতা হেৰুৱাওঁ।

কোনো অচিনাকি ছোৱালীক নিজৰ ভনী বুলি ভাবিব নোৱাৰোঁ। অচিনাকি নাৰী বিপদত পৰা বুলি সহায় কৰিবলৈ যাওঁতে বহুতো সৎ পুৰুষ সৰ্বস্বান্ত হোৱাৰ উদাহৰণো আছে অনেক। লোকৰ ল'ৰা-ছোৱালীৰ মনত আত্মীয়তাৰ বিশ্বাস জন্মাই ফুচুলাই নি ধন দাবী কৰা বা বেয়া কামত নিয়োগ কৰা কাহিনীও বহুত আছে। কেতিয়াবা হত্যা কৰাৰ দৰে নিষ্ঠুৰ ঘটনাও শুনিবলৈ পাওঁ। ডাঙৰ হৈ ভৱিষ্যতে হাতৰ লাখুটি হ'ব বুলি ভবা সন্তানে নিজৰ বৃদ্ধ পিতৃ-মাতৃক কোনোবা পথৰ দাঁতিত বা আশ্ৰয় গৃহত এৰি থৈ আহে।

কেতিয়াবা বেঙ্কৰ টকাকেইটা কেনেকৈ পকেটলৈ আনিব পাৰি, আনৰ মাটি ডঁৰা কেনেকৈ নিজৰ কৰি ল'ব পাৰি, তাৰেই চিন্তাত উচ্ পিচ্ লাগে। বানপানীত কক-বকাই থকা মানুহৰ বাবে অহা সাহায্য্য সামগ্ৰীৰ আধা, স্কুলৰ মধ্যাহ্ন ভোজনৰ চাউল কেইবস্তামান নিজৰ ঘৰলৈ আনিলেহে মনটোৱে শান্তি ল'ভে। বাটত দুৰ্ঘটনাত পতিত হোৱা যাত্ৰীক সহায় কৰিবলৈ যোৱাৰ চলেৰে তেওঁলোকৰ টকা-পইচা, সোণৰ গহনা বা মোবাইল ফোন হস্তগত কৰা মানুহৰ কথাও শুনা যায়।

ডাঙৰ ডাঙৰ মানুহে সৰু মানুহক প্ৰতাৰণা কৰে। প্ৰতাৰণা কৰে আমি ভোট দি জিকাই পঠোৱা দেশৰ নেতাই। প্ৰতাৰণা কৰে প্ৰেমিকে প্ৰেমিকাক। কেতিয়াবা নিজৰ বদনাম ঢাকিবলৈ নাৰীয়ে সকলো দোষ পুৰুষৰ ওপৰত জাপি দিয়ে। শিক্ষকেও কিছুমান ছাত্ৰ-ছাত্ৰীক অপ্ৰৰোচিত ভাৱে পৰীক্ষাত সহায় কৰে, নাইবা কাৰোবাৰ ব্যক্তিগত আখেজ পূৰণ কৰে।

এনেকুৱা কথাৰ বাবে মানুহৰ মনৰ পৰা বিশ্বাস হেৰাই যায়। বহু সময়ত হতাশাত মানুহ ভাগি পৰে। জীৱনৰ প্ৰতি মোহ নাইকিয়া হৈ যায়। জীৱন বিষময় হৈ উঠে। বিশ্বাসে বহু সময়ত সৰ্বনাশৰ ৰূপ ধাৰণ কৰে। সীতাই ছদ্মবেশী ৰাৱণক বিশ্বাস কৰি অপহৃতা হৈছিল। স্বামীৰ ওপৰত বিশ্বাস ভঙ্গ হৈ পাতাল গমন কৰিছিল। গুৰু দ্ৰোণাচাৰ্য্যই যুধিষ্ঠিৰৰ কথাত বিশ্বাস কৰি নিজৰ মৃত্যুক আমন্ত্ৰণ দিছিল। বালিৰ আছিল নিজৰ শক্তিৰ ওপৰত অগাধ বিশ্বাস। কিন্তু ভাতৃ সুগ্ৰীৱে ৰামৰ সহায়ত বালিক হত্যা কৰিছিল। দৈত্য ৰাজ বলিয়ে বামণক বিশ্বাস কৰিছিল, সাধাৰণ বাওনা এজনে তিনিপদ ভূমি লৈ বলিৰ কি ক্ষতি কৰিব? কিন্তু সেই বিশ্বাসে বলিক পাতাললৈ যাব লগীয়া কৰিলে।

কিন্তু এতিয়া বিশ্বাসৰ যেন অপমৃত্যু ঘটিছে। এখন সমাজক সন্মুখত ৰাখি শিৰত সেন্দূৰৰ ফোট দি, বোৱাৰী হিচাপে আদৰি নিয়া ছোৱালীজনীক যি কোনো অজুহাত উলিয়াই পুৰি মৰা ঘটনা আমি অনেক শুনিছোঁ, দেখিছোঁ। ল'ৰা-ছোৱালীৰে জকমকাই থকা ঘৰ এখনলৈ আকৌ এজনী পত্নী আনি সংসাৰ নৰকত পৰিণত কৰা পুৰুষো অনেক দেখি আহিছোঁ। মনে মনে সন্তান জন্ম দি জাৰণি নাইবা ডাষ্টবিনত পেলাই অহাও দেখা পাইছোঁ।

এতিয়া বিশ্বাসৰ ৰূপ এনেকুৱা হৈছে - মাছে বৰশীৰ টোপটো পৰম বিশ্বাসেৰে গিলাৰ দৰেই। ছাগলীবোৰ কচাইৰ পিছে পিছে কচাইখানালৈ যোৱাৰ দৰেই। এতিয়া দেখিবলৈ ধৰিছোঁ - দহ-বাৰ বছৰীয়া সন্তানে মাকৰ হাতৰ চেপাঁত প্ৰাণ ত্যাগ কৰা ঘটনা। ২০১৫ চনত অসমৰ পৰা মুম্বাইলৈ আলোড়নৰ সৃষ্টি কৰিছিল চিনা বৰাৰ হত্যা কাণ্ডই। মাক ইন্দ্ৰানী মুখাৰ্জীয়ে নিজৰ দ্ৰাইভাৰ আৰু পতি (? তৃতীয় নে চতুৰ্থ পতি)ৰ হতুৱাই হত্যা কৰিছিল চিনা বৰাক। তেওঁৰ পুত্ৰকো গুৱাহাটীৰ পৰা মতাই নি হত্যা কৰাৰ চেষ্টা বিফল হৈছল।

পূৰ্বৰ (? ) প্ৰেমিকক মাতি একেখন বিছনাত শুই থকা পতিক মৃত্যুৰ কোলাত শুৱাই দিয়া পত্নীৰ সংখ্যা দিনে দিনে বৃদ্ধি পাই আহিছে। বৰ্তমান সকলো সামাজিক মাধ্যমত চৰ্চিত হোৱা ঘটনাটো হৈছে - 'অপাৰেচন হনিমুন'। ৰাজা ৰঘুবংশী আৰু সোনমৰ লোমহৰ্ষক কাহিনীয়ে সকলোতে চৰ্চা লাভ কৰিছে। নাৰীৰ মাতৃময়ী ৰূপে পিশাচিনী বা কাল সৰ্পিনীৰ ৰূপ ধাৰণ কৰিছে। এই ক্ষেত্ৰত হয়তো ফেঁটী সাপকো বহু পৰিমাণে বিশ্বাসত ল'ব পাৰি। সাপক অপকাৰ নকৰালৈকে অন্ততঃ সি আনৰ ক্ষতি নকৰে। কিন্তু পত্নী? ক'বলৈ শব্দৰ অভাৱ হয় অকল ৰাজা ৰঘুবংশী আৰু সোনমেই নে? নহয়। বিগত বছৰটোত পত্নীৰ হাতত প্ৰাণ যোৱা পতিৰ সংখ্যা ১৩ জন। হয়তো পত্নীয়ে অকলে বিষ দি হত্যা কৰিছে নাইবা প্ৰেমিকৰ হতুৱাই পতিক মৃত্যুৰ হাতত সঁপি দিছে। বেছিভাগ ক্ষেত্ৰতে পত্নী আৰু প্ৰেমিকে লগলাগি পতিৰ জীৱন নাশ কৰিছে। অমিত, দিলীপ, ৰতন সৌৰভ, ধন্নালাল, অভীক আদি অনেকৰ নাম আছে সেই লিষ্টত। ২০২৩ চনৰ ভাৰতৰ অফিচিয়েল ডাটাত এনেকুৱা হত্যাৰ সংখ্যা ৩০৬ টা। এতিয়া দেখিবলৈ ধৰিছোঁ বিশ্বাসেও চলনা কৰে। তেন্তে বিশ্বাসৰ বিকল্প কি? আমি জীৱনৰ সকলো স্তৰতে কিহক ভেটি হিচাপে লৈ আগবাঢ়ি যাম?

বিশ্বাসৰ বিকল্প কিবা আছে নে? - এই প্ৰশ্নৰ উত্তৰ পাঠকৰ হাতত

*প্ৰকৃতি আৰু মানৱৰ এই সংঘাতৰ প্ৰভাৱ বিস্তাৰে আমাৰ আহিবলগা দিনবোৰত ভয়ংকৰ দিনৰ সূচনা হোৱাৰ দিশে আগমন কৰিব যেন ক'ৰবাত নহয় কৰবাত ভিতৰি ভিতৰি অনুভৱ হয়। প্ৰকৃতিৰ ক্ষতিৰ ফলত জলবায়ু পৰিৱৰ্তনৰ দৰে সমস্যা বৰ বেছি বাঢ়িছে। অসমত ব্ৰহ্মপুত্ৰ নদীৰ বানপানীৰ তীব্ৰতা বৃদ্ধি পোৱাৰ কাৰণ হিচাপে বৰষুণৰ ধৰণৰ পৰিৱৰ্তন আৰু হিমালয়ৰ হিমবাহ গলনক চিহ্নিত কৰা হৈছে। ইয়াৰ ফলত কৃষকৰ জীৱন-জীৱিকাৰ ওপৰত প্ৰভাৱ পৰিছে আৰু গাঁৱৰ পৰা নগৰলৈ প্ৰব্ৰজন বাঢ়িছে। অন্যহাতে, প্ৰাণীৰ বাসস্থান হেৰুৱাৰ ফলত হাতী আৰু বাঘৰ দৰে জন্তু গাঁৱলৈ সোমাই আহিছে। অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওচৰৰ গাঁৱত হাতীৰ আক্ৰমণৰ ঘটনা বৰ্তমান সাধাৰণ হৈ পৰিছে। গৱেষকসকলে কয় যে এই সংঘাতৰ ফলত মানুহৰ জীৱন আৰু সম্পত্তিৰ ক্ষতি লগতে জীৱ-জন্তুৰ প্ৰজাতিৰ বিলুপ্তিৰ আশংকা বাঢ়িছে।*

# প্ৰকৃতি আৰু মানৱৰ সংঘৰ্ষ

**চন্দন কুমাৰ নাথ**

প্ৰকৃতি আৰু মানৱৰ মাজৰ সম্পৰ্ক এক জটিল আৰু গভীৰ বিষয়। ইতিহাসৰ পাতত চালে আমি দেখিবলৈ পাওঁ যে মানৱ সভ্যতাৰ বিকাশৰ লগে লগে প্ৰকৃতিৰ সৈতে তাৰ সংঘৰ্ষও বৃদ্ধি পাইছে। প্ৰকৃতি মানৱ জাতিৰ বাবে এক অফুৰন্ত সম্পদৰ ভাণ্ডাৰ, কিন্তু মানুহে ইয়াক অপৰ্যাপ্তভাৱে ব্যৱহাৰ কৰি ইয়াৰ সংহতি বিপন্ন কৰিছে। প্ৰকৃতিৰ পৰা আমি খাদ্য, পানী, বায়ু আৰু জীৱনৰ বাবে প্ৰয়োজনীয় সকলো সম্পদ লাভ কৰোঁ। কিন্তু আধুনিক যুগত মানৱৰ উন্নয়নৰ আকাংক্ষা আৰু প্ৰকৃতিৰ মাজত এক সংঘাতৰ সৃষ্টি হৈছে, যাৰ ফলত পৰিৱেশৰ ভাৰসাম্য নষ্ট হৈছে আৰু জীৱজগতৰ ওপৰত গুৰুতৰ প্ৰভাৱ পৰিছে। মানৱ সভ্যতাৰ বিকাশৰ লগে লগে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীলতা বাঢ়িছে, কিন্তু একে সময়তে প্ৰকৃতিৰ শোষণো তীব্ৰতৰ হৈ পৰিছে। গৱেষণাৰ মতে, শিল্প বিপ্লৱৰ পিছৰে পৰা মানুহৰ কাৰ্যকলাপৰ ফলত বনাঞ্চল ধ্বংস, জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ আৰু জীৱজন্তুৰ বাসস্থানৰ ক্ষতি হৈছে। উদাহৰণস্বৰূপে, ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত, য'ত অসমো অন্তৰ্ভুক্ত, অৰ্থনৈতিক উন্নয়নৰ নামত বনজংঘল কটা, খনিজসম্পদৰ অপব্যৱহাৰ আৰু অত্যধিক কৃষি কাৰ্যৰ ফলত হাতী, বাঘ আৰু অন্যান্য প্ৰাণীৰ সৈতে মানুহৰ সংঘাত বৃদ্ধি পাইছে। বিশ্ব বন সংৰক্ষণ সংস্থা (WWF)ৰ এক প্ৰতিবেদনত কোৱা হৈছে যে গত ৫০ বছৰত পৃথিৱীৰ জীৱবৈচিত্ৰ্যৰ ৬৮ক্ষ হ্ৰাস পাইছে, যাৰ মূল কাৰণ মানৱৰ অত্যধিক সম্পদ ব্যৱহাৰ। অসমতো চাহ বাগিচাৰ বাবে বন ধ্বংস আৰু নদীৰ পাৰত অত্যধিক নিৰ্মাণৰ ফলত প্ৰকৃতিৰ সৈতে সংঘাতৰ ঘটনা সঘনাই দেখা গৈছে।

প্ৰকৃতি আৰু মানৱৰ এই সংঘাতৰ প্ৰভাৱ বিস্তাৰে আমাৰ আহিবলগা দিনবোৰত ভয়ংকৰ দিনৰ সূচনা হোৱাৰ দিশে আগমন কৰিব যেন ক'ৰবাত নহয় কৰবাত ভিতৰি ভিতৰি অনুভৱ হয়। প্ৰকৃতিৰ ক্ষতিৰ ফলত জলবায়ু পৰিৱৰ্তনৰ দৰে সমস্যা বৰ বেছি বাঢ়িছে। অসমত ব্ৰহ্মপুত্ৰ নদীৰ বানপানীৰ তীব্ৰতা বৃদ্ধি পোৱাৰ কাৰণ হিচাপে বৰষুণৰ ধৰণৰ পৰিৱৰ্তন আৰু হিমালয়ৰ হিমবাহ গলনক চিহ্নিত কৰা হৈছে। ইয়াৰ ফলত কৃষকৰ জীৱন-জীৱিকাৰ ওপৰত প্ৰভাৱ পৰিছে আৰু গাঁৱৰ পৰা নগৰলৈ প্ৰব্ৰজন বাঢ়িছে। অন্যহাতে, প্ৰাণীৰ বাসস্থান হেৰুৱাৰ ফলত হাতী আৰু বাঘৰ দৰে জন্তু গাঁৱলৈ সোমাই আহিছে। অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওচৰৰ গাঁৱত হাতীৰ আক্ৰমণৰ ঘটনা বৰ্তমান সাধাৰণ হৈ পৰিছে। গৱেষকসকলে কয় যে এই সংঘাতৰ ফলত মানুহৰ জীৱন আৰু সম্পত্তিৰ ক্ষতিৰ লগতে জীৱজন্তুৰ প্ৰজাতিৰ বিলুপ্তিৰ আশংকা বাঢ়িছে। আচলতে, এই সংঘাতৰ সমাধানৰ বাবে সামগ্ৰিক দৃষ্টিভংগীৰ প্ৰয়োজন। প্ৰথমতে, পৰিৱেশ সংৰক্ষণৰ বাবে স্থানীয় জনগণৰ সহযোগিতা অতি গুৰুত্বপূৰ্ণ। অসমত বন বিভাগে গাঁৱৰ মানুহৰ সৈতে মিলি বন সংৰক্ষণৰ কাম কৰি আছে, যেনে কৃত্ৰিম বাসস্থান সৃষ্টি আৰু প্ৰাণীৰ গতিবিধি নিৰীক্ষণ। দ্বিতীয়তে, কিছুমান আধুনিক তথা বিজ্ঞানসন্মত উন্নয়নৰ মডেল গ্ৰহণ কৰাটো জৰুৰী। জৈৱিক কৃষি, নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ আৰু প্ৰদূষণ হ্ৰাসৰ জৰিয়তে প্ৰকৃতিৰ সৈতে সংঘাত কমাব পাৰি। তৃতীয়তে, শিক্ষা আৰু সজাগতাৰ জৰিয়তে নতুন প্ৰজন্মক প্ৰকৃতিৰ মূল্য বুজাব লাগিব। প্ৰকৃতি আৰু মানৱৰ সংঘাত এটা বিশ্বজনীন সমস্যা, কিন্তু ইয়াৰ প্ৰভাৱ স্থানীয় পৰ্যায়তো গভীৰ। অসমৰ দৰে জীৱবৈচিত্ৰ্যৰে সমৃদ্ধ ৰাজ্যত এই সংঘাতৰ প্ৰতি সাৱধান হোৱাটো অতি জৰুৰী। প্ৰকৃতিৰ সৈতে সমন্বয় ৰাখি চলিলে আমি নিজৰ ভৱিষ্যতৰ লগতে পৃথিৱীৰ ভাৰসাম্য ৰক্ষা কৰিব নিশ্চয়কৈ পাৰিম। এই দায়িত্ব আমাৰ সকলোৰে বুলি কব বিচাৰোঁ।

ফোন ঃ ৯১৩২৮-৪৯৭২৬

# শিক্ষাগুৰুসকলে মাধ্যমিক স্তৰৰ শিক্ষাৰ্থীসকলক দৈনিক কাকত একোখনৰ সম্পাদকীয় পঠনৰ অভ্যাস কৰাওক

**ৰঞ্জিত শইকীয়া**

দৈনিক বাতৰি কাকত একোখনৰ সম্পাদকীয় স্তম্ভটোৱেই হৈছে কাকতখনৰ মুখ্য স্তম্ভ স্বৰূপ। সাধাৰণতে দৈনিক কাকত এখনৰ চতুৰ্থ বা ষষ্ঠ পৃষ্ঠাত সজ্জিত সম্পাদকীয় পৃষ্ঠাৰ বাওঁফালে ওপৰত থকা স্তম্ভটোৱেই হৈছে কাকতখনৰ সম্পাদকীয় স্তম্ভ। এই সম্পাদকীয় স্তম্ভটোত অতি সাম্প্ৰতিক প্ৰেক্ষাপটত সৰ্বোচ্চ গুৰুত্ব লাভ কৰা ৰাজ্যিক, ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বহুচৰ্চিত বিষয়বস্তু একোটাৰ সূক্ষ্ম, সংক্ষিপ্ত তথা নিৰ্মোহ বিশ্লেষণ দাঙি ধৰা হয়। এককথাত সম্পাদকীয় শিতানটোৱেই সাম্প্ৰতিক সময়ৰ অতি গুৰুত্বপূৰ্ণ প্ৰসংগ এটিৰ যুক্তিনিষ্ঠ তথ্যসমৃদ্ধ সাৰাংশ। সম্পাদকীয় স্তম্ভটো পঢ়িয়েই সাম্প্ৰতিক সময়ৰ অতি গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ক্ষেত্ৰত এটি সুস্পষ্ট ধাৰণা আয়ত্ত কৰিব পৰা যায়। নিচেই সীমিত পৰিসৰতে প্ৰকাশিত সম্পাদকীয় শিতানটোৰ জৰিয়তে আমাৰ মানসপটত এক পূৰ্ণাংগ তথা আদৰ্শনীয় দৃষ্টিভংগী গঢ় লৈ উঠে। সীমিত পৰিসৰতে কিদৰে গুৰুত্বপূৰ্ণ বিষয় এটি আলোকপাত কৰিব পৰা যায় তাৰ উৎকৃষ্ট নিদৰ্শন এই সম্পাদকীয় স্তম্ভ। সুস্পষ্ট আৰু সাৱলীল প্ৰকাশভঙ্গীৰ কৌশল আয়ত্ত কৰাতো আমাক বিশেষভাৱে সহায় কৰে এই স্তম্ভটোৱে। আমি উচ্চতৰ মাধ্যমিকত অধ্যয়ন কৰি থকা কালত 'মহন্ত ব্ৰাদাৰ্ছ' শীৰ্ষক কুৱালগুৰিৰ সবাতোকৈ পুৰণি কিতাপৰ দোকানখনত প্ৰায়সমূহ অসমীয়া দৈনিক বাতৰি কাকতৰেই সম্পাদকীয় পঢ়ি চোৱাৰ তীব্ৰ হেঁপাহ হৈছিল। আনকি প্ৰথম পৃষ্ঠাৰ শিৰোনামকেইটা চায়েই বাতৰি কাকতখনৰ সম্পাদকীয় পৃষ্ঠাত মনোযোগ দিছিলোঁ। 'দৈনিক জনমভূমি', 'অসমীয়া প্ৰতিদিন', 'আমাৰ অসম', 'দৈনিক অগ্ৰদূত', 'অসমীয়া খবৰ', 'আজিৰ দৈনিক বাতৰি' আদি কাকতসমূহ দোকানতেই পঢ়ি চাইছিলোঁ যদিও আমাৰ ঘৰুৱা আৰ্থিক অসুবিধাৰ হেতুকে সেইসময়ত একেবাৰে কম মূল্যত অৰ্থাৎ মাথোঁ তিনি টকাৰ দৰত প্ৰকাশিত প্ৰখ্যাত সাংবাদিক অজিত কুমাৰ ভূঞাদেৱৰ সম্পাদিত 'জাতীয় স্বাৰ্থত আপোচহীন' বুলি ঘোষিত 'আজি' আৰু ব্যতিক্ৰমী শৈলীৰে এটি বৃত্তৰ মাজত 'আধুনিক মনৰ বাবে' বুলি উল্লিখিত সেইসময়ৰ নৱপ্ৰজন্মৰ সাংবাদিক মনোজ কুমাৰ গোস্বামীদেৱৰ সম্পাদনাত প্ৰকাশিত 'দৈনিক জনসাধাৰণ' নামৰ দৈনিক কাকত দুখনৰ কোনোবা এখন ক্ৰয় কৰিছিলোঁ। 'আজি' শীৰ্ষক কাকতখনত বিচক্ষণ সাংবাদিক অজিত কুমাৰ ভূঞাদেৱৰ 'দিল্লী দিছপুৰে সাৰ পাব কেতিয়া? ' জাতীয় তীক্ষ্ণ ভাষাৰ সম্পাদকীয় পঢ়ি আমাৰ মনত এক তীব্ৰ জাতীয় চেতনা জাগৃত হৈছিল। আনহাতে বিজ্ঞানৰ ছাত্ৰ হৈও একাধাৰে সাহিত্যিক আৰু সাংবাদিক হিচাপে বিশেষ পৰিচিতি লাভ কৰা মনোজ কুমাৰ গোস্বামীদেৱৰ 'বেদৰ ভাষাত কালিকা' জাতীয় সম্পাদকীয়সমূহে আমাৰ মানসিক উত্তৰণত বিশেষ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। 'দৈনিক জনসাধাৰণ' কাকতখনৰ আকৌ প্ৰথম পৃষ্ঠাতে দৈনিক একোগৰাকী প্ৰসিদ্ধ লেখকৰ স্তম্ভলেখাও প্ৰকাশ কৰা হৈছিল। অসমৰ জাতীয় জীৱনৰ দিক্ দৰ্শকস্বৰূপ ডঃ নগেন শইকীয়াদেৱ (স্তম্ভৰ নাম 'একবচন'), গুৱাহাটী বিশ্ববিদ্যালয়ৰ তদানীন্তন উপাচাৰ্য ডঃ অমৰ জ্যোতি চৌধুৰীদেৱ, বিশিষ্ট সাংবাদিক অজিত কুমাৰ ভূঞাদেৱ( স্তম্ভৰ নাম 'দেশ-কাল) দেৱকান্ত সন্দিকৈ ডাঙৰীয়া, বিশিষ্ট নৃত্যশিল্পী শাৰদী শইকীয়া মহোদয়া আদি একোগৰাকী লব্ধপ্ৰতিষ্ঠিত অসমীয়াৰ স্তম্ভলেখা সপ্তাহৰ সুনিৰ্দিষ্ট বাৰত পঢ়াৰ সৌভাগ্য হৈছিল। এই লেখাসমূহে আমাৰ চিন্তা-চেতনাৰ ক্ষেত্ৰখন প্ৰসাৰিত কৰাত এক অনন্য ভূমিকা গ্ৰহণ কৰিছিল যাৰ বাবে সেই কাকতসমূহৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিম। উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ত অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থকা এই কাকতসমূহৰ বিশেষকৈ সম্পাদকীয় স্তম্ভৰ অধ্যয়নে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সমান্তৰালভাৱে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ গুৰুত্বপূৰ্ণ বিষয়বস্তুসমূহৰ সন্দৰ্ভত আমাক এক সম্যক ধাৰণা গ্ৰহণ কৰাত চিৰস্মৰণীয় স্থান অধিকাৰ কৰিছিল। কিন্তু অতি সম্প্ৰতি শিক্ষাৰ্থীসকলৰ মাজত দৈনিক বাতৰি কাকত পঢ়াৰ অভ্যাস যথেষ্ট সংকুচিত হৈ পৰিছে। আকৌ কাকত একোখনৰ সম্পাদকীয় স্তম্ভটো যে কিমান গুৰুত্বপূৰ্ণ এটি শিতান সেই সম্পৰ্কেও হয়তো বহু শিক্ষাৰ্থী জ্ঞাত নহয়। সেয়ে শিক্ষাগুৰুসকলে বিশেষকৈ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থীসকলক অন্ততঃ একোখনকৈ হ'লেও দৈনিক বাতৰি কাকতৰ মুখ্যতঃ সম্পাদকীয় স্তম্ভটোৰ গুৰুত্ব আৰু তাৎপৰ্য সম্পৰ্কে বুজাই দি কাকত একোখনৰ এই শিতানটো অধ্যয়ন কৰিবলৈ প্ৰচুৰ অনুপ্ৰাণিত কৰা উচিত। সমাজ জীৱনৰ সকলো ক্ষেত্ৰৰে গুৰুত্বপূৰ্ণ বিষয়বস্তুসমূহৰ সূক্ষ্ম বিশ্লেষণেৰে সমৃদ্ধ বাতৰি কাকত একোখনৰ সম্পাদকীয় স্তম্ভৰ নিয়মীয়া অধ্যয়নৰ অভ্যাসে শিক্ষাৰ্থীসকলৰ মাজত এক সুস্থ আৰু শক্তিশালী মানসিকতা তথা জাতীয় চেতনা গঢ় দিয়াৰ ক্ষেত্ৰত যে এক আদৰ্শনীয় ভূমিকা গ্ৰহণ কৰিব সেয়া নিশ্চিত। গতিকে আমাৰ শিক্ষকসমাজে শিক্ষাৰ্থীসকলৰ মাজত এক জাতীয় চেতনাৰ বীজ অংকুৰিত কৰাৰ ক্ষেত্ৰত একোখন দৈনিক বাতৰি কাকতক এক শক্তিশালী বিকল্প হিচাপে গ্ৰহণ কৰিব পাৰে। আমাৰ শিক্ষাৰ্থীসকলক জাতীয় জীৱনৰ উৎকৰ্ষ সাধনৰ বাবে সাজু কৰি তোলাৰ ক্ষেত্ৰত শিক্ষক সমাজৰ যি গধুৰ জাতীয় দায়বদ্ধতা থাকে- এই ক্ষেত্ৰত বাতৰি কাকত একোখনৰ সম্পাদকীয় শিতানটো এক অগ্ৰণী সহযোগী হিচাপে আমাৰ দৈনিক সহযাত্ৰী হ'ব পাৰে। আহকচোন আমি নিজেও নিয়মীয়াকৈ একোখন দৈনিক বাতৰি কাকত পঢ়াৰ অভ্যাস কৰোঁ আৰু আমাৰ ভৱিষ্যতৰ খনিকৰস্বৰূপ শিক্ষাৰ্থীসকলকো কাকত একোখনৰ বহুমুখী ভূমিকাৰ বিষয়ে সজাগ-সচেতন কৰি তোলোঁ।

**সমাজ জীৱনৰ সকলো ক্ষেত্ৰৰে গুৰুত্বপূৰ্ণ বিষয়বস্তুসমূহৰ সূক্ষ্ম বিশ্লেষণেৰে সমৃদ্ধ বাতৰি কাকত একোখনৰ সম্পাদকীয় স্তম্ভৰ নিয়মীয়া অধ্যয়নৰ অভ্যাসে শিক্ষাৰ্থীসকলৰ মাজত এক সুস্থ আৰু শক্তিশালী মানসিকতা তথা জাতীয় চেতনা গঢ় দিয়াৰ ক্ষেত্ৰত যে এক আদৰ্শনীয় ভূমিকা গ্ৰহণ কৰিব সেয়া নিশ্চিত।**

ফোন ঃ ৮৮৭৬৯৮৩৯৭২

## মৌনতা
বাহাৰুল ইছলাম

মৌনতাৰো আছে নিজা অস্তিত্ব
আছে আৱৰণহীন দেহা
কঁপা কঁপা ওঁঠৰ ভাঁজে ভাঁজে
শুই থাকে কিছু তিতা, মিঠা, কেহাৰ
আটক ধুনীয়া তহবিল।

মৌনতাৰো থাকিব পাৰে হৃদয়
থাকিব পাৰে তনু-মন
শুকাই-ক্ষীণাই যাব পাৰে তাৰ ৰং
ঠিক সৰাপাতৰ দৰেই
হয়তো একেখন আলয়তে থাকে সিহঁত দুয়ো
কিজানি ভাষাৰ মাধুৰ্য হেৰোৱাই
নীৰৱতাৰ সাগৰত হাবুডুবু কৰিছে।

মৌনতাৰো থাকিব পাৰে এক অনন্য স্বকীয়তা
জীৱন-যৌৱনৰ কিছু সঞ্চিত সম্পদ
যাৰ ওমত অংকুৰিত হয় বীজ
লালিত-পালিত হয় আপোনা-আপুনি
বহন কৰে এক দীঘলীয়া সময়ৰ ইতিহাস
জড়তা গুচি এদিন শান্ত হ'ব
ভ্ৰান্ত ধাৰণাৰ উপশম ঘটিব।

এই মৌনতাৰো থাকিব পাৰে ভাষা
অগ্নি গৰ্ভত বিপ্লৱ কৰি থকা
কাল-ধুমুহাৰ অমানিশা বুকুত সাঁচি
ভাৱনাৰ মোহনাত পৰি ৰয়
অক্লান্ত সৈনিক ৰূপে।
ঠিকনা ঃ বালিজান, মৰিগাঁও

## পেহেলগাম
লক্ষ্মী প্ৰসাদ ৰেগন

পেহেলগামৰ পাইন গছবোৰেও জানিছিল
ইয়াত অসুৰেও বাস কৰে বুলি
কিন্তু মানুহবোৰে ভাবিছিল
স্বৰ্গত ঈশ্বৰৰ ভাল টোপনি ভাল জিৰণি

এতিয়া তাত এন্ধাৰেও কঁপে
পোহৰ যেনিতেনি লুকায়

দুবৰিৰ দলিচাত
নিৰীহলোকৰ চূৰ্ণীকৃত কলিজা

অশৰীৰ আত্মাৰ চিঞৰ শুনি শুনি
পেহেলগামৰ টোপনি নহা হ'ল

এতিয়া নিন্দিত স্বৰ্গ
স্বৰ্গৰ চুক -কোণ
পেহেলগামৰ তল -ওপৰ

নিৰীহৰ শোণিতেৰে ৰাঙলী পেহেলগামত
অনিৰ্দিষ্ট কাললৈ ঈশ্বৰ নিৰুদ্দেশ।
ফোন ঃ ৮৪৮৬৭৭৩০২



## তুমি হ'বলা কথাবোৰ শুনিছা
মণ্টু মৰাণ

তুমি হ'বলা কথাবোৰ শুনিছা

কুমলীয়া ঘাঁহত যখিনীয়ে থুই পেলালে
কাৰবা কি অমংগল হ'ল

হাতেৰে চুই চাই উমান ল'ব বিচৰা অখতি ল'ৰা
কাৰ ঘৰৰ, কাৰ তেজ, বাঘৰ আগতেল খোৰা

বেলি ওলালেই ৰ'দে খাওঁ খাওকৈ ধৰে
ইমান ধূলি- চকুৰ কোটৰত ক'লা পৰে
ইমান ধূলি- সমুখত কি আছে নমনি একোকে

কি মায়াসনা তোমাৰ দুহাত
কি আৱেগভৰা তোমাৰ চৰণযুগল

ওপৰৰ পৰা মাটিত সৰি পৰাৰ লগে লগে শটা ভেকুলী
জাপ মাৰি উঠে পৰম্পৰা ধিয়াই
কাক এৰি কাক ধৰোঁ, কোনটো এৰোঁ কোনটো ৰাখোঁ

ওপৰফালে চাই তললৈ মুখ কৰি থাকোঁ
এবাৰ চাৰিওপিনে চাব পৰা হ'লে

শুক্লা দশমী নে চ'তৰ সংক্ৰান্তি নে চান্দ্ৰমাহৰ
প্ৰথমা মংগলবাৰ

আহ সময় উভতি ধৰ
সমান কৰি তোল দিন আৰু ৰাতি

মাটিত ফুল ফুলক
শিল জাগি শিৰ নে মানুহ হ'ব

সাত দিন সাত ৰাতি গীত গাই গাই নাচোঁ
মৰাকো জীয়াই তোলোঁ

কি ল'ৰা ডেকা বুঢ়া কি গাভৰু কুমাৰী অকুমাৰী
দে চেও তোল বাজক বৰঢোল

বাঁহৰ সুতুলি পেঁপা গগনা
চাকচনি ঢুতং
বজা তাল আৰু বুকু ৰঙা কৰা বাঁহী

তুমি হ'বলা খবৰ ৰাখিছা

এয়া বহাগ
তিথি পাতি মুকলি কৰোঁ মাটিৰ উৰ্বৰা
বিচাৰি হাবাথুৰি খাওঁ প্ৰতিটো বছৰতেই চান্দ্ৰমাহ
আৰু দশমী
আৰু... আৰু কেঁচাইখাতি।।
ঠিকনা ঃ তিনিচুকীয়া

## উন্মাদ প্ৰতিবেশী
ৰাতুল চেতিয়া ফুকন

উন্মাদ প্ৰতিবেশী যাৰ চোতালত
প্ৰতিনিয়ত জন্ম হয় ঘাতক।
তেজৰ পিয়াহত গোপনে অহা চিতা
শান্তিৰ শিখাত অশান্তিৰ শৰীৰ জাপি দি
কি স্বাৰ্থ সিদ্ধি হয় সিহঁতৰ।
ভূ স্বৰ্গত নৰকৰ ছবি আঁকি
নিজকে দেউলীয়া কৰে
পৃথিৱীৰ সন্মুখত।
শান্তিৰ সহবাসৰ অৰ্থ নোবুজা
উন্মাদ প্ৰতিবেশী।
এটা পাঠ পঢ়োৱাৰ সময় আহিছে
চিৰদিন মনত ৰখাৰ নীতিপাঠ।
ঠিকনা ঃ সোণাৰি, চৰাইদেউ

## মই অসমীয়া
কুইন কৌশিক শৰ্মা

বীৰ লাচিতৰ সাহসৰ জয়গান বজা
এই অসমৰ মই অসমীয়া।
সতী জয়মতীৰ তেজেৰে ৰাঙলী হোৱা
এই অসমৰ মই অসমীয়া।।

ব'হাগৰ নাচনীৰ ৰাংধালী সময়ক
বুকুত জীয়াই ৰখা
এই অসমৰ মই অসমীয়া।
আঘোণৰ পথাৰত কৃষকৰ
পৰশত সোণগুটিৰ ধাননিৰে
শুৱগা চ'ৰা
এই অসমৰ মই অসমীয়া।।



লক্ষ্মীনাথ বেজবৰুৱাৰ
কাব্যত্বৰ বতাহ বলি থকা
এই অসমৰ মই অসমীয়া।
নামঘৰৰ ডবা-কাঁহৰ শব্দৰে
আধ্যাত্মিকতাৰ জয়ধ্বনি বজা
এই বৰ অসমৰ মই অসমীয়া।।

মই অসমীয়া স্বাধীনচিন্তীয়া
নাই মোৰ কালৈকো ভয়।
এই দেশৰহকে জীৱন দিবলৈও
ৰাখিছোঁ নিজৰ পণ।।

প্ৰকৃতিৰ ৰূপচায়াত
প্ৰতিভাৰ সুপ্তধাৰাত অবিৰত
বৈ থাকে অসমীয়াৰ প্ৰাণ।
মিত্ৰতাৰ বান্ধোনে হাজাৰ
জনজাতিয়ে জীয়াই ৰাখিছে
অসমীয়াৰ স্বাভিমান।।

এই অসমৰ বিনন্দীয়া ৰূপে
মন মোহিত কৰে।
ঐনক্যৰ মাজত ঐক্যৰ বান্ধোনে
অসমৰ ঐতিহাসিক মান ৰাখে।।
ঠিকনা ঃ ঘিলামৰা, লখিমপুৰ



## এজাক ধুমুহা
মুন শৰ্মা

এজাক ধুমুহাৰ আগমন,
মনে প্ৰাণে বিচাৰোঁ,
কালৰ বুকুত হৈ ৰওক সি মহাকাল,
নিঃশেষৰ বুকুত জিন যাওক এটি এটি কৈ সমস্ত।
পুকে ধৰা সমাজ, শেলাই পৰা মানুহৰ মন,
বুকুত সিঁচৰতি ঘনঘুৰ বিষাক্ত কলীয়া মেঘ খহাই,
ৰুগীয়া সমাজৰ মলিয়ন কামিজ ফালি,
বনছাই হৈ উৰি যাই,
অনন্ত কাললৈ কোনো দিন উভতি নহা বাটেৰে।
সময় সমাগত ক্ষণ গণে আজি একাংশ মানৱে,
দুখৰ বিননি অন্ত বিচাৰে,
সুস্থ সমাজৰ ব্যৰ্থ চেষ্টা,
বাৰে বাৰে বিফল কুটিলৰ যে অবাধ ৰাজত্ব।
পিঞ্জৰাত আবদ্ধ সমাজে চিঞৰে, মুক্তি লাগে,
সহস্ৰ জনেও গগন কপাঁই,
নিৰাশৰ বুকুতো আশাৰ ডেউকা কোবাই,
এই সমাজৰ প্ৰতি কোণে, আশে-পাশে,
বিষৰ বুকতে এমুঠি মানৱ,
হওক আবিৰ্ভাৱ, সৃষ্টি সন্মিলিত এটি প্ৰচেষ্টাত,
সৃষ্ট ধুমুহা প্ৰবল প্ৰতাপী, অপেক্ষা এটি সূৰ্য উদয়
সুস্থ সবল নিকা নিৰ্মল এখনি সমাজৰ।
ঠিকনা ঃ লখিমপুৰ

## সাৰে আছোঁ মই
অৰ্ণৱ কটকী

আজি ৰাতিটো টোপনি নাহিল
জোনাকীয়ে মেলা পতা আকাশত জুয়ে খেলিছিল
ঝিলি, ডাউকৰ নিশা গুঞ্চিএঞৰো ক'ৰবাতে হেৰাই গৈছিল
পাঞ্চজন্য মাতত মেদিনি পেপুৱা লাগিল।।
বিলাসিতা এৰি জীৱনৰ ৰাষ্ট্ৰৰ হকে
মাৰ বান্ধি থিয় হওঁ আহক আমি।
উৰি থাকক তিৰংগা নীল আকাশত,
প্ৰাৰ্থনা কৰোঁ মিলি, প্ৰতিজন বীৰৰ কুশল বিচাৰি।।
আজি ৰাতিটো টোপনি নাহিল মোৰো
ঠিক বিনিদ্ৰ ৰজনী কটোৱা প্ৰতিজন বীৰৰ দৰে।
শত্ৰু ৰাষ্ট্ৰক উচিত শিক্ষাৰে কামিহাড় ভাঙি, মোহাৰি ভৰিৰে
বিশ্বক দেখুৱাই দিব শক্তি ভাৰতৰ।।
নৰমেধ যজ্ঞ পাতি উন্মত্ত হোৱা
প্ৰতি টোপাল তেজৰ মূল্য শক্তিৰে কাঢ়িম।
বিশ্ব গুৰু ভাৰতৰ পণ, মনোবল অটুট,
নৱ নৱ সূৰুযে পোহৰাব আকাশ,
গুণ গান গাব বিশ্বই ভাৰত মাতাৰ।।
ঠিকনা ঃ জাঁজী শিমলুগুৰি

## মই শৈশৱত দেখা
মায়া বসুমতাৰী

মই শৈশৱত দেখা ওচৰৰে
পাহাৰখন আঁতৰি গ'ল।
বিশ্বায়নৰ ধামখুমিয়াত
পুঁজিপতিৰ আগ্ৰাসনত
বিকাশৰ নামত বিনাশ হ'ল।
মই শৈশৱত দেখা ওচৰৰে
পাহাৰখন আঁতৰি গ'ল।
আধুনিক প্ৰযুক্তিৰ হাতোৰাত,
দিন নাই ৰাতি নাই
ঘোৰ ঘোৰ ঘোৰ ঘোৰ
চলি আছে মাথোঁ পাহাৰ খনন,
ৰাজআলীৰ দুয়োপাৰে পাহাৰ খনন,
পুজিপতিৰ বেহাৰ সদাগৰী আগ্ৰাসন
মই শৈশৱত দেখা ওচৰৰে
পাহাৰখন আঁতৰি গ'ল।
হিংসাৰ অগণিত জ্বলিছে হিয়া,
দেশে দেশে যুদ্ধৰ দাবানল।
প্ৰযুক্তিৰ কলা ধোৱাই চানিচে আকাশ।
মোৰ ধৰিত্ৰী আইৰ সন্তুলিত বুকুত,
জলবায়ুৰ উষ্ণতা শীতলতা,
অতীবৃষ্টি বানপানী, ভূমিস্খলন।
তুষাৰ পাত আগ্নেয়গিৰি বিষাক্ত গেচ।
এতিয়া আমাৰ জীৱন সংগী।
মই শৈশৱত দেখা ওচৰৰে
পাহাৰখন আঁতৰি গল।
সেউজী ধৰাৰ শুস্ক ৰূপ।
অসহায় প্ৰকৃতি আই আজি ৰুগ্ন,
আশ্ৰয়হীন প্ৰাণীৰ অৰণ্য ৰদন।
শুনিবলৈ অৱকাশ আছেনে আমাৰ?

## শিপাৰ সংকট
ব্ৰজেন জীৱন

শিপাই খামুচে মাটি
পিছে শিপাৰ সংকট
সংকটত আজি বিহুৰ শিপা
সংস্কৃতিৰ পথাৰত গৰল
লেখক-গৱেষকৰ দুশ্চিন্তা
মঞ্চৰ শিল্পীৰ দুঃসাহস
মিশ্ৰিত প্ৰতিক্ৰিয়া
মনোমালিন্য।
ফাগুনৰ নিলাজ পৱন
চিৰাল ফটা চ'তৰ পথাৰ
পলাশ, মদাৰ, শিমলুৰ
বুটা বছা ৰঙীণ ৰুমাল
কেতেকীৰ সুবাসতো
উন্মনা ৰঙালীৰ সংকট
শিপাই খামুচিব খোজে মাটি।
কঙালীত আহে কুলি-কেতেকি
ভোগালীতো ফুলে কপৌ
কঙালী নে ৰঙালী
ভোগালীনে ৰঙালী
ধৰিবই নোৱাৰি
শিপাই খামুচিব পৰা নাই মাটি।
যুৱীয়া আহঁতৰ ছাঁত
ৰহেদৈ, তৰাদৈ, বগীতৰাহঁতৰ
ততে নাই গাত
পিছে পেপুৱাও নাই মেলামৰাত।
জ্যোতিপ্ৰসাদ নাই, বিষ্ণুপ্ৰসাদো নাই
নাই আজি ভূপেন মামা
বিহু সম্ৰাটৰ সুৰ কাহানিবাই হেৰাল-
আছে মাথোঁন টি এচ ইলিয়টৰ -
"April is the current month"
কবিতাৰ পংক্তি।
তবে কঙালী, ভোগালী, ৰঙালী কিয়?
শিপাই খামুচিব বিচাৰে মাটি
পিছে শিপাৰ সংকট।
ফোন ঃ ৮৬৩৮৭৫৯৬৭৯

## নৱ-জোৱান মই
সংগীতা ৰয়

যুদ্ধৰ নৱ জোৱান মই
বীৰ লাচিতৰ সমান,
নাথাকো বহি ঘৰত
কৰি যাম যুদ্ধ আমি
দেশ স্বাধীনৰ পথত।

নিচিনো নিজক মই
শত্ৰুক আগত লৈ,
যুদ্ধৰ পথত আমি
খোজ দিও আগলৈ।

সমুখৰ জয়ৰ গান
দুবাহুত বাহুৰ ধাম,
তৰোৱালৰ আগত যাব
বিদ্ৰোহীৰ জীৱন প্ৰাণ।

বুকুত আঁৰিম আমি
তেজৰ মালা ধাৰি,
বলেও বৈ যাব আমাৰ
তেজৰ নদী খনি।



কঁপিব উঠিব সেইদিনা
শত্ৰুৰ চিনা বুকু,
পৰাজয় মানি লৈ ভয়ত
নিজৰ স্থান পাব।

বাজি উঠিব দেশত
শান্তি সুৰৰ ধ্বনি,
নৱ জোৱান আমি
যামেই আগ বাঢ়ি।
ঠিকনা ঃ ঢকুৱাখনা, লখিমপুৰ

## মৌনতাত
ৰণ্টু ৰঞ্জন কলিতা

দুচকু মুদিলেই তোমাক
দেখা পাওঁ
আকাশৰ জোনাক ৰাতি
তুমি জোনাক হৈ বিয়পি
পৰাহি মোৰ হৃদয়ত
আঁউসীৰ ৰাতি এন্ধাৰে
আৱৰি ৰখা নিৰ্জনতাত
তুমি চিত্ৰলেখা হৈ
ছবি আঁকা।
মোৰ দুচকুৰ পতাত।
তোমালৈ বৰকৈ মনত পৰোঁতেই..
ফাগুনৰ পছোৱা জাকে
পাহৰণিৰ শৰতক আনি
দিয়েহি সিঁচি
ফাগুনৰ পচোৱা যেন
এজাক প্ৰেমৰ সুভাষ
সপোনৰ গুণ গুণনি বেদনাই
সাবটি লোৱা তোমাৰ
দুটি ওঁঠৰ মৌনতাত।
ঠিকনা ঃ শিৱসাগৰ

## নৱৰং
সংগীতা ডেকা

মামৰে ধৰা লৌহ হৃদয়ত
নিস্পন্দ ভাৱাবেগৰ নিৰ্জন মেলা
য'ত হেঙুলীয়া স্বপ্নৰ
ভগ্ন পঁজাত সমাহিত
আৱেগৰ ছাঁয়াই ওৰণি তৰিছিল...
আজি মই প্ৰাণভৰি বুজিছোঁ
ছাঁয়া এতিয়া ছাঁয়া নহয়
ৰ'দৰ কন্যা...
উভতি নাচালেও পৰাজিত নহয়
তৰা নহ'লেও ভূমিজা হৈ,
মৃত্তিকাত ৰামধেনু আঁকিব...
জীৱনৰ আল্পনাত নৱ ৰঙেৰে
নৱ কিশলয় মেলি।
ঠিকনা ঃ ৰঙিয়া



## জুৰণি জেঠাই
ড° পংখী প্ৰিয়া শৰ্মা

জুৰণি জেঠাই গ'লগৈ।
কালিলৈকে তেখেতে হাঁহি, মাতিয়েই আছিল
অশীতিপৰ দেহাটোৰেই
ঘৰখনৰ ব্যস্ততাবোৰ সামৰি আছিল
এপলক ৰ'বলৈ আজৰি?
নাছিল।
ব্যস্ততাবোৰত তেখেতে সাঁচি ৰাখিছিল
ৰুগ্ন জীৱনসংগীৰ ঔষধৰ হিচাপ,
পুত্ৰৰ বাবে প্ৰস্তুত কৰা টিফিনৰ খাদ্যত মৰমৰ উত্তাপ,
পোহনীয়া সাৰমেয়টোলৈ ভোকৰ সময়ৰ আদৰকণ।
ক্ষন্তেক জিৰণিৰ আটকীয়া সময়ত
তেখেত স্মৃতিকাতৰ হৈছিলনে?
জীৱনৰ পোৱা -নোপোৱাৰ হিচাপে কিংকৰ্তব্যবিমূঢ় কৰিছিলনে?
এই কথা কোনো দিন সোধাহে নহ'ল।
আদৰণীয় হাঁহিটোৰে চুবুৰীৰ মানুহখিনিৰ
ভাৰসাৰ নিৰাপদ থল আছিল
জুৰণি জেঠাই।
কাকো তিলমানো কষ্ট নিদিয়াকৈ চিৰনিদ্ৰাত
শায়িত আদৰৰ মানুহজনী।
জীৱনৰ সিপাৰে আমি আকৌ এদিন
লগ হ'ম জুৰণি জেঠাই।
সময়ৰ সমীকৰণবোৰ সহজ হোৱাৰ উপায়
তেতিয়াও আপোনাৰ যোগেদি লাভ কৰিম।
মই আশাবাদী হৈ ৰ'লোঁ।
ঠিকনা ঃ কেন্দুগুৰি, ৰাজগড়



## সোণসেৰীয়া জেঠ
অমূল্য চেতিয়া

শুকাই যোৱা পথাৰত
দোপাল-পিটা বৰষুণ...
মেঘমল্লাৰ সৌন্দৰ্যত
ঘূমটি ভঙা সমীৰণ

নাঙলে কবিতা লিখা
জেঠ মহীয়া সম্ভাষণ...
টোমত সাঁচি ৰখা
সোণ পিতা স্পন্দন

ম'হঘুলি পথাৰত উজান
বিহমেটেকা গছকি অন্বেষণ...
গাত ৰ'দে পুৱা চোলা
পিৰালিত ফিকাচাহ মচগুল সপোন

ফিচিকা জোলোঙাৰ সুখ
সানন্দে ভাগ বটোৱাৰা...
চুবুৰীটো ৰজনজনাই
আম তলৰ দুপৰীয়া

অতীতৰ সোণসেৰিয়া
ক'তনো লুকাল
দুহাতে আঁজুৰি
নিজকে নুকুলায়...
ফোন ঃ ৮৪৭১৮৭৫৩৯১

## অভিমানৰ নাট
চিমি চিদ্দিকা

সুৰুঙাৰে সৰি গ'ল,
অকথিত কিছু মৰম,
ভাঙি গ'ল ঠুনুকা হৃদয়খন
নিঃশব্দ অশ্ৰুৰ সোঁত বৈ গ'ল

মই ক'ব নোৱাৰিলোঁ,
আঁচলতে আঁকি ৰলো ব্যথা
তুমি দেখিও নেদেখা হ'লা
শব্দবোৰো হ'ল কিবা অৰ্থহীন

তুমি বুজা, বুজিও নুবুজা,
হৃদয়ত ৰখা অভিমানবোৰ
বুজাৰ অভিনয় নেকি
নে এয়া মায়াৰ নতুন নাট?

সুধিম,
এতিয়াও সময় আছে।
যদি এখন হাত দিওঁ আগবঢ়াই
তুমি ধৰি থাকিবা নে?

নে,
তুমি উপেক্ষা কৰিবা
যদি তেনে হয় তেন্তে
তীব্ৰ অনুভৱবোৰ দহিব
আশাবোৰে শেষ হোৱাৰ সংকেত দিব
আলোকৰ মাজতো মনটো অকলশৰীয়া হৈ ৰ'ব।
ঠিকনা ঃ গোৰেশ্বৰ

## অনুভৱৰ উৎস তুমি
ৰামেশ্বৰ নাথ

মোৰ শব্দ কানন
জীপাল কৰি ৰখা
তুমিয়েই সেই অনুভৱৰ উৎস,
তোমাৰ স্মৃতিতে প্ৰাণ পায় উঠে
চৰ্চাৰ অভাৱত লেৰেলি যাব ধৰা
মোৰ শব্দৰ কলি।
আজি কালি তুমিও
সপোনত দোভাগ নিশা
শেতেলীত বহি
আমনি নকৰা হ'লা,
কি অভিমানেৰে অভিমানী হ'লা
কল্পনাৰ মানসপটত
দেখো ধৰা নিদিয়া হ'লা।
সেয়ে চাগে বিষাদৰ বালিচৰত
আজিও ফুলা নাই
কবিতা নামৰ বৃক্ষৰ কলি।
বিষাদ আজি জৰ্জৰিত
হেৰুৱা সংজ্ঞা বিচাৰি।
প্ৰেমিক যুগলৰ প্ৰতিচ্ছবি
ৰক্ত গোলাপেও আজি সংকল্পবদ্ধ,
তোমাৰ অবিহনে হেনো
শুৱনি নকৰে
মোৰ হৃদয়ৰ কানন।
ঠিকনা ঃ গহিয়া, বৰপেটা

## সংগ্ৰামী
মিন্টু গোৱলা



অনন্য ঐক্য সংগ্ৰামী
জাতিৰ যুঁজাৰু তুমি

জাতি জয় গানেৰে
জাতিক জিনিলা
দিলা, সংগ্ৰামৰ পথ

নিজৰ জাতিৰ স্বাৰ্থত
নিজকে দিলা,
তুমি জীৱন দান

কত সংগ্ৰামৰ ফলত
জাতিক কৰিলা ঐক্যবদ্ধ

কমজোৰ কামিহাড়
বোৰত শক্তিৰ তেল ঢালি
শক্তিশালী কৰি, সংগ্ৰাম
পথত সংগ্ৰামী গঢ়ি তুলিছিলা।

যুদ্ধৰ যুঁজাৰু হিচাপে
পথ-প্ৰদৰ্শক
জাতীয় সংগ্ৰামৰ সংগ্ৰামী তুমি
তুমিয়ে এটি জাতি জয় গান
ঠিকনা ঃ লখিমপুৰ, কদম

## অনন্ত প্ৰেমৰ পৰশ
ৰূপক অধিকাৰী

নৈৰ সোঁতত বৈ গৈছে তোমাৰ চেনেহৰ সুৰ,
আজি মোৰ হৃদয়ত জিলিকিছে তোমাৰ মৰমসনা মুখ।
দুচকুত উজলি আছা তুমি সৌহৃদ্য ৰাতি আকাশত,
তুমিয়েই পোহৰ মোৰ অন্তৰৰ আন্ধাৰত।

মিলনৰ সপোনবোৰে বতাহত উৰিছে
তোমাৰ নামেৰে এটি আলসুৱা গীত গাই।
মোৰ জীৱনৰ পথতত তুমিয়েই অমৃতৰ ধাৰা,
স্মৃতিৰ পাতত লিখা আছে তোমাৰ হাঁহিৰ আখৰা।

বৰষুণত তুমিয়েই মোৰ অগণন জাপি
প্ৰেমৰ সাগৰ আৱৰি...
জাৰৰ কোলাত তুমিয়েই মোৰ উমৰ আৱেশ,
আজি লুইতৰ ঢৌয়ে কয় আমাৰ ৰূপকথা।
জন্মে জন্মে তুমিয়েই মোৰ হৃদয়ৰ ৰাণী,
অন্তৰৰ পথাৰত ফুলি আছোঁ আমি দুই প্ৰাণী।

## এখন ধৰ্মনিৰপেক্ষ যুদ্ধ
প্ৰসন্ন কুমাৰ বৰা

বিষাদৰ নৈখন সাঁতুৰি আহিছোঁহে
ভাগৰুৱা দেহাৰ আই কোলাত এপলক জিৰাবলৈ
চিলমিল টোপনিত উচপখাই উঠিলোঁ
কুৰুক্ষেত্ৰ যুদ্ধখনৰ ৰণ শঙ্খ প্ৰতিধ্বনিত
ৰণচণ্ডী তেজী ঘোঁৰা চেঁকুৰি
তীক্ষ্ণধাৰ অস্ত্ৰ-শস্ত্ৰ চিকমিকনি
যুদ্ধভূমিত তেজেৰে লুতুৰিপুতুৰি
নালাগে অন্যায়-অবিচাৰ যুদ্ধ
হিংসা অহংকাৰৰ অধঃপতন কাম্য
কঁকালত টঙালি বান্ধি
দুবাহুত শকতি আজুৰি
বুৰঞ্জীৰ প্ৰসিদ্ধ তেজে ৰঙা তৰোৱালখনি
জননী স্বাধীনতা বিচাৰি
লাগে যদি দিব জীৱনটোকে আহুতি
এখনি ধৰ্মনিৰপেক্ষ যুদ্ধ বিচাৰি
প্ৰকৃত যুদ্ধ যুঁজাৰু আমি।
ঠিকনা ঃ মৰিগাঁও



## উলংগ
বলিন বৰদলৈ

উস: কি যে উলংগ
ইমান গৰম বলীয়া বতাহ জাক।
যান্ত্ৰিক বিশ্ব বিধুৰা মেদিনীত
খুলি দিয়া খিড়িকীবোৰ আহক জোনাক।
তেওঁ ক'লে - কি পাবা আকাশত ?
এতিয়া যে আকাশ গোমা
সূৰ্য্যটোও অসহায় ...
উদ্দিত সূৰুযৰ ৰাঙলী আভা
বলীয়া ডাৱৰে ঢকা।
জোনাকবোৰ ?
এতিয়া অন্ধকূপত লীন।
বন্ধু, ব'লা ওলাই যাওঁ ৰাজপথলৈকে
মই ক'লো - কেনেকৈ দেখা নাই
উচ্ছিষ্টভোজী কুকুৰজাক,
আহাঁ আমাক দেখি পলাই পত্ৰং দিব।
মই ক'লো - মোলৈ চোৱা
তেওঁ ক'লে - কি উলংগ তুমি ?
তেনে সৌৱা সভ্য সমাজখন
চোৱা উলংগ সভ্যতা।
যি দেশত গণতন্ত্ৰ আজি বলিশালত।
ধৰ্ষণ যি দেশত হয় আইনৰ ধাৰা
তাতো জানো তুমি দেখা পাবা
সভ্যতাৰ বেশভূষা। চোৱা আজি ?
আকাশখনো বলিশালত
ডেউকা ভগা কপৌজনীৰ
তেজৰ চেকুঁৰা, ধৰ্ষণৰ যন্ত্ৰণা।
ঠিকনা ঃ আলামি, গোলাঘাট

## সময়
পৰিস্মিতা ৰাজবংশী

হেৰাই যাব খোজা জীৱনটোক
ধৰি ৰখাৰ অপ্ৰাণ চেষ্টা
জীৱন মানেই সংগ্ৰাম
সংগ্ৰাম মানেই জীৱন।
সময়ৰো যে কি নিষ্ঠুৰ পৰিহাস,
কেতিয়াবা সময়টোক
বৈ যাব ক'বৰ মন যায়।

সময়ে এলাগী কৰা
মোৰ সৰু পৃথিৱীখনত
ব্যাকুলতাবোৰ কমনে ?
সংগ্ৰামী সময়ৰ
বাধ্যবাধকতা বোৰ বেছি
চাই যাবলৈ ক'বৰ মন যায়।
ঠিকনা ঃ দৰং



## আকৌ আহিব শাওণ
নৱজিৎ মেধি

আহি আছে শাওণ
এক নতুন আশা লৈ
চহা কৃষকৰ বাবে
মেলিব পোষা,
এক সপোনে,
আৰু
আহিবলগীয়া আঘোণৰ বতৰত,
সোণালী সপোন,
পূৰ্ণ হোৱাৰ হেঁপাহত,
আপোন আপোন লগা,
পথাৰৰ কেঁচা আলিৰ মাজত,
চহা কৃষকে জুৰিব গীত,
চেনেহীক মনত পেলাই।
ঠিকনা ঃ নগাঁও

## ভস্মীভূত মেডিকেল কলেজৰ

ক্ষৰ প্ৰায় ২০জন ছাত্ৰ-ছাত্ৰীৰ মৃত্যু হ'ব বুলি আশংকা কৰা হৈছে। গুজৰাটৰ আহমেদাবাদত এটা ডাঙৰ দুৰ্ঘটনা সংঘটিত হৈছে। বৃহস্পতিবাৰে এয়াৰ ইণ্ডিয়াৰ B-787 ড্ৰীমলাইনাৰ বিমানখন, যিটো AI-171 ফ্লাইটৰূপে আহমেদাবাদৰ পৰা গেটৱিক, লণ্ডনলৈ যাত্ৰা কৰিবলৈ ওলাইছিল, মেঘানী নগৰৰ ৰিহাইশী অঞ্চলত দুৰ্ঘটনাগ্ৰস্ত হয়। উল্লেখ্য যে, মেঘানী নগৰতেই BJ মেডিকেল কলেজ অৱস্থিত। এই মেডিকেল কলেজৰ হোষ্টেলৰ ওপৰত বিমানখন উৰা মাৰি ৫ মিনিটৰ পিছতেই পৰে। হোষ্টেলৰ ওপৰৰ কেণ্টিনত সেইসময়ত মেডিকেল ছাত্ৰ-ছাত্ৰীসকলে দুপৰীয়াৰ আহাৰ কৰি আছিল। এই দুৰ্ঘটনাত ২০জন ছাত্ৰ-ছাত্ৰীৰ মৃত্যু হ'ব বুলি আশংকা কৰা হৈছে, যদিও এতিয়ালৈকে ইয়াৰ চৰকাৰী নিশ্চিতি হোৱা নাই। BJ মেডিকেল কলেজৰ হোষ্টেলত পৰি থকা এয়াৰ ইণ্ডিয়াৰ বিমানখনৰ ছবিও ওলাইছে। ছবিত দেখা গৈছে যে, বিমানখনৰ পিছফালৰ অংশ হোষ্টেলৰ বিল্ডিঙৰ পৰা ওলমি আছে। আনহাতে, বিমানখনৰ আগৰ অংশ সম্পূৰ্ণৰূপে পুৰি ছাই হৈছে, য'ৰ পৰা ধোঁৱাৰ গুৱাৰ উঠি থকা দেখা গৈছে। বৰ্তমান স্থানত NDRFৰ তিনিটা দলে উদ্ধাৰ কাৰ্য্য চলাই আছে। ইয়াৰ উপৰি, বড়োদৰাৰ পৰা NDRFৰ দুটা দল আহমেদাবাদলৈ ৰাওনা হৈছে। আহমেদাবাদৰ চিভিল হাস্পতাললৈ 'গ্ৰীণ ক'ৰিডৰ' তৈয়াৰ কৰা হৈছে। আঘাতপ্ৰাপ্তসকলক তাতেই ভৰ্তি কৰোৱা হৈছে। আহমেদাবাদৰ নগৰ আয়ুক্ত আৰু পুলিছ কমিচনাৰ দুৰ্ঘটনা স্থলীত উপস্থিত আছে। দুৰ্ঘটনাস্থলীত ফায়াৰ ব্ৰিগেডৰ তিনিটা দল উপস্থিত আছে। দুৰ্ঘটনাৰ পিছত ৰাস্তা বন্ধ কৰি দিয়া হৈছে। বিমানখন এজোপা গছত খুন্দা খোৱাৰ পিছতেই দুৰ্ঘটনাগ্ৰস্ত হয়, তাৰ পিছত তৎক্ষণাত এটা ডাঙৰ বিস্ফোৰণ হয় আৰু বিমানখন জুইৰ লেলিহান শিখাত আবৰি পৰে। সমগ্ৰ বিমানখন পুৰি ছাই হৈছে। দূৰৈলৈকে ধোঁৱাৰ গুৱাৰ দেখা গৈছে। সমগ্ৰ অঞ্চলত ধোঁৱে বিয়পি পৰিছে। দুৰ্ঘটনাৰ পিছত আঘাতপ্ৰাপ্তসকলক তৎক্ষণাত চিকিৎসাৰ বাবে আহমেদাবাদৰ চিভিল হাস্পতালত ভৰ্তি কৰোৱা হৈছে। তেওঁলোকক চিভিল হাস্পতালৰ ট্ৰমা চেণ্টাৰলৈ নিয়া হৈছে। এম্বুলেন্সৰ যাতায়াতৰ বাবে ৰাস্তা মুকলি ৰখা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, চিভিল হাস্পতালত চিকিৎসা কৰোৱা আঘাতপ্ৰাপ্তসকল স্থানীয় লোক। অৱশ্যে, এতিয়ালৈকে বিমানত উঠা কোনো যাত্ৰীৰ বিষয়ে একো তথ্য পোৱা হোৱা নাই। এই ঘটনাৰ পিছত আহমেদাবাদৰ চৌপাশৰ সকলো হাস্পতালক সতৰ্ক কৰি দিয়া হৈছে। জৰুৰীকালীন সেৱাসমূহ সক্ৰিয় কৰা হৈছে। দুৰ্ঘটনা স্থলীৰ পৰা যাত্ৰীসকলক হাস্পতাললৈ নিবৰ বাবে ৫টা ডাঙৰ এম্বুলেন্স পঠিওৱা হৈছে। এই দুৰ্ঘটনাৰ বিষয়ে এয়াৰ ইণ্ডিয়াই এক বিবৃতিত কৈছে যে, আহমেদাবাদ-লণ্ডন গেটৱিক ফ্লাইট নং AI171 দুৰ্ঘটনাগ্ৰস্ত হৈছে। আমি ঘটনাৰ বিষয়ে তথ্য সংগ্ৰহ কৰি আছোঁ। এয়াৰ ইণ্ডিয়াৰ বিমানখন আহমেদাবাদ এয়াৰপোৰ্টৰ পৰা দুপৰীয়া ১: ৩৯ বজাত (IST) ৰানৱে ২৩ ৰ পৰা উৰা মাৰি এয়াৰপোৰ্টৰ পৰা ওলাই যোৱাৰ লগে লগে মাটিত পৰি যায়। উৰা মাৰি উঠাৰ লগে লগে পাইলটে ATC ক MAYDAY কল দিয়ে, কিন্তু তাৰ পিছত বিমানৰ সৈতে আৰু কোনো যোগাযোগ হোৱা নাই। বিমানত মুঠ ২৪২জন লোক আছিল, য'ত ২জন পাইলট, ১০জন ক্ৰু মেম্বাৰ আৰু ২৩০জন যাত্ৰী আছিল। এতিয়ালৈকে তেওঁলোকৰ বিষয়ে কোনো তথ্য পোৱা হোৱা নাই।

## গণশিল্পী ৰাজীৱ শদিয়াৰ

একপ্ৰকাৰ উকা কৰি যোৱা, জাতি-মাটি-ভেঁটিৰ গাণ গোৱা তথা জনতাৰ শিল্পী ৰাজীৱ শদিয়াই মৃত্যুৰ পিছতো হ'য়তো শান্তিত থাকিব পৰা নাই। কাৰণ যিটুকুৰা মাটিত গণশিল্পীগৰাকীয়ে নিজৰ সপোনৰ ঘৰখন বান্ধিবলৈ মন মেলিছিল, সেই মাটিটুকুৰাতে শেনচকু পৰিছে একাংশ বহিৰাগতৰ। শিল্পীগৰাকীৰ পৰিয়ালটোৱে বসবাস কৰা মাটিটুকুৰাৰ নামতে ৫০ লক্ষাধিক টকাৰ ঋণ লৈ এটা চক্ৰই জালিয়াতি কৰাৰ কথা পোহৰলৈ অহাৰ পিছত একপ্ৰকাৰ সকলোৰে চকু কপালত উঠিছিল। ঘটনাক লৈ আলফা স্বাধীনেও বিবৃতিযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। প্ৰণিধানযোগ্য যে, প্ৰয়াত গণশিল্পীগৰাকীৰ পৰিয়ালটোৱে বসবাস কৰা তিনিচুকীয়াৰ গেলাপুখুৰীস্থিত মাটিডোখৰৰ স্বত্বাধিকাৰী মনোজ চুতীয়াই উক্ত মাটিখিনি ৰাজীৱৰ পৰিয়ালটোক দান দিবলৈ মনস্থ কৰিছিল। কিন্তু ভূমিৰ দান কাৰ্য সম্পাদন নৌহওঁতেই এইকথা পোহৰলৈ আহে যে, মাটিৰ গৰাকী মনোজ চুতীয়াৰ অজ্ঞাতেই দুগৰাকী ব্যক্তিয়ে মাটিটুকুৰাৰ নামত মনোজ চুতীয়াৰ নথি-পত্ৰ জালিয়াতি কৰি পঞ্জাৱ নেচনেল বেংকৰ পৰা ৫০ লাখ টকাৰ ঋণ লৈ ইতিমধ্যে পলায়ন কৰিছে। বেংক কৰ্তৃপক্ষই উক্ত মাটিখিনি দখল কৰিবলৈ আগবাঢ়ি অহাক লৈ প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ গুণমুগ্ধসকলৰ মন ব্যথিত তথা সেমেকাই তুলিছিল। ৰাজীৱ শদিয়াৰ তিনিচুকীয়াৰ গেলাপুখুৰীস্থিত উক্ত ভূমি ষড়যন্ত্ৰৰে বনিয়া আনন্দ ৰাচিবাচিয়া আৰু পঞ্জাৱ নেচনেল বেংকৰ পৰিচালক অমিত ঝাই জালিয়াতি কৰাক লৈ আলফা স্বাধীনে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক পত্ৰত সংশ্লিষ্ট পক্ষক এনে ষড়যন্ত্ৰৰ পৰা আঁতৰি থাকিবলৈ সংগঠনটোৱে আহ্বান জনাইছিল। পত্ৰত আলফা স্বাধীনে সকিয়নী প্ৰদান কৰি উল্লেখ কৰিছিল যে, "এই নিৰ্দেশনা অমান্য কৰি কোনো ব্যক্তি বিশেষ অথবা প্ৰতিষ্ঠানে উক্ত মাটিখিনি হস্তগত কৰিব বিচাৰিলে "সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)" সংগঠনে কঠোৰতকৈ কঠোৰতম ব্যৱস্থা ল'বলৈ বাধ্য হ'ব।'' ১২ জানুৱাৰী তথা ভোগালীৰ উৰুকাৰ দিনাই নিয়তিৰ নিষ্ঠুৰ পৰিহাসত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰা গণশিল্পী ৰাজীৱ শদিয়াই তিনিচুকীয়া জিলাৰ ফিল'বাৰীৰ 'ৰসবাৰী পৰ্যটন মেলা' ৰ সাংস্কৃতিক অনুষ্ঠানত দুটামান গীত পৰিৱেশন কৰাৰ পাছতে মঞ্চৰ পৰা হঠাৎ অসুস্থ হৈ ঢলি পৰাত ততাতৈয়াকৈ উদ্যোক্তা তথা সতীৰ্থসকলে শিল্পীগৰাকীক ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিংস্থিত ডা: ডি. চি. বৰা নাৰ্ছিং হোমলৈ লৈ গৈছিল যদিওঁ পিছত ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰে শিল্পীগৰাকীক। কিন্তু অসমবাসীৰ বাবে চৰম দুৰ্ভাগ্য যে, ১৩ জানুৱাৰীৰ দিনৰ ভাগত শিল্পীগৰাকীয়ে প্ৰাণত্যাগ কৰে। অসম চিকিৎসা মহাবিদ্যালয়ত এদল জ্যেষ্ঠ চিকিৎসকে আপ্ৰাণ চেষ্টা কৰিও জীয়াই ৰাখিবলৈ সক্ষম নহ'ল জাতীয়তাবাদী গীত লিখি-গাই ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হোৱা শিল্পীগৰাকীক। ডিব্ৰুগড়তে জীৱন যাত্ৰাৰ সামৰণি পেলায় গণশিল্পী ৰাজীৱ শদিয়াই। উৰুকাৰ দিনাই নেদেখাজনে কাঢ়ি লৈ গ'ল জাতি-মাটিৰ গাণ গাই ভাল পোৱা শিল্পী ৰাজীৱ শদিয়াক। জনপ্ৰিয় কণ্ঠশিল্পী ৰাজীৱ শদিয়া যে আৰু নাই বিশ্বাস কৰিবলৈকে টান লগা এটা কথা। প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ ভূমি জালিয়তি কৰা প্ৰৱঞ্চক আনন্দ ৰাছিৱাচিয়া অৱশেষত আৰক্ষীৰ জালত পৰিল। ভূমি জালিয়তি কৰি ৫০ লাখ টকা লুটি পলাতক অৱস্থাত থকা তিনিচুকীয়াৰ এই প্ৰৱঞ্চকটোক অৱশেষত উত্তৰ প্ৰদেশৰ মিৰাটত বুধবাৰে গ্ৰেপ্তাৰ কৰে তিনিচুকীয়া আৰক্ষীৰ এটা দলে। তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ টি এছ আই (TSI) ধ্ৰুৱ প্ৰকাশ বৈশ্যৰ নেতৃত্বত যোৱা এটা আৰক্ষীৰ দলে মিৰাটত অভিযান চলাই গ্ৰেপ্তাৰ কৰে পলাতক আনন্দ ৰাছিৱাচিয়াক। মিৰাটত এটা ভাৰাঘৰ লৈ আত্মগোপন কৰি আছিল প্ৰৱঞ্চক আনন্দ ৰাছিৱাচিয়াই। আনন্দক উত্তৰ প্ৰদেশ আৰক্ষীৰ সহযোগত তিনিচুকীয়া আৰক্ষীৰ এটা দলে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

## প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, ৰাষ্ট্ৰপতি,

"আহমেদাবাদৰ এই ট্ৰেজেডিয়ে আমাক স্তম্ভিত আৰু দুখী কৰিছে। এই দুখৰ সময়ত মোৰ চিন্তা দুৰ্ঘটনাৰ দ্বাৰা প্ৰভাৱিত সকলৰ লগত। মই মন্ত্ৰী আৰু কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰাখিছোঁ যিয়ে প্ৰভাৱিতসকলক সহায় কৰিবলৈ কাম কৰি আছে।" কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শাহে এই দুৰ্ঘটনাত গভীৰ দুখ প্ৰকাশ কৰি কয়, "আহমেদাবাদৰ বিমান দুৰ্ঘটনাত মই অতি দুখী। উদ্ধাৰ দলক দ্ৰুতগতিত স্থলীলৈ পঠিওৱা হৈছে। মই গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, গৃহমন্ত্ৰী হৰ্ষ সাংঘবী আৰু আহমেদাবাদ পুলিচৰ মুখ্য আধিকাৰীকৰ সৈতে পৰিস্থিতি পৰ্যালোচনা কৰিছোঁ।" ৰাষ্ট্ৰপতিয়ে লিখিছে, "আহমেদাবাদত সংঘটিত বিমান দুৰ্ঘটনাৰ বিষয়ে জানিবলৈ পাই মই দুখ পাইছো। এয়া এক হৃদয়বিদাৰক ঘটনা...।" ইফালে গুজৰাটৰ আহমেদাবাদত লণ্ডন অভিমুখী এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতে কংগ্ৰেছৰ সংসদীয় দলৰ অধ্যক্ষ ছোনিয়া গান্ধী, কংগ্ৰেছৰ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়েও দুখ প্ৰকাশ কৰে। ছোনিয়া গান্ধীয়ে এক বিবৃতিত কয়, "আহমেদাবাদত সংঘটিত এই মৰ্মান্তিক বিমান দুৰ্ঘটনাত মই গভীৰভাৱে স্তম্ভিত আৰু দুঃখিত হৈছো। মোৰ সহমৰ্মিতা যাত্ৰীসকলৰ পৰিয়াল আৰু ক্ৰুৰ সৈতে আছে। দৃশ্যবোৰ আটাইতকৈ হৃদয় বিদাৰক। সমগ্ৰ দেশখনকে শোকে স্তব্ধ কৰিছে আৰু সকলোৱে প্ৰাৰ্থনা কৰি আছে।" আনহাতে, ৰাহুল গান্ধীয়ে কংগ্ৰেছ কৰ্মীসকলক উদ্ধাৰ আৰু সাহায্যৰ কামত সহায় কৰিবলৈ আহ্বান জনাই কয়, "আহমেদাবাদৰ এয়াৰ ইণ্ডিয়াৰ দুৰ্ঘটনাটো হৃদয়বিদাৰক। যাত্ৰী আৰু ক্ৰুৰ পৰিয়ালে অনুভৱ কৰা যন্ত্ৰণা আৰু উদ্বেগ নিশ্চয় কল্পনাতীত। এই অবিশ্বাস্যভাৱে কঠিন মুহূৰ্ত পাৰ কৰি থকা প্ৰত্যেককে মোৰ সমবেদনা জনাইছো। প্ৰশাসনৰ জৰুৰী উদ্ধাৰ আৰু সাহায্যৰ প্ৰচেষ্টা অতি জটিল-প্ৰতিটো জীৱনৰ বাবে গুৰুত্বপূৰ্ণ, প্ৰতিটো ছেকেণ্ডেই গুৰুত্বপূৰ্ণ।"

## আদানী গ্ৰুপক ভূমি হস্তান্তৰ

মহিলা প্ৰতিবাদকাৰীৰ উত্তাল প্ৰতিবাদ। উল্লেখ্য যে বৃহৎ ব্যৱসায়িক প্ৰতিষ্ঠান আদানী গ্ৰুপক তাপবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বাবে অসম চৰকাৰ আৰু বিটিচি পৰিষদীয় চৰকাৰে প্ৰদান কৰা তিনি হাজাৰ বিঘা ভূমিৰ সীমা নিৰ্ধাৰণ কৰাৰ বাবে আজি কোকৰাঝাৰা জিলা সাধাৰণ আৰু আৰক্ষী প্ৰশাসন বাঁশবাৰীৰ পাগলীঝোৰাত উপস্থিত হয়। উক্ত খবৰ পাই পুৱাৰ পৰাই পৰ্বতঝোৰাৰ বাঁশবাৰীত শ শ স্থানীয় বড়ো জনগোষ্ঠীয় লোকসকল উপস্থিত হৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি পৰিৱেশ উত্তপ্ত কৰি তোলে। কোকৰাঝাৰ জিলাৰ আৰক্ষী প্ৰশাসনৰ লগত স্থানীয় প্ৰতিবাদকাৰীসকল তীব্ৰ বাক-বিতণ্ডাত আৰু খণ্ডযুদ্ধত লিপ্ত হয়। ইপিনে প্ৰমোদ বড়ো গো বেক, হিমন্ত বিশ্ব শৰ্মা গো বেক, আদানী গ্ৰুপ গো বেক আদি শ্লোগানেৰে সঘনাই পৰিৱেশ উত্তাল কৰি তোলে। ফলত কেইবাবাৰো পৰিস্থিতিৰ অৱনতি ঘটে যদিও প্ৰশাসনে পৰিৱেশ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। অৱশেষত আবেলি ভাগত কোকৰাঝাৰ জিলা আৰক্ষী অধীক্ষক পুষ্পৰাজ সিং প্ৰতিবাদস্থলীত উপস্থিত হৈ প্ৰতিবাদকাৰীসকলক বুজনি দি এক আলোচনাত মিলিত হ'বলৈ চেষ্টা চলায় যদিও উক্ত প্ৰচেষ্টা ফলপ্ৰসূ নহ'ল। বিটিচিপ্ৰধান প্ৰমোদ বড়ো বাঁশবাৰীত আহিলেহে প্ৰতিবাদকাৰীসকল আলোচনাত মিলিত হ'ব বুলি প্ৰতিবাদকাৰীসকলে উল্লেখ কৰে। তেজ দিম, জীৱন দিম, কিন্তু আদানীক মাটি এৰি নিদিম, আদানী গ্ৰুপক কোনোপধ্যে মাটি দিয়া নহ'ব, এয়াই শেষ কথা বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে প্ৰতিবাদকাৰীসকলে। ইপিনে আৰক্ষী প্ৰশাসনে বাবে বাৰে প্ৰতিবাদকাৰীৰ লগত কথা পাতিবলৈ বিচাৰে যদিও প্ৰতিবাদকাৰীসকলে কোনোপধ্যেই প্ৰশাসনৰ লগত কথা পাতিবলৈ মান্তি নহয়। প্ৰতিবাদস্থলীত পৰিস্থিতি অধিক অৱনতি। আনহাতে একাংশ প্ৰতিবাদকাৰীয়ে শৰীৰত পেট্ৰল ঢালি নিজকে জ্বলাই দিয়াৰ চেষ্টা। প্ৰতিবাদকাৰীয়ে আৰক্ষীলৈ দলিয়াইছে পানীৰ বটল। উত্তপ্ত পৰিস্থিতিৰ মাজতে প্ৰতিবাদস্থলীৰ পৰা গতিয়াই গতিয়াই আৰক্ষীক আঁতৰাই দিয়ে প্ৰতিবাদকাৰীয়ে। আৰক্ষী প্ৰশাসনৰ উচ্চ পদস্থ বিষয়াই বাৰে বাৰে প্ৰতিবাদকাৰীৰ লগত আলোচনা কৰিবলৈ চেষ্টা চলায় যদিও কোনো আলোচনা কৰিবলৈ মান্তি নহয় প্ৰতিবাদকাৰী সকলে। হেজাৰ হেজাৰ প্ৰতিবাদ কাৰীয়ে হাতে হাতে ঝাড়ু আৰু বেনাৰ লৈ সাব্যস্ত কৰিছে প্ৰতিবাদ। কালি ৰাতিপুৱাৰ পৰাই প্ৰতিবাদ সাব্যস্ত কৰি আছে প্ৰতিবাদকাৰী সকলে। নিশাৰ ভাগত প্ৰমোদ বড়োৰ পুত্তোলিকা দাহ কৰি সাব্যস্ত কৰে প্ৰতিবাদ। এফালে আৰক্ষী প্ৰশাসনৰ সমৰ সজা আন ফালে হেজাৰ হেজাৰ প্ৰতিবাদকাৰী। প্ৰতিবাদকাৰী নিজৰ ঠাইত অটল তেজ দিম জীৱন দিম মাটি নিদিওঁ, তাৰ মাজতে প্ৰতিবাদস্থলীত উপস্থিত কংগ্ৰেছ নেতা গৰ্জন মুছাহাৰী। কংগ্ৰেছৰ নেতাগৰাকী উপস্থিত হোৱাৰ পিছতে উত্তপ্ত হৈ পৰে প্ৰতিবাদস্থলী। নেতাগৰাকী প্ৰমোদ বড়োৰ বিৰুদ্ধে আনে কেইবাটাও গুৰুতৰ অভিযোগ। গীত গাই গাই কংগ্ৰেছ নেতাগৰাকীয়ে কৰিলে প্ৰতিবাদ। প্ৰমোদ বড়োয়ে দিল্লীত কয় বড়ো ভূমিৰ মাটি খান্দিলে আমাৰ পূৰ্বপুৰুষৰ হাড় ওলাব, কিন্তু ইয়াত আহি বড়ো ভূমিৰ মাটি বিক্ৰী কৰি আছে। এই মাটিৰ মালিক অকল ইয়াৰ বাসিন্দাসকল প্ৰমোদ বড়ো নহয়, এয়া বিক্ৰী কৰাটো প্ৰমোদ বড়োৰ ডাঙৰ ভুল ইয়াৰ উপৰিও আনিছে কেইবাটাও গুৰুত্বপূৰ্ণ অভিযোগ। ইপিনে এতিয়ালৈকে সংগবদ্ধ প্ৰতিবাদকাৰী। উল্লেখ্য যে বাতৰি লিখা সময়লৈকে প্ৰতিবাদ অব্যাহত আছে। ইপিনে উক্ত তিনি হেজাৰ বিঘা মাটিজুৰি আছে বিস্তীৰ্ণ বনাঞ্চল। বনাঞ্চলখনত আছে শাল-চেগুনকে ধৰি অসংখ্য গছ-গছনি। আদানী গ্ৰুপৰ তাপবিদ্যুৎ প্ৰকল্প স্থাপন কৰিলে ধ্বংস কৰা হ'ব এই গছ-গছনিসমূহ। ইয়াকে লৈ এতিয়া চিন্তিত হৈ পৰিছে সচেতন মহল।

## বিটিচিপ্ৰধান প্ৰমোদ বড়োয়ে

কৰা ষড়যন্ত্ৰৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতি। এক প্ৰেছ বিজ্ঞপ্তি যোগে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতৃবৃন্দই কয় যে 'বিটিচিপ্ৰধান প্ৰমোদ বড়োয়ে বিটিচি চুক্তি উলংঘা কৰিছে'। খিলঞ্জীয়াৰ চৰকাৰ বুলি প্ৰতিমূহূৰ্তে জাহিৰ কৰি অহা হিমন্ত বিশ্ব নেতৃত্বাধীন বিজেপি চৰকাৰৰ এই সময়ছোৱাত সকলোতকৈ বেছি মাটি, ভেঁটি, পৰিচয় হেৰুৱাইছে খিলঞ্জীয়া অসমীয়াই। যুগ যুগ ধৰি এই মাটিত বসবাস কৰি অহা অসমীয়াক পৈত্তিক মাটিৰ পৰা উচ্ছেদ কৰি সেই মাটি বহিৰাগত পুঁজিপতিক গতাবলৈ খিলঞ্জীয়াৰ ওপৰত নাৰকীয় অত্যাচাৰ কৰিবলৈও তিলমানো কুণ্ঠাবোধ নকৰা এইখন চৰকাৰৰ অন্যতম লক্ষ্যই হল খিলঞ্জীয়াক অস্তিত্বহীন কৰা। বিটিচিৰ পৰ্বতঝোৰা-বাঁসবাৰীৰ থলুৱা লোকৰ ভূমি উচ্ছেদৰ সিদ্ধান্তক অসমবিৰোধী আখ্যা দি সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই কয় যে, ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত সম্পাদিত বিটিচি চুক্তি মতে বিটিচি অন্তভুক্ত ষষ্ঠ অনুসূচীৰ এলেকাত উক্ত তাৰিখৰ পূৰ্বৰ বাসিন্দাসকলৰ কাৰণে ভূমি সংৰক্ষিত কৰা হৈছে। বড়োসকলৰ ভূমিস্বত্ত সংৰক্ষণৰ কথাটো ইয়াত স্পষ্টকৈ উল্লেখ কৰা হৈছে, গুৰুত্ব প্ৰদান কৰা হৈছে। গতিকে পৰ্বতঝোৰা অঞ্চলত যুগ যুগ ধৰি বসবাস কৰি অহা তিনি হাজাৰ ছশ বিঘা মাটিত ভোগ কৰি অহা বড়ো আৰু অন্যান্য সম্প্ৰদায়ৰ লোকসকলক ভূমিস্বত্ব প্ৰদান নকৰি উচ্ছেদ কৰিবলৈ বিচৰা কাৰ্য চুক্তি ভংগকাৰী কথা। যিজন ব্যক্তিয়ে প্ৰায় যোল্লটা বছৰে বড়ো জনগোষ্ঠীৰ ছাত্ৰ সংগঠনক নেতৃত্ব প্ৰদান কৰিছিল, সেইজন মানুহেই আজি বিজেপিৰ সৈতে লগ লাগি যুগ যুগ ধৰি বসবাস কৰি থকা সহোদৰক উচ্ছেদ কৰাত হাত উজান দিয়াটো কি ধৰণৰ, কি প্ৰকাৰৰ জাতীয়তাবাদ বুলি প্ৰশ্ন উত্থাপন কৰে বিদ্যুৎ শইকীয়াই। বডোফা উপেন্দ্ৰ ব্ৰহ্মৰ স্বজাতিৰ চিন্তা, আদৰ্শক কুঠাৰঘাত কৰা নাইনে এইসকল নেতাৰ কৰ্মকাণ্ডই বুলি প্ৰশ্ন কৰা নেতাগৰাকীয়ে অসম চৰকাৰ আৰু বিটিচি প্ৰশাসনলৈ দাবী তোলে যে এই মাটিসমূহ অন্যায়ভাৱে খাচলেণ্ডৰ অন্তভুক্ত কৰি পুঁজিপতিক গতোৱাৰ ষড়যন্ত্ৰ বন্ধ কৰক। যুগ যুগ ধৰি বসবাস কৰি অহা এইসকল লোকক উচ্ছেদ নকৰি মাটিৰ পট্টা প্ৰদান কৰক, আমাৰ স্পষ্ট দাবী। ২৩ এপ্ৰিল, ২০২৫ তাৰিখে গৌতম আদানিৰ পুতেক জিত আদানীয়ে ভ্ৰমণ কৰি যোৱা এই অঞ্চলত কাৰ স্বাৰ্থত এইধৰণৰ পৰিৱেশ সৃষ্টি কৰা হৈছে ৰাইজৰ অবিদিত নহয় বুলি তীৰ্যক মন্তব্য কৰে নেতাগৰাকীয়ে।

## আহমেদাবাদত অগ্নিকাণ্ড

বিমান বন্দৰটোৰ সকলো প্ৰৱেশ পথ। ঘটনাক লৈ উদ্বিগ্ন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। গুজৰাটৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ পৰা বিমানখনৰ সকলো যাত্ৰীৰ পৰিচয় বিচাৰিছে প্ৰধানমন্ত্ৰীগৰাকীয়ে। ফোন যোগে কেন্দ্ৰীয় বিমান পৰিবহণ মন্ত্ৰীৰ সৈতেও কথা পাতিছে মোদীয়ে। ইফালে সন্ধিয়া ৫ বজালৈ বন্ধ কৰি দিয়া হৈছে বিমান বন্দৰটো। শেহতীয়াকৈ বিমান কৰ্তৃপক্ষই সদৰি কৰিছে যে, বিমানখনত মুঠ লোকৰ সংখ্যা আছিল ২৪২গৰাকী। ইয়াৰে ২৩২গৰাকী যাত্ৰী, ২গৰাকী পাইলট আৰু ১০গৰাকী কেবিন ক্ৰুৰ সদস্য। ইতিমধ্যে ঘটনাস্থলীত তীব্ৰগতিত উদ্ধাৰ অভিযান অব্যাহত আছে। ভাৰতীয় সেনাই উদ্ধাৰ অভিযানত নামিছে। আনহাতে প্ৰশাসনে বিমান বন্দৰলৈ যোৱা সকলো পথ বন্ধ কৰি দিছে। ইফালে এই ঘটনাক লৈ শোক প্ৰকাশ কৰিছে গুজৰাটৰ মুখ্যমন্ত্ৰীয়ে। আহতসকলক চিকিতসাৰ বাবে গ্ৰীণ কৰিডৰৰ ব্যৱস্থা কৰিছে প্ৰশাসনে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সকলো প্ৰকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰীক নিৰ্দেশ। ফোনযোগে এই নিৰ্দেশ প্ৰদান কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে। 'আমি বিমানখন পৰিচালনা কৰাত অসুবিধা পাইছো। হয়তো কিছু বিসংগতি হৈছে' - আহমেদাবাদৰ বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ পূৰ্বে বিমানখনৰ দুই পাইলটে কণ্ট্ৰল ৰূমলৈ পঠাইছিল এই বাৰ্তা। কিন্তু এই বাৰ্তা পোৱাৰ প্ৰায় ৫ মিনিটৰ ভিতৰতে ভূপতিত হয় বিমানখন। শেহতীয়াকৈ এই কথা বিমান কৰ্তৃপক্ষই ৰাজহুৱা কৰা তথ্য অনুসৰি বিমানখনৰ কমাণ্ড কেপ্টেইন সুমিত সভাৰৱালৰ সৈতে ফাৰ্ষ্ট অফিচাৰ ক্লাইভ কুণ্ডাৰ আছিল পৰিচালনাৰ দায়িত্বত। পাইলট দুইগৰাকী আছিল যথেষ্ট অভিজ্ঞ। কেপ্টেইন সুমিত সভাৰৱালৰ ৮২০০ ঘণ্টা বিমান চলোৱাৰ অভিজ্ঞতা আছে। সহ-পাইলট ক্লাইভ কুণ্ডাৰৰো ১১০০ ঘণ্টা বিমান চলোৱাৰ অভিজ্ঞতা আছে বুলি কোৱা হৈছে।

## গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী

কেইমিনিটমানৰ পিছতেই বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়। তেওঁ বিজনেছ ক্লাছৰ 2D চীটত বহি আছিল। বিজয় ৰূপানীয়ে ২০১৬ চনৰ আগষ্টৰ পৰা ২০২১ চনৰ ছেপ্টেম্বৰলৈ গুজৰাটৰ ১৬তম্ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ শাসনকালত গুজৰাটে বিনিয়োগ, মূল আধাৰভেটি আৰু সামাজিক কল্যাণমূলক আঁচনিৰ ক্ষেত্ৰত যথেষ্ট উন্নতি সাধন কৰিছিল। ১৯৫৬ চনৰ ২ আগষ্টত ম্যানমাৰত জন্মগ্ৰহণ কৰা ৰূপানীৰ পৰিয়াল পিছলৈ ৰাজনৈতিক অস্থিৰতাৰ বাবে গুজৰাটৰ ৰাজকোটলৈ স্থানান্তৰিত হয়। তেওঁ সৌৰাষ্ট্ৰ বিশ্ববিদ্যালয়ৰ পৰা BA আৰু LLB সম্পূৰ্ণ কৰি RSS আৰু ABVPৰ সৈতে যুক্ত হৈ ছাত্ৰ ৰাজনীতিত সক্ৰিয় হৈ পৰে। ২০১৬ চনত আনন্দীবেন পেটেলৰ পৰৱৰ্তী হিচাপে মুখ্যমন্ত্ৰী পদত নিযুক্তি লাভ কৰে। COVID-19 মহামাৰী, উদ্যোগিক নীতিৰ সংস্কাৰ আদি চেলেঞ্জিং সময়ত তেওঁ নিজৰ দক্ষতাৰে ৰাজ্য চম্ভালিছিল। ডিজিটেল সেৱা সেতু যোজনা, সুজলাম সুফলাম জল অভিযানৰ দৰে পদক্ষেপ তেওঁৰ শাসনকালৰ উল্লেখযোগ্য অৱিহণা। সামাজিক কৰ্মী অঞ্জলি ৰূপানী, এজন পুত্ৰ সন্তানক তেওঁ মৃত্যুৰ সময়ত এৰি গৈছে। তেওঁৰ মৃত্যুত গুজৰাটবাসী তথা বিজেপিৰ নেতৃত্বই শোকপ্ৰকাশ কৰিছে।

## বিমান দুৰ্ঘটনাত নিহতৰ

আৱাসটোৰ কিছুসংখ্যক লোকৰ মৃত্যুৰো আশংকা প্ৰকাশ পাইছে। ইতিমধ্যে আহমেদাবাদৰ আৰক্ষী আয়ুক্তই এই দুৰ্ঘটনাত বিমানত থকা লোকসকলৰ প্ৰাণ ৰক্ষাৰ সম্ভাৱনা প্ৰায় ক্ষীণ বুলি মন্তব্য কৰিছে। অৱশ্যে তাৰ মাজতে এজন লোকক জীৱন্তে উদ্ধাৰ কৰা বুলিও তথ্য প্ৰকাশ পাইছে। গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীও এই দুৰ্ঘটনাত নিহত হোৱা বুলি নিশ্চিত কৰা হৈছে। এই দুৰ্ঘটনাৰ পিছতে এয়াৰ ইণ্ডিয়াৰ স্বত্বাধিকাৰী প্ৰতিষ্ঠান টাটা গ্ৰুপে ক্ষতিপূৰণ ঘোষণা কৰিছে। তাৰ মাজতেই এক বিবৃতি যোগে টাটা গ্ৰুপে এই ঘটনাত এয়াৰ ইণ্ডিয়া অত্যন্ত মৰ্মাহত বুলি উল্লেখ কৰিছে। টাটা গ্ৰুপৰ অধ্যক্ষ এন চন্দ্ৰশেকৰণৰ স্বাক্ষৰ সম্বলিত বিবৃতিটোত এই শোকাৱহ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা প্ৰতিজন ব্যক্তিৰ পৰিয়াললৈ টাটা গ্ৰুপে ১ কোটি টকা আগবঢ়াব বুলি ঘোষণা কৰিছে। আহত সকলৰ চিকিৎসাৰ সকলো খৰচ টাটা গ্ৰুপে বহন কৰিব বুলিও ঘোষণা কৰিছে। দুৰ্ঘটনাত আহত লোকৰ পৰিয়াললৈ সকলো ধৰণৰ সহায় আগবঢ়োৱা হ'ব বুলিও আশ্বাসো দিছে টাটা গ্ৰুপে। লক্ষণীয়ভাৱে আহমেদাবাদৰ মেঘনী নগৰৰ বিজে মেডিকেল কলেজৰ হোষ্টেলৰ এটা অংশ এই বিমান দুৰ্ঘটনাৰ ফলত ভাঙি পৰে। ইয়াৰ ফলত কেইবাগৰাকীও চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থীৰ মৃত্যু ঘটিছে। টাটা গ্ৰুপে বিবৃতিটোত লগতে হোষ্টেল পুনৰ নিৰ্মাণ কৰাৰ কথাও ঘোষণা কৰিছে।

## শিৱসাগৰৰ ভটীয়াপাৰৰ

ৰীগটোএচ কে পেট্ৰেকেমিকেল নামৰ প্ৰতিষ্ঠানটোৰ আছিল। ঘটনাস্থলীলৈ বিভিন্ন স্থানৰ পৰা আহি উপস্থিত হয় অগ্নিনিৰ্বাপক বাহন, উল্লেখযোগ্য যে অসম চৰকাৰৰ চাৰিখন অগ্নি নিৰ্বাপক বাহিনী বাহন ততালিকে আহি ঘটনাস্থলীত উপস্থিত হয়। এক ভয়ংকৰ পৰিৱেশৰ সৃষ্টি হৈছে ভটীয়াপাৰৰ বাৰী চুকত। আনহাতে অ এন জি চিৰ অগ্নি নিৰ্বাপক বাহিনীৰ বাহন প্ৰায় এক ঘণ্টাৰ পাছত উপস্থিত হোৱাত ৰাইজ ক্ষোভিত হৈ পৰে। এই পৰিস্থিতিৰ প্ৰতি তাৎক্ষণিক সঁহাৰি জনাই ৰীগটোৰ নিয়ন্ত্ৰণ ঘূৰাই অনাৰ লগতে স্বাভাৱিক অৱস্থা ঘূৰাই আনিবলৈ তাৎক্ষণিক প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। এই সমন্বিত প্ৰচেষ্টাত অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা বিভাগৰ বিষয়া-কৰ্মচাৰী, তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডৰ বিশেষ দলসমূহক জড়িত কৰি জিলা প্ৰশাসনে ক্ষিপ্ৰতাৰে কাম কৰি আছে। পৰিস্থিতি কাৰ্যকৰীভাৱে স্বাভাৱিক অৱস্থালৈ ঘূৰাই অনা, কৰ্মচাৰী আৰু চাৰিওফালৰ পৰিৱেশৰ সুৰক্ষা নিশ্চিত কৰা আদিবোৰ বিষয়ত শিৱসাগৰ জিলা প্ৰশাসনে সময়োপযোগী ব্যৱস্থা গ্ৰহণ কৰিছে। আনহাতে বাতৰি সংগ্ৰহৰ বাবে যোৱা সাংবাদিকক অ এনে জি চিৰ বিষয়াই দু ব্যৱহাৰ কৰা বুলি একাংশ সাংবাদিকে জানিবলৈ দিয়ে।

## ড° সোনাল মানসিংহক শ্ৰীমন্ত

আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উপস্থিত থাকে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "মাধৱদেৱৰ তিথিৰ শুভ দিনত ভাৰতৰ সাংস্কৃতিক অঙ্গনৰ এগৰাকী বিশিষ্ট ব্যক্তিত্বক এই সন্মান প্ৰদান কৰি আমি গৌৰৱান্বিত। ড° মানসিংহে ভাৰতীয় শাস্ত্ৰীয় নৃত্যক বিশ্বমঞ্চলৈ লৈ গৈছে আৰু তেওঁৰ শৈল্পিক প্ৰতিভাই প্ৰজন্মক অনুপ্ৰাণিত কৰিছে। তেওঁৰ জীৱনকাৰ্য্য ভাৰতৰ সমৃদ্ধ অতীত আৰু ভৱিষ্যতৰ মাজৰ সেতু স্বৰূপ।" ১৯৮৬ চনত প্ৰতিষ্ঠিত এই বঁটা কলা, সংস্কৃতি, সাহিত্য আৰু গণসংযোগৰ ক্ষেত্ৰত অৱদানৰ বাবে প্ৰদান কৰা হয়। এই বঁটাটি প্ৰতি বছৰে দি অহা হৈছিল যদিও ২০০৮ চনৰ পৰা প্ৰতি তিনিবছৰৰ মূৰে মূৰে প্ৰদান কৰা হৈছে। মানসিংহই ১৯৬২ চনত মুম্বাইত তেওঁৰ অৰঙ্গেত্ৰমৰ পিছত নৃত্য জগতত পদাৰ্পণ কৰে। ১৯৭৭ চনত দিল্লীত 'চেণ্টাৰ ফৰ ইণ্ডিয়ান ক্লাছিকেল ডান্সেছ' (CICD) প্ৰতিষ্ঠা কৰে। তেওঁক ১৯৯২ চনত পদ্মভূষণ, ১৯৮৭ চনত সংগীত নাটক একাডেমি বঁটা আৰু ২০০৩ চনত পদ্মবিভূষণ প্ৰদান কৰা হয়। ৰাষ্ট্ৰপতিয়ে তেওঁক ৰাজ্যসভালৈ মনোনীত কৰিছিল। মুখ্যমন্ত্ৰীয়ে বৰপেটাৰ শংকৰদেৱ সত্ৰ পতবাউসী থানৰ সংস্কাৰ আৰু বটদ্ৰৱা থানক সাংস্কৃতিক পৰ্যটন কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ ২০০ কোটি টকাৰ প্ৰকল্পৰ কথা উল্লেখ কৰে। ডিচেম্বৰত এই প্ৰকল্প উদ্বোধন কৰা হ'ব বুলি তেওঁ কয়।

## গুৱাহাটীৰ গান্ধীবস্তিত ভয়ংকৰ

নেৰাৰ নামৰ ব্যক্তি জনৰ ঘৰৰ চৌহদত এটা আৰু দুটা ৰুমযুক্ত প্ৰায় ২০ টাকৈ ভাড়া ঘৰ আছিল। অগ্নিকাণ্ডৰ ফলত গোটেই কেইটা ঘৰ জাহ যায়। খবৰ অনুসৰি প্ৰায় ৮ টাকৈ ৰন্ধন গেছৰ চিলিণ্ডাৰ বিস্ফোৰণ হোৱাত জুইৰ শিখা বিয়পি পৰি আমিনুৰ ৰহমান নামৰ আন এগৰাকীৰ প্ৰায় ১০টা ভাড়া ঘৰ দহটা ঘৰ ভস্মীভূত হয়। ঘটনাত ক্ষতিগ্ৰস্ত অধিকাংশ লোক দৈনিক মজুৰি কৰা শ্ৰমিক আৰু ক্ষুদ্ৰ ব্যৱসায়ী আছিল। অগ্নিনিৰ্বাপক বাহিনীয়ে এঘণ্টাৰো অধিক সময় যুঁজি জুই নুমুৱাবলৈ সক্ষম হয় যদিও ঘটনাত কেইবা লাখ টকাৰ সা-সম্পত্তি জুইত জাহ যোৱা বুলি জানিব পৰা গৈছে। ঘটনাত কোনো লোকৰ হতাহতিৰ খবৰ পোৱা নাই।

## ৰাষ্ট্ৰপতি পুটিনে সলনি

খাৰ্কিভ লৈকে ৰাছিয়াৰ ক্ষেপণাস্ত্ৰই সকলো ধ্বংস কৰিছে। ইউক্ৰেইনৰ সীমান্তৱৰ্তী চুমি চহৰতো প্ৰৱেশ কৰে ৰাছিয়াৰ সৈন্যই। কিন্তু এই সকলোবোৰতকৈও গুৰুতৰ কিবা এটা ঘটিছে, যাৰ ফলত সমগ্ৰ ইউৰোপতে ঠাণ্ডা টৌৱে বিয়পিবলৈ আৰম্ভ কৰিছে। ইউক্ৰেইনৰ চতুৰ্থ বৃহত্তম চহৰ ডিনিপ্ৰ'ত প্ৰৱেশ কৰিছে পুটিনৰ বাহিনীয়ে। ইয়াৰ অৰ্থ কি? ইউক্ৰেইনৰ সীমান্তৱৰ্তী অঞ্চলৰ ডনেটস্ক আৰু লুহানস্ক অঞ্চলত ৰাছিয়াৰ সৈন্যই প্ৰৱেশ কৰিছে। ইউৰেইনৰ বাকী অংশত বিমান আক্ৰমণ চলিছে। পুব ইউক্ৰেইনৰ বাহিৰে ৰাছিয়াৰ সৈন্যাই ইউক্ৰেইনৰ আন ক'তো ভৰি দিয়া নাই। ডিনিপ্ৰ' এতিয়াও দখল কৰিব পৰা নাই। কিন্তু ক্ৰেমলিনৰ কৌশল দেখি পশ্চিমীয়া বিশ্বই ভাবিবলৈ আৰম্ভ কৰিছে যে পুটিনে নিজৰ পৰিকল্পনা সলনি কৰিছে নেকি এতিয়া তেওঁ কিয়েভত স্থল উদ্ভাৱনৰ কথা ভাবিছে নেকি? বহুতে এইটোও ভাবিবলৈ আৰম্ভ কৰিছে যে ইউক্ৰেইনৰ প্ৰতিৰোধ ক্ষমতাৰ অন্ত পৰিব। এই সকলোবোৰ দেখি ইউৰোপে আৰু অপেক্ষা কৰিবলৈ ইচ্ছুক নহয়। ইমানদিনে মৌখিকভাৱে কোৱা হৈছিল, কিন্তু এতিয়া হাতে-কামে কৰিবলৈ আৰম্ভ সাজু। প্ৰথম পোলেণ্ড, যদি পোনে পোনে ৰাছিয়াৰ পশ্চিম সীমান্তৰ বাহিৰলৈ যায়, তেন্তে প্ৰথমে ইউক্ৰেইন। তাৰ পিছতহে পোলেণ্ড। এই দেশখন দীৰ্ঘদিন ধৰি পুটিনৰ লক্ষ্য হৈ আছে। ৰাছিয়াৰ মিত্ৰ দেশ বেলাৰুছৰ সৈতে পোলেণ্ডৰ সীমা ভাগ। পুটিনে নিজৰ কিছু পাৰমাণৱিক অস্ত্ৰ বেলাৰুছলৈ প্ৰেৰণ কৰিছে। গতিকে পোলেণ্ডৰ সোঁপন্থী প্ৰধানমন্ত্ৰী ড'নাল্ড টাস্কে সেনাবাহিনীক বেলাৰুছ সীমান্ত হীল কৰিবলৈ নিৰ্দেশ দিছে। তেওঁ বায়ুসেনাক দেশৰ আকাশমাৰ্গৰ ওপৰত চকু ৰাখিবলৈ কয়। ১৯৩৯ চনত হিটলাৰৰ বাহিনীয়ে পোলেণ্ডৰ পশ্চিম সীমান্তত প্ৰৱেশ কৰে। আজি পোলেণ্ডে আশংকা কৰিছে যে পুটিনৰ সৈন্যই পুব সীমান্তৰে প্ৰৱেশ কৰিব। তাৰ পিছত জাৰ্মানী। এই দেশখনে আৰম্ভণিৰে পৰাই জেলেনস্কিক অস্ত্ৰ শস্ত্ৰৰ যোগান ধৰি আহিছে। কিছুদিন পূৰ্বে জাৰ্মানীৰ নতুন চ্যান্সেলৰ ফ্ৰেডৰিখ মেৰ্জে কৈছিল যে তেওঁ ইউক্ৰেইনক দীৰ্ঘ দূৰত্বৰ ক্ষেপণাস্ত্ৰও দিব। সেয়েহে বাৰ্লিনৰ আশংকা যে যিকোনো সময়ত ৰাছিয়াৰ ক্ষেপণাস্ত্ৰই দেশত আঘাত কৰিব পাৰে। জাৰ্মানীয়ে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। জাৰ্মান প্ৰশাসনে মাটিৰ তলত বাংকাৰ নিৰ্মাণ হৈছে। জাৰ্মানীৰ ফেডাৰেল অফিচ অৱ চিভিল প্ৰটেন এণ্ড ডিজেষ্টাৰ এছিষ্টেন্সে জনোৱা মতে, তেওঁলোকৰ দেশত এতিয়া প্ৰায় ২০০০ বাংকাৰ আছে। মাটিৰ তলত ৪ লাখ লোকক উলিয়াই নিয়াৰ বাবে আন্তঃগাঁথনি আছে। ইউৰোপৰ পৰিস্থিতি এতিয়া দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ আগৰ দৰেই। ইয়াৰ আচল অৰ্থ তৃতীয় বিশ্বযুদ্ধৰ ভাবুকি।

## DNA পৰীক্ষাৰ জৰিয়তে

জানিবলৈ ডি এন এ পৰীক্ষা কৰা হ'ব। গুজৰাট স্বাস্থ্য বিভাগৰ এজন জ্যেষ্ঠ বিষয়াই মৃতকৰ সংখ্যা উল্লেখ কৰিবলৈ অস্বীকাৰ কৰাৰ সময়তে এই কথা জানিবলৈ দিয়ে। এয়াৰ ইণ্ডিয়াৰ বয়িং ৭৮৭ ড্ৰিমলাইনাৰ বিমানখন উৰণৰ ৫ মিনিটৰ পিছতে দুৰ্ঘটনাগ্ৰস্ত হৈ অঞ্চলটোত অৱস্থিত বি জে মেডিকেল কলেজৰ হোষ্টেলত বাগৰি পৰে। কোৱা হৈছে যে হোষ্টেলৰ ওপৰত কেণ্টিন আছে, য'ত চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিবলৈ আহে। এই দুৰ্ঘটনাত হোষ্টেলৰ ৫০জন লোক আহত হোৱাৰ খবৰ পোৱা গৈছে। আহতসকলক চিকিৎসাৰ বাবে চিকিৎসালয়লৈ লৈ যোৱা হৈছে। আহমেদাবাদ আৰক্ষীয়ে বিমান দুৰ্ঘটনাত আহত হোৱা ২৫জন লোকৰ তালিকা প্ৰকাশ কৰিছে। গুজৰাট স্বাস্থ্য বিভাগৰ অতিৰিক্ত মুখ্য সচিবে কয়, "আহমেদাবাদ অসামৰিক চিকিৎসালয়ৰ ছাত্ৰ হোষ্টেল, ষ্টাফ কোৱাৰ্টাৰ আৰু অন্যান্য আৱাসিক এলেকা বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱা অঞ্চলত অৱস্থিত। গুজৰাটৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অতিৰিক্ত মুখ্য সচিব ধনঞ্জয় দ্বিবেদীয়ে জনোৱা মতে, আহমেদাবাদ অসামৰিক চিকিৎসালয়ৰ হোষ্টেল, ষ্টাফ কোৱাৰ্টাৰ আৰু অন্যান্য আৱাসিক এলেকা বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱা অঞ্চলত অৱস্থিত। তেওঁ কয় যে বিমান দুৰ্ঘটনাৰ পিছত তাত বাস কৰা লোকসকলো আহত হৈছে।

## "মই হঠাতে চকু মেলি

এয়াৰ ইণ্ডিয়াৰ এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হৈ ২৪২জন যাত্ৰীৰ ভিতৰত ২৪১ জনৰ মৃত্যু হৈছে। বিমানখন আহমেদাবাদৰ পৰা লণ্ডনলৈ যাত্ৰা কৰিছিল। এই ভয়াবহ দুৰ্ঘটনাত একমাত্ৰ যাত্ৰী ৰমেশ বিশ্বাস কুমাৰ অলৌকিকভাৱে বাচি উদ্ধাৰ হৈছে আৰু তেওঁৰ হৃদয়বিদাৰক অভিজ্ঞতা শুনি সকলো স্তম্ভিত। ৪০ বছৰীয়া ৰমেশ ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিক। ৰমেশে দিয়া তথ্য অনুসৰি, হঠাতে এটা ডাঙৰ বিস্ফোৰণ হয়, তাৰ পিছত চাৰিওফালে কেৱল জুইৰ শিখা দেখা গৈছিল। তেওঁ কয়, "মই কেনেকৈ বাচিলো নাজানো। মোক এম্বুলেন্সৰ সহায়ত চিকিৎসালয়লৈ অনা হৈছিল। এই দুৰ্ঘটনাটো টেক অফৰ প্ৰায় ৩০ ছেকেণ্ডৰ পিছত সংঘটিত হৈছিল আৰু এই সকলোবোৰ ইমান সোনকালে হৈছিল যে একোৱে ধৰিব নোৱাৰিলো।" ৰমেশৰ বুকু, চকু আৰু ভৰিত গুৰুতৰ আঘাত হৈছে আৰু তেওঁ বৰ্তমান চিকিৎসাধীন। তেওঁ 11A আসনত যাত্ৰা কৰিছিল। আহমেদাবাদৰ পুলিছ কমিছনাৰ জি.এছ. মালিকে এই তথ্য নিশ্চিত কৰিছে।

## পুত্ৰৰ অত্যাচাৰত অতিষ্ঠ হৈ পিতৃ কৰিলে ত্যাজ্যপুত্ৰ

**অসম বাৰ্তা, লক্ষীগঞ্জ, ১২ জুন ঃ** বৃদ্ধ কালত কাল হৈ পৰিছে নিজ সন্তান তথা পুত্ৰ। ভৱিষ্যতৰ লাখুটিস্বৰূপ নিজ সন্তানৰ হাতত এতিয়া পিতৃৰ প্ৰাণৰ ভাবুকি। ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলাৰ অন্তৰ্গত চিৰাকুটা প্ৰথম খণ্ডস্থিত এজন বৃদ্ধ আৰু বেমাৰী ব্যক্তি নাম ছিদ্দিক আলী বৰ্তমান তেখেতৰ বয়স প্ৰায়-৭০ বছৰ। তেখেতে উল্লেখ কৰে যে মাটিৰ সম্পত্তিৰ অধিকাৰী বৃদ্ধ ছিদ্দিক আলীৰ দুটা সম্পত্তিৰ ভিতৰত এটা সম্পত্তি ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চিৰাকুটা প্ৰথম খণ্ডত আৰু আন এটা গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কিল্লাহাৰা গাঁৱত। সাংবাদিকৰ সাক্ষাৎকাৰত বৃদ্ধ ছিদ্দিক আলীয়ে আজি কয় যে কেতিয়াবা মাজে মাজে কিল্লাহাৰা গাঁৱত থকা মাটিত খেতিৰ বাবে এখেতে উক্ত গাঁও কিল্লাহাৰাৰ নিজৰ মাটিত অৱস্থিত নিজৰ অস্থায়ী ঘৰত যাবলগীয়া হয়। কিন্তু বৃদ্ধ ছিদ্দিক আলীৰ দ্বিতীয় পুত্ৰ বৌ আলী উক্ত গাঁওখনত স্থায়ীভাৱে থাকে আৰু প্ৰায় পিতৃ ছিদ্দিক আলীৰ পৰা বলপূৰ্বক ভাৱে ধন লোৱাৰ স্বাৰ্থত আৰু মানসিক নিৰ্যাতন দিয়াৰ বাবে চিৰাকুটা প্ৰথম খণ্ডত অৱস্থিত মোৰ স্থায়ী বাসগৃহ লৈ বলপূৰ্বক ভাৱে আহে আৰু মোক শাৰীৰিকভাৱে আক্ৰমণ কৰে বুলি ছিদ্দিক আলীয়ে নিজ মুখেৰে প্ৰকাশ কৰে। এই বিষয়ে কেইবাবাৰো নিজৰ আত্মৰক্ষাৰ বাবে আৰক্ষীক অৱগত কৰোৱা বুলিও জানিবলৈ দিয়ে বৃদ্ধ ছিদ্দিক আলীয়ে। ধুবুৰী জিলাৰ চাপৰ আৰক্ষী চকীৰ অন্তৰ্গত চিৰাকুটা প্ৰথম খণ্ডস্থিত ছিদ্দিক আলী আলীৰ পুত্ৰ বক্সো আলী নামৰ যুৱক জনে পিতৃৰ অবাধ্য হৈ প্ৰায় দুবছৰ ধৰি ধাৰাবাহিক ভাৱে অমানবিক কাৰ্য্যকলাপ সংঘটিত কৰি আহিছে, যাৰ ফলত পিতৃয়ে জনসমাজত মুখ দেখাব নোৱাৰি ক্ষমাৰ অযোগ্য পুত্ৰক যোৱা ১২ ডিচেম্বৰ ২০২৪ ইং তাৰিখত বিলাসীপাৰা মহকুমাধিপতীৰ কাৰ্য্যালয়ত নোটাৰীৰ জৰিয়তে পুত্ৰ বক্সো আলীৰ সৈতে সকলো সম্পৰ্ক ছেদ কৰি ত্যাজ্যপুত্ৰ কৰে বুলি সংবাদমেলৰ জৰিয়তে সদৰি কৰে। উক্ত সংবাদ মেলত উল্লেখ কৰে যে তেওঁৰ নিজ পুত্ৰ বক্সো আলী পিতৃৰ জীৱিত অৱস্থাত বা মৃত্যুৰ পিছতো সকলো স্থাৱৰ-অস্থাৱৰ সকলোবোৰ সম্পত্তিৰ পৰা খাৰিজ কৰি ত্যাজ্য পুত্ৰ হিচাপে ঘোষণা কৰে বুলি আজি সাংবাদিকক জানিব দিয়ে।

### পকী দলং নিৰ্মাণৰ দাবী অঞ্চলবাসীৰ

## উজনী মাজুলীত টুনী নদীত জৰাজীৰ্ণ বাঁহৰ ভগা দলঙেৰে যাতায়ত

**অসম বাৰ্তা, উজনী মাজুলী, ১২ জুনঃ** প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সমষ্টি হিচাপে যোৱা পাচঁ বছৰত মাজুলীৰ বাট-পথৰ বাবে চৰকাৰ খনে বিভিন্ন আচঁনী গ্ৰহণ কৰিছিল। বৰ্তমানেও অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি চৰকাৰ খনে চাৰিবছৰীয়া কাৰ্যকালত বিভিন্ন আচঁনীৰ কাম চলাই আছে। নতুন নতুন পকী পথ, অভাৰ ব্ৰীজ, মাথাউৰী নিৰ্মাণ আৰু দলং নিৰ্মাণৰ কাম তীব্ৰ গতিত চলি আছে যদিও বৰ্তমানো বহু ভিতৰুৱা গ্ৰাম্য অঞ্চলত জৰাজীৰ্ণ বাঁহৰ দলঙেৰে জনসাধাৰণে মৰণক শৰন দি যাতায়ত অব্যাহত ৰাখিবলগীয়া হৈছে। এই ভিতৰুৱা অঞ্চল সমূহত পথ অথবা দলং নিৰ্মাণৰ বাবে বিভাগে কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবেই এতিয়া এই ভিতৰুৱা অঞ্চলৰ লোকসকলে যমৰ যাতনা ভোগ কৰিব লগা হৈছে। উল্লেখ যে উজনী মাজুলী উন্নয়ন খণ্ডৰ শ্ৰীৰাম গাঁও পঞ্চায়তৰ অন্তৰ্গত ভকতি দুৱাৰ তিনিআলিৰ পৰা বঙালকটা চিৰাম তেলিয়াবাৰী হৈ জেংৰাইমুখকে



ধৰি বিভিন্ন ঠাইলৈ যাব পৰা চমু পথটোৰ টুনি (শুকানসুটি) নদীৰ ওপৰত থকা বঙালকটা- চিৰাম তেলিয়াবাৰী সংযোগী বিধ্বস্ত দলংখনে এতিয়া পথচাৰীক যমৰ-যাতনা ভোগাইছে। দলংখনত বৃদ্ধৰ পৰা শিশুলৈকে যাতায়তৰ ক্ষেত্ৰত হাৰাশাস্তি ভুগিব লগা হোৱা কাৰ্যই সচেতন মহলৰ চকু কপালত তুলিছে। সংশিষ্ট বিভাগে এই স্থানত পকী দলং নিৰ্মাণৰ বাবে বহুবাৰ জোখ মাখ কৰিছিল যদিও আজি পৰ্যন্ত কোনো ফল লাভ কৰা নাই জনসাধাৰণে। বিভিন্ন সময়ত চৰকাৰী বিভাগক আবেদন নিবেদন কৰিছে যদিও আজি পৰ্যন্ত কোনো সু-ফল লাভ নকৰি জনসাধান ক্ষুন্য হৈ পৰিছে। নিতৌ এই দলংখনেৰে জেংৰাইমুখ মহাবিদ্যলয়, উজনী মাজুলী খেৰকতিয়া মহাবিদ্যালয়, চিৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়, ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰঙাচাহী মহাবিদ্যালয়কে ধৰি জিলা সদৰ গড়মূৰ কমলাবাৰীকে আদি কৰি ব্যৱসায়িক স্থান সমূহলৈ যাতায়ত কৰে গ্ৰাম্য অঞ্চলৰ লোক সকলে। ইয়াৰ উপৰিও বিভিন্ন সময়ত চিকিৎসাৰ বাবে চিৰাম চাপৰি উপ-স্বাস্থ্য কেন্দ্ৰ, চিৰাম দেৱত্তৰ আয়ুবেদিক চিকিৎসালয়, জেংৰাইমুখ মডেল হস্পটেললৈ ৰোগী অহা যোৱা কৰে এই জৰাজীৰ্ণ বাঁহৰ দলঙ খনৰ ওপৰেৰে। দলংখনৰ মাজৰ ভগা অংশত দুলালমান বাঁহ, কাঠ পেলাই যাতায়ত অব্যাহত ৰখা গাওঁবাসীয়ে বৃদ্ধ-বৃদ্ধা, ৰোগী, ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ কথা ভাবি এই ক্ষেত্ৰত এক উচিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।



# কঠালগুৰি বিদ্যালয়ৰ ছাত্ৰৰ সন্দেহজনক মৃত্যু
## স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, ডিমৌ, ১২ জুন ঃ** ডিমৌ সমজিলাৰ অন্তৰ্গত কঠালগুৰি মধ্য ইংৰাজী বিদ্যালয়ত অধ্যয়ন কৰা পঞ্চম শ্ৰেণীৰ ১২ বছৰীয়া ছাত্ৰ পৰেশ কুৰ্মীৰ মৃত্যুক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক উত্তেজনা পৰিলক্ষিত হৈছে। সোমবাৰে বিদ্যালয়ত ফুটবল খেলি থাকোতে ৰেলিংৰ পৰা পৰি গুৰুতৰ আঘাত পোৱা ছাত্ৰজনৰ মৃত্যুৰ বাবে বিদ্যালয় কৰ্তৃপক্ষৰ গাফিলতিকেই দায়ী কৰিছে পৰিয়াল আৰু স্থানীয় ৰাইজে। পৰিয়ালৰ লোকৰ অভিযোগ অনুসৰি, ছাত্ৰজন দুৰ্ঘটনাৰ পাছত বিদ্যালয়তে অসুস্থ হৈ পৰে যদিও শিক্ষকসকলে পৰিয়ালক কেৱল "গা বেয়া হৈছে" বুলি খবৰ দিয়ে। আঘাতৰ গুৰুতৰতা গোপন কৰি বাস্তৱ ঘটনা নকোৱাক লৈ অভিভাৱকৰ পৰিয়ালৰ লোকে গভীৰ ক্ষোভ প্ৰকাশ কৰিছে। অৱশেষত পৰিয়ালৰ লোকে নিজেই ছাত্ৰজনক চিকিৎসালয় লৈ যাওঁতে আচল কথা গম পায়, যে যদিও চিকিৎসালয়ত চিকিৎসা কৰোৱাই বাসগৃহ লৈ অনাৰ পাছত আজিৰ পুৱতি নিশা পৰেশ কুৰ্মী মৃত্যুবৰণ কৰে। ঘটনাটোৱে অঞ্চলজুৰি বিষাদৰ পৰিৱেশ সৃষ্টি কৰাৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ দায়িত্বজ্ঞানহীনতাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া দেখা গৈছে। স্থানীয় ৰাইজে বিদ্যালয়ৰ সুৰক্ষা ব্যৱস্থা, খেল-ধেমালিৰ সময়ত শিশুসমূহৰ তদাৰকীৰ অভাৱ, আৰু চিকিৎসা সেৱাৰ ক্ষেত্ৰত শিক্ষকৰ অজ্ঞতা আৰু গাফিলতিৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে।ঘটনাৰ খবৰ পোৱাৰ লগে লগে গাঁওবাসীয়ে বিদ্যালয়ৰ পৰা উপস্থিত হোৱা একাংশ শিক্ষকক ক্ষোভিত ৰাইজে জবাবদিহি কৰে লগতে দোষী শিক্ষকৰ বিৰুদ্ধে তদন্ত আৰু ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। লগতে কয় যে— "পৰেশৰ দৰে নিষ্পাপ ছাত্ৰ এজনক আমি হেৰুৱালো, যাৰ বাবে গুৰুতৰ অভিযোগ উত্থাপন কৰে বিদ্যালয়ৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে। সঠিক সময়ত চিকিৎসা আৰু প্ৰকৃত কাৰণ জানিব পৰা হ'লে হয়তো অধ্যয়নৰত নিষ্পাপ ছাত্ৰজনৰ এই মৃত্যু নহ'লহেঁতেন।" প্ৰকৃত ঘটনা গোপন কৰা, আহত ছাত্ৰক সময়মতে চিকিৎসা নকৰা, আৰু বিদ্যালয়ত কোনো ধৰণৰ ছাত্ৰৰ সুৰক্ষাৰ ব্যৱস্থা গ্ৰহণৰ দায়িত্ব পালন নথকাৰ বাবে স্থানীয় ৰাইজে বিদ্যালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱাৰ দাবী জনাইছে।

# ডিমৌ উন্নয়ন খণ্ডত লাখপতি বাইদেউ আঁচনিৰ পৰা নাম কৰ্তনৰ বিৰুদ্ধে অৰ্ধশতাধিক মহিলাৰ প্ৰতিবাদ

**অসম বাৰ্তা, ডিমৌ, ১২ জুন ঃ** অসম চৰকাৰৰ মুখ্যমন্ত্ৰী মহিলা উদ্যোমিতা আঁচনিৰ অধীনত চলি থকা লাখপতি বাইদেউ আঁচনিৰ পৰা নাম কৰ্তন হোৱাত ডিমৌ অঞ্চলৰ বিভিন্ন গাঁওবাসী মহিলাই আজি ডিমৌ উন্নয়ন খণ্ড কাৰ্যালয়ত উপস্থিত হৈ তীব্ৰ প্ৰতিবাদ জনাই। নিতাইপুখুৰী, পানিদিহিং, ৰজাবাৰী, শুকানপুখুৰী আদিৰ পৰা অহা উক্ত অৰ্ধশতাধিক মহিলাই খণ্ড উন্নয়ন বিষয়া বৰ্ণালী গগৈৰ অনুপস্থিতিত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়া মনোজ বৰুৱাৰ সন্মুখত নিজৰ ক্ষোভ আৰু অৱহেলাৰ বিৰোধিতা কৰে। প্ৰতিবাদী মহিলাসকলৰ অভিযোগ অনুসৰি, তেওঁলোকে আঁচনিৰ বাবে বিধিসন্মতভাৱে সময়মতে আবেদন দাখিল কৰিছিল। তথাপিও, বিভাগীয় কৰ্তৃপক্ষই কোনোধৰণৰ নিৰীক্ষণ বা পৰীক্ষণ নকৰাকৈ বেআইনীভাৱে আৰু অক্ৰোশমূলকভাৱে নাম কৰ্তন কৰি দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। এই আঁচনিৰ অধীনত সুফল লাভ কৰি পৰিয়ালৰ অৰ্থনৈতিক অৱস্থা উন্নয়ন কৰাৰ সপোন দেখা মহিলাসকল আজি আঁচনিৰ পৰা বঞ্চিত হোৱাৰ বাবে হতাশ আৰু ক্ষুব্ধ হৈ পৰে। উক্ত প্ৰতিবাদৰ সময়ত মহিলাসকলে মনোজ বৰুৱালৈ লিখিত আবেদন পত্ৰ দাখিল কৰে আৰু তেওঁলোকৰ নাম পুনৰ আঁচনিৰ অন্তৰ্গত কৰিবলৈ দাবী জনায়। উত্থাপন কৰা অভিযোগ অনুসৰি আৰু অৱগত কৰা মতে, এই আবেদন পত্ৰ সমূহ একোখনকৈ গ্ৰহণ কৰা হয়। অন্যহাতে, যদি আঁচনিৰ পৰা বঞ্চিত মহিলাসকলৰ সন্দৰ্ভত বিভাগীয়ভাৱে কোনো সদুত্তৰ বা পদক্ষেপ গ্ৰহণ কৰা নহয়, তেন্তে প্ৰতিবাদী মহিলাসকলে গণতান্ত্ৰিক আন্দোলন আৰম্ভ কৰাৰ হুংকাৰ প্ৰদান কৰে। ভুক্তভোগীসকলৰ দাবী, গোট-সমূহত বসবাস কৰা সুবিধা নোপোৱা, অথচ প্ৰকৃত মহিলাসকলক আঁচনিৰ পৰা বঞ্চিত কৰি আন একাংশ অনুপযুক্ত লোকক আঁচনিত অন্তৰ্ভুক্ত কৰাৰ ফলত এই বিসংগতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে।। এই ঘটনাই ডিমৌ উন্নয়ন খণ্ডত লাখপতি বাইদেউ আঁচনিৰ বাস্তৱায়ন প্ৰক্ৰিয়াৰ ওপৰত প্ৰশ্নচিহ্ন উঠাইছে। স্থানীয় মহলত আঁচনি ব্যৱস্থাপনাত স্বচ্ছতা, প্ৰকৃত বাচনিৰ নিৰীক্ষণ আৰু তথ্যভিত্তিক প্ৰক্ৰিয়াৰ সন্দৰ্ভতো গভীৰ প্ৰশ্ন উত্থাপন কৰিছে।



### লাহৰীঘাটৰ কুশতলি সাপ্তাহিক বজাৰত কৃষক বিদ্ৰোহ
# ধানৰ মূল্য মধ্যভোগী ব্যৱসায়ীয়ে কম দিয়াক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি
### আৰক্ষীৰ হস্তক্ষেপত পৰিস্থিতি নিৰন্ত্ৰণ

**অসম বাৰ্তা, ভূৰাগাঁও, ১২ জুন ঃ** ধানৰ চৰকাৰী মূল্য সন্দৰ্ভত অসম চৰকাৰৰ কৃষি বিভাগৰ ঘোষনা যেন তেনেই নিৰৰ্থক হৈ পৰিছে। চৰকাৰী নিৰ্ধাৰিত দৰতকৈ বহু কম মূল্যত ধান বিক্ৰী কৰি মুৰে কপালে হাত দিব লগা হৈছে অসমৰ কৃষকে। আজি লাহৰীঘাটৰ কুশতলি বজাৰত ধানৰ মূল্য মধ্যভোগী কৃষকে ৫০০- ৬০০ টকা দিয়াক কেন্দ্ৰ কৰি বজাৰত ধান বিক্ৰী কৰিব অহা উপান্ত কৃষক সকলে একপ্ৰকাৰ বিদ্ৰুহৰ সূচনা কৰে। প্ৰতিবাদ মুখৰ হৈ পৰা কৃষক সকলে বজাৰত সৃষ্টি কৰে এক উত্তপ্ত পৰিস্হিতি। কৃষকৰ ৰুদ্ৰ মূৰ্তী দেখি পলাই ছত্ৰভঙ্গ দিবলৈ বাধ্য হয় ধানৰ মধ্যভেগী বেপাৰিৰ লগতে বজাৰৰ লেছি। উল্লেখ্য যে বৰোধানৰ কৃষকক ধানৰ মূল্য কমকৈ দি পাভ চোচা দি আহিছে মধ্যভোগী বনিয়াই। বৰো ধানৰ কৃষকে ধান সামৰিয়ে ডাৱনিৰ খৰচ, ধান চপোৱা বিভিন্ন খৰচৰ জোৰা মাৰিবলৈ বজাৰলৈ গাড়ীয়ে গাড়ীয়ে ধান নিছে। কিন্তু চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া বৰো ধানৰ চৰকাৰী মূল্যতকৈ বহু কম দৰত ধান বিক্ৰী কৰিবলৈ বাধ্য হৈ কৃষক সকলে চকুৰে সৰীয়হ ফুল দেখিছে। ব্যাপক লোকচানৰ সন্মুখীন হব লগা হৈছে বৰো ধানৰ কৃষকসকল। পৰিণতিত আজি লাহৰীঘাটৰ কুশতলি সাপ্তাহিক বজাৰত কৃষকৰ ক্ষোঙৰ বহিঃ প্ৰকাশ ঘটে। মধ্যভোগী বনিয়াৰ বিৰুদ্ধে ক্ষোভ উজাৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। কৃষকৰ ৰুদ্ৰ মূৰ্তি দেখি ফৰিং ছিতিকা দিলে ধান ব্যৱসায়ী আৰু মহলদাৰে । মুলতঃ ৮০০ টকাৰ বিপৰীতে প্ৰতি মোন ধানৰ মূল্য ৫০০ ৰ পৰা ৬০০ টকাত ব্যৱসায়ীয়ে ক্ৰয় কৰিব বিচৰাক কেন্দ্ৰ কৰিয়ে ব্যৱসায়ী আৰু মহলদাৰৰ বিৰুদ্ধে ক্ষুব্ধ কৃষক ৰাইজে আজি এনে পৰিস্হিতি সৃষ্টি কৰে ।অৱশেষত ঘটনাস্থলীত লাহৰীঘাট থানাৰ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ইফালে ইমান কম মূল্যত ধান বিক্ৰী নকৰো বুলি কৃষকে বস্তাই বস্তাই ধান অনা বাটেৰে ঘৰলৈ ঘূৰাই লৈ যায়। চৰকাৰে প্ৰতিবছৰে কৃষকৰ ধান ক্ৰয় কৰে যদিও প্ৰতি বছৰে চৰকাৰে সময় মতে ধান ক্ৰয় নকৰাত কৃষক সকল বিপদত পৰি আহিছে। প্ৰতি বছৰে কৃষকৰ হাতৰ পৰা মধ্যভোগী ব্যৱসায়ীলৈ ধান সৰকি যোৱাৰ পাছতহে চৰকাৰে ধান ক্ৰয় কৰি মধ্যভোগী ব্যৱসায়ীকহে উপকৃত কৰি তেলিৰ মুৰতে তেল দিয়াৰ ব্যৱস্হা কৰি আহিছে। যাৰ বাবে চৰকাৰৰ ধান ক্ৰয় ব্যৱস্হাই আজিলৈ প্ৰকৃতাৰ্থত উপকৃত কৰিব পৰা নাই উপান্ত কৃষক সকলক।

### অসম বিধানসভাৰ বিভাগীয় বিষয়ক ষ্টেণ্ডিং কমিটিৰ মৰিগাঁও জিলা ভ্ৰমণ
# প্ৰতিটো বিভাগক পাৰস্পাৰিক সমন্বয়েৰে কাম কৰিবলৈ আহ্বান অধ্যক্ষ সঞ্জয় কিষাণৰ

**অসম বাৰ্তা, মৰিগাঁও, ১২ জুন ঃ** অসম বিধানসভাৰ বিভাগীয় বিষয়ক ষ্টেণ্ডিং কমিটিৰ এটা দলে আজি মৰিগাঁও জিলা ভ্ৰমণ কৰি বিভিন্ন বিভাগৰ অধীনৰ উন্নয়নমূলক কাম-কাজসমূহ পৰ্যবেক্ষণ তথা পৰিদৰ্শন কৰে। ২০২৪-২৫ বিত্তীয় বৰ্ষত সমিতিয়ে দিয়া পৰামৰ্শসমূহক ভিত্তি কৰি বিভিন্ন বিভাগত ৰূপায়িত প্ৰকল্প/আঁচনি আৰু ব্যৱস্থা গ্ৰহণৰ প্ৰতিবেদন আৰু খতিয়ান লোৱাৰ উদ্দেশ্য উপস্থিত হোৱা তথা বিধায়ক সঞ্জয় কিষাণৰ অধ্যক্ষতাত অহা প্ৰতিনিধিৰ দলটোত বিধায়ক মনোৰঞ্জন তালুকদাৰ, চক্ৰধৰ গগৈ আৰু প্ৰমোদ বৰঠাকুৰ উপস্থিত থাকে। কাৰ্যসূচীৰ অংশৰূপে উচ্চস্তৰীয় প্ৰতিনিধিৰ দলটোৱে কেইবাটাও বিভাগৰ অন্তৰ্গত বিভিন্ন আঁচনি পৰিদৰ্শন কৰি কাম-কাজৰ বুজ লয়। বিয়লি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন পৰ্যালোচনা বৈঠকত আঠটা বিভাগৰ মুৰব্বী বিষয়াসকলৰ পৰা সবিশেষ খতিয়ান লয়। সমিতিৰ অধ্যক্ষ কিষাণে প্ৰতিটো বিভাগক পাৰস্পাৰিক সমন্বয়েৰে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিখন জিলাকে সমানভাৱে আগবঢ়াই লৈ যোৱাৰ ওপৰত সদায় গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ প্ৰতিটো বিভাগক আন্তৰিকতাৰে কাম কৰিবলৈ আহ্বান জনায়। শ্ৰী কিষাণৰ লগতে সভাত উপস্থিত সমিতিৰ আন সদস্যসকলে বিভাগসমূহৰ বিভিন্ন সমস্যাৰ বুজ লয়। তেওঁলোকে সম্ভাব্য বানৰ আশংকাৰ প্ৰতি লক্ষ্য ৰাখি পশুপালন আৰু পশুচিকিৎসা বিভাগক পশুখাদ্য মজুত ৰাখিবলৈ পৰামৰ্শ আগবঢ়ায়। লগতে জলসিঞ্চন বিভাগক আৰু অধিক কৃষিভূমি সামৰি ল'ব পৰাকৈ পৰিকল্পনা যুগুত কৰাৰ পৰামৰ্শ দিয়ে। কৃষি বিভাগৰ পৰ্যালোচনা কৰি শ্ৰী কিষাণে ধান ক্ৰয়ৰ পৰিমাণ বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। একেদৰে, শ্ৰমিক কল্যাণ বিভাগৰ ক্ষেত্ৰত তেওঁ এটি কলি দুটি পাত আঁচনিৰ পৰা যাতে যোগ্যজন বঞ্চিত নহয়, সেয়া সুনিশ্চিত কৰিবলৈ জিলা শ্ৰম বিষয়াক নিৰ্দেশ দিয়ে ।আনহাতে, উদ্যোগ আৰু বাণিজ্য বিভাগৰ পৰা বিভিন্ন প্ৰতিষ্ঠানৰ সৈতে হোৱা বুজাবুজিৰ চুক্তি ৰূপায়নৰ অগ্ৰগতিৰ বুজ লয়। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ পৰ্যালোচনা কৰি চিকিৎসালয়ত ডাক্তৰৰ উপস্থিতি যাতে নিয়মীয়া হয়, সেয়া সুনিশ্চিত কৰিবলৈ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকক পৰামৰ্শ আগবঢ়ায়। দলটোৱে লোক নিৰ্মাণ পথ আৰু লোক নিৰ্মাণ গৃহ বিভাগৰ কাম-কাজৰ বুজ লৈ বিভিন্ন আঁচনিৰ কাম সময়মতে সম্পূৰ্ণ কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়। আজিৰ সভাত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, অতিৰিক্ত জিলা আয়ুক্তসকল আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত আছিল।

# ৰমাকান্ত ফুটবল ক্লাবলৈ ১০ লাখ টকাৰ খেলৰ সামগ্ৰী প্ৰদান কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১২ জুন ঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ একোটাকৈ ক্ৰীড়া সংগঠনলৈ ১৫ লাখকৈ টকা ধনৰে ১০ লাখ টকাৰ খেলৰ সামগ্ৰী আৰু ৫ লাখ টকা খেলৰ সামগ্ৰী সংৰক্ষণৰ বাবে গৃহ নিৰ্মাণ কৰিবলৈ ধনৰ আৱণ্টন দিছে। যোৰহাট জিলাৰ কেউটা বিধানসভা সমষ্টিৰ লগতে টীয়ক বিধানসভা সমষ্টিৰ সৰুচৰাই আলিৰ কাষৰ ৰমাকান্ত ফুটবল ক্লাবে এই ধন লাভ কৰিছে। আজি কেন্দ্ৰীয় মন্ত্ৰী ৰমাকান্ত সমাজ কল্যাণ সংঘ-অসম চৰকাৰৰ গ্ৰাম্য পুথিভঁৰাল প্ৰাঙ্গণত উপস্থিত হৈ অঞ্চলৱৰ্তী ৰাইজৰ সন্মুখত ৰমাকান্ত ফুটবল ক্লাবক ১০ লাখ টকাৰ খেলৰ সামগ্ৰী প্ৰদান কৰে আৰু গৃহটোৰ নিৰ্মাণ কৰিবৰ বাবে ৫ লাখ টকাৰ ধনাদেশ প্ৰদান কৰে। এই অনুষ্ঠানত যোৰহাট জিলাৰ অতিৰিক্ত আয়ুক্ত, যোৰহাট জিলা ক্ৰীড়া বিষয়া ৰাহুল শৰ্মাৰ লগতে অগপ আৰু বিজেপি দলৰ ভালেকেইজন বিষয়ববীয়া উপস্থিত থাকে। ৫ লাখ টকাৰ অনুদানেৰে ৰমাকান্ত সমাজ কল্যাণ কেন্দ্ৰ-অসম চৰকাৰৰ গ্ৰাম্য পুথিভঁৰালটোৰ সমীপতে গৃহটো নিৰ্মাণ কৰা হ'ব বুলি উদ্যোক্তাসকলে উল্লেখ কৰিছে।

# ডিব্ৰুগড়ত 'মঞ্চৰূপা'ৰ উদ্যোগত গীত-মাত, কবিতাৰে অন্তৰংগ অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ জুন ঃ** অসমৰ এক অগ্ৰণী সামাজিক- সাংস্কৃতিক অনুষ্ঠান "মঞ্চৰূপা"ৰ উদ্যোগত এক আটকধুনীয়া "অন্তৰংগ অনুষ্ঠান" কাৰ্যকৰী সভাপতি বলিন বৰদলৈৰ চ'ৰা ঘৰত অনুষ্ঠিত হৈ যায়। প্ৰখ্যাত সংগীতজ্ঞ প্ৰশান্ত বৰদলৈ, জ্যেষ্ঠ শিল্পী ব্ৰজেন পাঠক, অমিয় শৰ্মা প্ৰমুখ্যে অনুষ্ঠানত অংশ লোৱা অৰ্ধ শতাধিক সদস্য-সদস্যা আৰু শুভাকাংক্ষীয়ে অনুষ্ঠানটিক এক অনন্য মাত্ৰা প্ৰদান কৰে। অনুষ্ঠানত নৱ প্ৰজন্মৰ অভিলাষা বৰুৱা, জিমি জিজ্ঞাসা বৰুৱা, বেদশ্ৰুতি ভট্টাচাৰ্যৰ পৰা আৰম্ভ কৰি জেষ্ঠ শিল্পী নীলিমা বৰদলৈ, চন্দন পাঠক, ব্ৰজেন পাঠক, ডাং ৰামকান্ত হাজৰিকা, ৰূপনন্দা দত্ত, কৌশিক শৰ্মা, মনিষা বৰদলৈ, ৰূপজ্যোতি বৰুৱাকে আদি কৰি ভালেমান শিল্পীয়ে গীত পৰিৱেশন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। বাদ্যসংগতত আছিল নৱজ্যোতি আৰু পৰাংগ। ৰিণি শৰ্মাৰ ভায়'লিন বাদন, লাকী চাংকাকতি, অলেখা বৰুৱাৰ কবিতা পাঠ আছিল অনুষ্ঠানিৰ অন্য এক আকৰ্ষণ। অনুষ্ঠানটি আকৰ্ষণীয় ভাৱে সম্পন্ন হোৱা বুলি সভাপতি চন্দন পাঠক, কাৰ্যকৰী সভাপতি বলিন বৰদলৈ আৰু সাংস্কৃতিক সম্পাদক হাচান ইকবাল আহমেদে জানিবলৈ দিয়ে।

# প্ৰতিষ্ঠা নাজিৰৰ প্ৰাণী বিজ্ঞানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত চতুৰ্থ স্থান

**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট, ১২ জুন ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়ৰ স্নাতক বিজ্ঞান শাখাৰ ষষ্ঠ তথা চূড়ান্ত যাণ্মাসিকৰ পৰীক্ষাৰ কালি ঘোষণা কৰা ফলাফল অনুসৰি বাহনা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা নাজিৰে প্ৰাণী বিজ্ঞান বিষয়ত বিশ্ববিদ্যালয়ৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰি যোৰহাটলৈ গৌৰৱ কঢ়িয়াই আনিছে। প্ৰতিষ্ঠাই ৯.২৮ চি জি পি এ লাভ কৰিছে। এওঁ ৰংদৈৰ প্ৰশান্ত কুমাৰ নাজিৰ আৰু ৰেখা কলিতা নাজিৰৰ কন্যা।



# ডিব্ৰুগড়ৰ জন সাংস্কৃতিক সমাজৰ উদ্যোগত ১৫ জুনত আলোচনা চক্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ জুন ঃ** জ্যোতি জয়ন্তী আৰু বিষ্ণু প্ৰসাদ ৰাভা দিৱসৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড়ৰ জনসাংস্কৃতিক সমাজে বছৰযোৰা ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ অংশ হিচাপে অহা ১৫ জুন দেওবাৰে বিয়লি ৩ বজাত স্থানীয় পূৰ্ণানন্দ পথত থকা জ্ঞান ডাইনী মন্দিৰ প্ৰাংগণত এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰিবলৈ উদ্যোগ লৈছে। 'বিষ্ণু-জ্যোতিৰ দৃষ্টিত সমাজ আৰু সংস্কৃতি' -শীৰ্ষক এই আলোচনা চক্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ সত্যকাম বৰঠাকুৰ আৰু মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০বিনোদ চন্দ্ৰ বড়া উপস্থিত থাকি নিৰ্দিষ্ট বিষয়ৰ ওপৰত ভাষণ প্ৰদান কৰিব। আলোচনা চক্ৰখনি সঞ্চালনা কৰিব বিশিষ্ট নাট্যকাৰ, পৰিচালক মুনীন্দ্ৰ নাথ শৰ্মাই। আলোচনাচক্ৰ অনুষ্ঠানটো সফল কৰি তুলিবলৈ ৰাইজলৈ আহ্বান জনাইছে জন সাংস্কৃতিক সমাজৰ সভাপতি চেহিৰ আহমদ আৰু সম্পাদক লক্ষ্যধৰ কলিতাই।

# খাদ্য আন্দোলনৰ দুই শ্বহীদৰ মৃত্যুভূমি ভূৰবন্ধাত মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ছাত্ৰ সংহতি দিৱস উদযাপন



**অসম বাৰ্তা, মৰিগাঁও, ১২ জুন ঃ** ১৯৭৪ চনৰ খাদ্য আন্দোলনত ১০ জুন তাৰিখে দেশ আৰু জাতিৰ বাবে শ্বহীদ বৰণ কৰা মৰিগাঁও জিলাৰ ভূৰবন্ধাৰ দুই ফুলকুমলীয়া ছাত্ৰ ক্ৰমে গজেন ইংতি আৰু পুতুল শইকীয়াৰ স্মৃতিত আজি সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাই শ্বহীদ দ্বয়ৰ জন্ম আৰু মৃত্যুভূমি জিলাখনৰ ভূৰবন্ধাত বিধ্বস্ত কাৰ্যসূচীৰে ছাত্ৰ সংহতি দিৱস উদযাপন কৰে। ভূৰবন্ধা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত শ্বহীদদ্বয়ে অধ্যয়ন কৰা বিদ্যালয় ঔগুৰি মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই ছাত্ৰ সংহতি দিৱসত পুৱা ১০ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰি জিলা সভাপতি দিব্যজ্যোতি চৌধুৰীয়ে অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। মৰিগাঁও জিলা আছুৰ সাধাৰণ সম্পাদক শিৱ দাসে শ্বহীদ তৰ্পণ কৰাৰ পাছতে এখন স্মৃতিচাৰণ সভাখনি অনুষ্ঠিত কৰা হয়। সদৌ মৰিগাঁও জিলাৰ ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি চৌধুৰী সভাপতিত্ব অনুষ্ঠিত এই সভাখনৰ আঁতধৰে জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শিৱ দাসে। সভাখনত অংশগ্ৰহণ কৰি সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দিপুল কুমাৰ নাথ, সুদীপ্ত ভগৱতী, উপ-সভাপতি মজিবুৰ ৰহমান প্ৰমুখ্যে কেইবাগৰাকীও আছু নেতাই শ্বহীদ দুগৰাকীক সশ্ৰদ্ধে স্মৰণ কৰাৰ লগতে ৰাজ্যখনৰ শৈক্ষিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সমস্যা ৰাজিৰ ওপৰত আলোকপাত কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভূৰবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰদীপ শৰ্মা, ঔগুৰি মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিতুমনি দাস,প্ৰাক্তন ছাত্ৰ নেতা যুগল কিশোৰ চৌধুৰী, অসম সেনাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অনুপম ভগৱতী আৰু জিলা আহ্বায়ক কুঞ্জ বৰাই শ্বহীদ দ্বয়ক স্মৰণ কৰি একোটাকৈ বক্তব্য ৰাখে। উক্ত সভাতে শ্বহীদ দ্বয়ৰ পৰিয়ালবৰ্গক আনুষ্ঠানিক ভাবে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক ক্ৰমে দীপাংকৰ নাথ, চিন্ময় ভৰদ্বাজ, শিক্ষা সম্পাদক চাফৰাজ আলী, সাংগঠনিক সম্পাদক তথা সদৰ ছাত্ৰ সন্থাৰ সম্পাদক প্ৰণৱ জ্যোতি বৰ্মন,খেল সম্পাদক প্ৰাণজিত নাথ, প্ৰচাৰ সম্পাদক ভাস্কৰ মেধি, কাৰ্যনিৰ্বাহক সদস্য ইমৰান হুছেইন, ডিজিট মেধি, তুষাৰ ৰঞ্জন কোঁৱৰ, মৃণ্ময় বৰা, ডেভিদ দেউৰী প্ৰমুখ্যে ছাত্ৰনেতা সকল উপস্থিত থাকে। সন্ধিয়া ভূৰবন্ধা আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি পল্লৱ ডেকা আৰু সাধাৰণ সম্পাদক লক্ষী হুকাইৰ নেতৃত্বত শ্বহীদ দ্বয়ৰ সমাধি স্থানত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ সামৰণি পেলোৱা হয়।

### জাগুনৰ দিহিং নৈৰ নামফাই ঘাটত অঘটন
# কণমানি সন্তানসহ নৈত জপিয়ালে এগৰাকী মহিলাই

**অসম বাৰ্তা, জাগুন, ১২ জুন ঃ** মাৰ্ঘেৰিটা সমজিলাৰ জাগুন আৰক্ষী চকীৰ অন্তৰ্গত দিহিং নৈৰ নামফাই ঘাটত আজি এক শোকাবহ ঘটনা সংঘটিত হয়। নিজৰ কণমানি সন্তানক লৈ অকস্মাতে নৈত জাপ দিলে এগৰাকী মহিলাই। স্থানীয় লোকে কণমানি শিশুটিক উদ্ধাৰ কৰে যদিও মহিলা গৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম নহল। সন্ধানহীন মহিলা গৰাকী জাগুন টিংকো পথাৰৰ আৰতি লামা (২৭) বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত জাগুন আৰক্ষী আৰু এছ, ডি, আৰ,এফ,ৰ দল উপস্থিত হৈ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে যদিও বাতৰি লিখা সময়লৈ মহিলা গৰাকীৰ কোনো সম্ভেদ লাভ কৰিবলৈ সক্ষম হোৱা নাই উদ্ধাৰ কাৰী দলে ।মহিলা গৰাকীয়ে কি কাৰণত এনে ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিলে সেই বিষয়ে স্পষ্ট হোৱা নাই যদিও ঘৰুৱা কন্দলৰ বাবেই এই ঘটনা সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে।

### তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালৰ বিদ্যালয় পৰিদৰ্শন
# হাহঁচৰা এলপি স্কুলত আধাৰ শিবিৰ মুকলি

**অসম বাৰ্তা, তিনিচুকীয়া, ১২ জুন ঃ** তিনিচুকীয়া জিলাৰ জিলা আয়ুক্ত স্বপ্নীল পালে আজি বুধবাৰে হাহঁচৰা মণ্ডল প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে মত বিনিময় কৰে। এই ভ্ৰমণৰ সময়ত তেওঁ কেবাটাও গুৰুত্বপূৰ্ণ বিষয় পৰ্যালোচনা কৰে। তাৰ ভিতৰত - সকলো ছাত্ৰ -ছাত্ৰী আধাৰ কাৰ্ড আৰু জন্মৰ প্ৰমাণ পত্ৰৰ উপলব্ধতা, চাহ বাগিচাৰ বিদ্যালয়ত গাঠনিগত আৰু গাণিতিক স্বাক্ষৰতাৰ কাৰ্যসূচীৰ ৰূপায়ন, মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত প্ৰতি সপ্তাহত অন্তত: এটা অতিৰিক্ত কণী প্ৰদান, বিদ্যালয়ত ছাত্ৰ ছাত্ৰী উপস্থিতি আৰু আধাতে বিদ্যালয় এৰি যোৱাৰ হাৰ আৰু ইয়াৰ কাৰণ, ইত্যাদি। তেওঁ লগতে বিদ্যালয় খনত ছাত্ৰ-ছাত্ৰীৰ আধাৰ নামভৰ্তিৰ বাবে এটা আধাৰ শিবিৰ মুকলি কৰে। অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য আৰু আধাৰ) মিৰ্জানা হুছেইন, বিদ্যালয় পৰিদৰ্শক বিন্তী শৰ্মা আৰু স্বাস্থ্য বিভাগৰ প্ৰতিনিধি আৰু বিষয়া সকলে এই ভ্ৰমণ কালত তেওঁক সংগ দিয়ে।



অসম বাৰ্তা গোষ্ঠীৰ হৈ স্বত্বাধিকাৰ তনয় বৰাৰ দ্বাৰা গুৱাহাটী আৰু যোৰহাটৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ■ বিজ্ঞাপন বিভাগ ঃ e-mail: info@asombarta.in
■ ভ্ৰাম্যভাষঃ +৯১-৭০৯৯৪৩৫৪৬২(ম) ■ বিজ্ঞাপন বিভাগ ঃ +৯১-৮৬৩৮১৬২৫০৪ ■ যোৰহাট কাৰ্যালয় ঃ তৰাজান, যোৰহাট, ৭৮৫০১০, (যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব)